www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

‘নিঃসঙ্গ জীৱন আৰু নিৰানন্দ সময়ৰ বাবে কিতাপেই মানুহৰ একমাত্ৰ বিশ্বস্ত সঙ্গী।
— হোমেন বৰগোহাঞিং —’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৭০ ❒ শুকুৰবাৰ ❒ ৮ আগষ্ট, ২০২৫ চন ❒ ২২ শাওন, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 170 ❒ Friday ❒ 8th August, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

অলিম্পিক পদকজয়ী বক্সাৰ লাভলীনা বৰগোঁহাইৰ বিস্ফোৰণ

## লিংগ বৈষম্যমূলক আচৰণেৰে লাভলীনাক বক্সিং ফেডাৰেচনৰ শীৰ্ষ বিষয়াৰ অপমান

▪ তেওঁ মোক উদ্দেশ্য কৰি উচ্চ স্বৰত আক্ৰমণাত্মকভাৱে হেয়জ্ঞান কৰি ধমক দি কয়- ‘চুপ থাকা, মূৰটো তললৈ নমাই আমি কোৱাৰ দৰেই কৰা’

৮ জুলাইত অনলাইন বৈঠকত অপমানিত লাভলীনাক; তিনিজনীয়া তদন্ত কমিটি গঠন

**ক্ৰীড়া বাৰ্তা, অসম বাৰ্তা, ৭ আগষ্ট ঃ** অলিম্পিকত ব্ৰঞ্জ বিজয়ী বক্সাৰ তথা অসম কন্যা লাভলীনা বৰগোঁহায়ে ভাৰতীয় বক্সিং ফেডাৰেচনৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে উত্থাপন কৰিছে গুৰুতৰ অভিযোগ। ফেডাৰেচনৰ কাৰ্যবাহী অধ্যক্ষ তথা অন্তৰ্বৰ্তীকালীন সমিতিৰ সদস্য কৰ্ণেল অৰুণ মালিক(অৱসৰপ্ৰাপ্ত)ৰ বিৰুদ্ধে দুৰ্ব্যৱহাৰ আৰু লিংগ বৈষম্য কৰাৰ অভিযোগ তুলিছে অসম কন্যাগৰাকীয়ে। উল্লেখ্য যে ▸▸৬ পৃষ্ঠাত



বিদেশী ন্যায়াধিকৰণত ৬ ধৰ্মাৱলম্বী লোকৰ বিৰুদ্ধে চলি থকা গোচৰ প্ৰত্যাহাৰৰ নিৰ্দেশ ৰাজ্য চৰকাৰৰ

## ‘কা’ৰ অধীনত হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ প্ৰস্তুতি চৰকাৰৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ আগষ্টঃ** নাগৰিকত্ব সংশোধনী আইন (কা)ৰ অধীনত হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ প্ৰস্তুতি সম্পন্ন কৰিছে বিজেপি নেতৃত্বাধীন চৰকাৰে। বিদেশী ন্যায়াধিকৰণত চলি থকা গোচৰ প্ৰত্যাহাৰেৰে আইনী বাধা আঁতৰাই লাখ লাখ হিন্দু বাংলাদেশীক ভাৰতীয় কৰিবলৈ আগবাঢ়িছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰ। জাতি-মাটি-ভেটি ৰক্ষাৰ স্বাৰ্থত ৰাজ্যত চলা ‘কা’ ▸▸৬ পৃষ্ঠাত

লাখ লাখ হিন্দু বাংলাদেশীক ভাৰতীয় কৰিবলৈ আগবাঢ়িছে অসম চৰকাৰ




ডিগবৈ সমষ্টিত কোনে পাব বিজেপিৰ প্ৰাৰ্থীত্ব?

## ‘ভেঞ্চাৰ’ আৰু ‘পাৰ্মানেণ্ট এমএলএ’ৰ মাজত বৌদ্ধিক যুঁজ

নতুন মুখৰ আৱিৰ্ভাৱ ঘটিব নেকি ডিগবৈত?



**ৰবীন মৰাণৰ প্ৰতিবেদন ঃ** অসম বিধানসভাৰ আগন্তুক সাধাৰণ নিৰ্বাচনত কোন সমষ্টিত কোন নেতাই শাসনাধিষ্ঠিত বিজেপি দলৰ টিকট লাভ কৰিব পাৰে, তাক লৈ সৰ্বসাধাৰণ ভোটাৰৰ মূৰ ঘমাবলগীয়া নাই। কিন্তু টিকটৰ লালসাত নিজৰ নিজৰ সাংগঠনিক তৎপৰতা প্ৰদৰ্শন ▸▸৬ পৃষ্ঠাত

তথ্য প্ৰমাণ বিচাৰি ৰাহুল গান্ধীলৈ পত্ৰ প্ৰেৰণ নিৰ্বাচন আয়োগৰ

## নিৰ্বাচন আয়োগৰ বিৰুদ্ধে ৰাহুল গান্ধীৰ ‘এটম বোমা’




ভোটাৰ তালিকা দেখুৱাই দাবী ৰাহুলৰ; মহাৰাষ্ট্ৰত ওলাইছে ৪০ লাখ ৰহস্যজনক ভোটাৰ

’২৪ৰ লোকসভা নিৰ্বাচন আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে ব্যাপক জালিয়াতিৰ আশ্ৰয় লোৱাৰো অভিযোগ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** বৃহস্পতিবাৰে কংগ্ৰেছৰ লোকসভাৰ দলপতি তথা ৰায়বৰেলীৰ সাংসদ ৰাহুল গান্ধীয়ে নিৰ্বাচন আয়োগৰ বিৰুদ্ধে ভোটাৰ তালিকা পুনৰীক্ষণত ব্যাপক অনিয়মৰ অভিযোগ তুলি বিস্ফোৰক মন্তব্য কৰে। লোকসভা নিৰ্বাচনৰ পিছত প্ৰথমবাৰৰ বাবে ইণ্ডিয়া মিত্ৰজোঁটৰ বৈঠকত নৰেন্দ্ৰ মোডী নেতৃত্বাধীন এন ডি এ চৰকাৰৰ ▸▸৬ পৃষ্ঠাত





## আমেৰিকাৰ সৈতে ৩১, ৫০০ কোটি টকাৰ চুক্তি বাতিল ভাৰতৰ

ভাৰতীয় সামগ্ৰীৰ ওপৰত অতিৰিক্ত ২৫ শতাংশ শুল্ক আৰোপৰ প্ৰত্যুত্তৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ৩১, ৫০০ কোটি টকাৰ এক গুৰুত্বপূৰ্ণ চুক্তি ▸▸৬ পৃষ্ঠাত

আজিৰ কলম

### মেধাসম্পন্ন উচ্চশিক্ষিত যুৱক-যুৱতীক চাকৰিত নিযুক্তি দিয়ক



শৰৎ চন্দ্ৰ চিৰিং ফুকন

সাম্প্ৰতিক সময়ত আমাৰ সমগ্ৰ সামাজিক পৰিৱেশত বিদ্যা শিক্ষাৰ দৌৰ অতি ▸▸৫ পৃষ্ঠাত

আমেৰিকাৰ বৰ্ধিত শুল্ক আৰোপ; ভাৰত, ৰাছিয়া, চীনৰ মিত্ৰতা

## বিশ্বৰ তিনি মহাশক্তিৰ মিলনত বিপদৰ আশংকাত ড’নাল্ড ট্ৰাম্প

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিত বৃহৎ পৰিৱৰ্তনৰ আভাস দেখা গৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ শুল্ক যুদ্ধৰ নীতিয়ে ভাৰত, ৰাছিয়া আৰু চীনক একত্ৰিত কৰিছে, যাৰ ফলত বিশ্বৰ ক্ষমতাৰ ভাৰসাম্য সলনি হোৱাৰ সম্ভাৱনা সৃষ্টি হৈছে। ▸▸৬ পৃষ্ঠাত




অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰীকৰণত মুখ্যমন্ত্ৰীৰ ব্যৰ্থতাৰ সমালোচনা ৰিপুণ বৰাৰ

ৰাজ্যৰ জনসাধাৰণৰ নিৰাপত্তা নিশ্চিত কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে মুখ্যমন্ত্ৰী ঃ ৰিপুন বৰা



## ৰাজ্যপালক মুখ্যমন্ত্ৰীৰ বৰ্খাস্তৰ দাবী কংগ্ৰেছৰ

**অসম বাৰ্তা, গুৱাহাটী, ৭ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰাই। তেওঁ অভিযোগ কৰিছে যে মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ জনসাধাৰণৰ নিৰাপত্তা নিশ্চিত কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত ৰিপুণ বৰাই মুখ্যমন্ত্ৰীৰ বৰ্খাস্তৰ দাবী তুলি চৰকাৰৰ ▸▸৬ পৃষ্ঠাত

মনোনয়ন দাখিলৰ অন্তিম তাৰিখ ২১ আগষ্ট

### উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ অধিসূচনা জাৰি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** ভাৰতৰ উপ-ৰাষ্ট্ৰপতি পদৰ বাবে ৯ ছেপ্টেম্বৰত অনুষ্ঠিত হ’বলগীয়া নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ কৰি নিৰ্বাচন আয়োগে বৃহস্পতিবাৰে এক অধিসূচনা জাৰি ▸▸৬ পৃষ্ঠাত

দেৱব্ৰত শইকীয়াৰ ক্ষোভ আৰু আদালতৰ হস্তক্ষেপৰ আহ্বান

## অসম চৰকাৰৰ ঋণৰ বোজা বৃদ্ধি

**অসম বাৰ্তা, নগাঁও, ৭ আগষ্ট ঃ** অসম চৰকাৰে ঋণৰ ওপৰত ঋণ লৈ অৰ্থনৈতিক সংকটৰ দিশে আগবাঢ়িছে বুলি অভিযোগ উত্থাপন কৰিছে বিৰোধী দল কংগ্ৰেছে। ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ অৱনতিৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰক দায়ী কৰি বিৰোধী ▸▸৬ পৃষ্ঠাত



## অসমত নিষ্ক্ৰিয় ডাক সেৱা

১৪ দিন ধৰি নতুন ছফটৱেৰৰ সমস্যা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ আগষ্ট ঃ** ভাৰতীয় ডাক বিভাগৰ নতুন ছফটৱেৰ আই টি ২.০ৰ আপডেটৰ পিছৰে পৰা অসমৰ বিভিন্ন প্ৰান্তত ডাক সেৱা প্ৰায় ১৪ দিন ধৰি সম্পূৰ্ণৰূপে বিঘ্নিত হৈ পৰিছে। যোৱা ২৪ জুলাইৰ পৰা এই সমস্যাৰ ফলত ▸▸৬ পৃষ্ঠাত



চৰাইদেউত উত্তেজনা

### সন্দেহজনক নাগৰিকৰ দা লৈ আক্ৰমণৰ চেষ্টা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** উজনি অসমৰ চৰাইদেউ জিলাত মাটি ক্ৰয়-বিক্ৰয়ক লৈ উত্থাপিত বিতৰ্ক এতিয়া ‘মিঞা বনাম খিলঞ্জীয়া’ৰ ৰূপ লৈ তীব্ৰ সংঘাতৰ দিশে আগবাঢ়িছে। উজনি অসমৰ বিভিন্ন জিলাত ‘মিঞা খেদা ▸▸৫ পৃষ্ঠাত

১০০০ গৰাকী যুৱ লেখকলৈ ২৫,০০০ টকাকৈ এককালীন সাহায্য

## অংগনবাড়ী সহায়িকা সকলৰ পদোন্নতিৰ বয়স ৫০ বছৰলৈ বৃদ্ধি

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ আগষ্ট ঃ** অসম চৰকাৰৰ বৃহস্পতিবাৰৰ কেবিনেট বৈঠকৰ পাছতেই লোকসেৱা ভৱনত সংবাদ মেল সম্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত ▸▸৬ পৃষ্ঠাত



## মুখ্যমন্ত্ৰীৰ সমষ্টিত চলিল উচ্ছেদ অভিযান

**ষ্টাফ ৰিপৰ্টাৰ, বেলতলা, ৭ আগষ্টঃ** সমগ্ৰ অসমতে অবৈধ বেদখলকাৰীৰ উচ্ছেদ চলি থকাৰ সময়তে বৰ্তমান মুখ্যমন্ত্ৰীৰ নিজা সমষ্টিতো চলিছে উচ্ছেদ। জালুকবাৰী সমষ্টিৰ প্ৰায় আঠ-নটা কেঁচা-পকা বাসগৃহকে ধৰি বহুতো দোকান-পোহাৰ এই উচ্ছেদ অভিযানত ▸▸৬ পৃষ্ঠাত



### স্বাস্থ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ, ৭ দিনৰ আল্টিমেটাম অসমীয়া যুৱ মঞ্চৰ

# আমগুৰি স্বাস্থ্যকেন্দ্ৰৰ জৰাজীৰ্ণ অৱস্থাৰ বিৰুদ্ধে অসমীয়া যুৱ মঞ্চৰ প্ৰতিবাদ

**অসম বাৰ্তা, আমগুৰি, ৭ আগষ্ট ঃ** আমগুৰি সামুহিক স্বাস্থ্য কেন্দ্ৰৰ শোচনীয় অৱস্থাৰ বিৰুদ্ধে আজি অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিয়ে এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। স্বাস্থ্য সেৱাৰ নামত কেৱল চৰকাৰী ঢাকঢোল বজোৱা চৰকাৰৰ দিনত বাস্তৱতে আমগুৰিৰ একমাত্ৰ চিকিৎসালয়খন সম্পূৰ্ণ ৰূপে উপেক্ষিত বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰে। অসমীয়া যুৱ মঞ্চৰ সদস্যসকলে দাবী কৰে যে, চিকিৎসালয়খনত চিকিৎসকৰ সংকট বিশেষকৈ প্ৰসূতি আৰু শিশু বিভাগৰ অৱস্থাই গভীৰ চিন্তাৰ সৃষ্টি কৰিছে। ব্লাড বেংকৰ অভাৱ, জেনেৰেটৰ নথকাৰ বাবে ঠাণ্ডাত সংৰক্ষণযোগ্য দৰৱৰ নষ্ট হোৱা, বৰষুণ হ'লে চিকিৎসালয়ৰ ভিতৰলৈ পানী সোমোৱা আদিয়ে চিকিৎসা সেৱাক অচল কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে আমগুৰিত ৩০০খন বিছনাযুক্ত অত্যাধুনিক চিকিৎসালয় নিৰ্মাণৰ কথা ঘোষণা কৰিছিল যদিও, সেই প্ৰতিশ্ৰুতি আজিও কথাতেই সীমাবদ্ধ বুলি অভিযোগ উত্থাপন কৰে সংগঠনটোৱে। আজি অসমীয়া যুৱ মঞ্চৰ সদস্যসকলে স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি ৰোগীসকলৰ অৱস্থা পৰ্যবেক্ষণ কৰে আৰু পিছত সামূহিক স্বাস্থ্য কেন্দ্ৰটোৰ দুৰৱস্থাৰ বাবে দায়বদ্ধ কৰি স্বাস্থ্য মন্ত্ৰী অশোক সিংঘালৰ প্ৰতিকৃতি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সাংগঠনটোৱে স্বাস্থ্য বিভাগক ৭ দিনৰ সময়সীমা দি চিকিৎসালয়খনৰ অত্যন্ত জৰুৰী সমস্যাবোৰ সমাধানৰ দাবী জনায়। অন্যথা বৃহত্তৰ ৰাইজৰ স্বাৰ্থত আমগুৰি বন্ধৰ দৰে কঠোৰ গণতান্ত্ৰিক পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হ'ব বুলি সঁকিয়াই দিয়ে। সংগঠনটোৱে স্পষ্টকৈ জাননী দিয়ে যে, ইয়াৰ ফলত উদ্ভৱ হোৱা যিকোনো পৰিস্থিতিৰ বাবে স্বাস্থ্য বিভাগ আৰু স্থানীয় প্ৰশাসনকেই দায়বদ্ধ থাকিব লাগিব। অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিয়ে চিকিৎসালয়খনৰ সামগ্ৰিক উন্নয়নৰ দাবী জনাই চক্ৰ বিষয়াৰ যোগেদি স্বাস্থ্য মন্ত্ৰীলৈ এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# নগাঁও জিলাত মুখ্যমন্ত্ৰীৰ নিযুত মইনা ২.০ ৰ আবেদন পত্ৰ বিতৰণ

**অসম বাৰ্তা, নগাঁও, ৭ আগষ্ট ঃ** নাৰী শিক্ষাৰ সবলীকৰণ আৰু বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ ক্ষেত্ৰত অসম চৰকাৰে প্ৰৱৰ্তন কৰা অভিলাষী আঁচনি "মুখ্যমন্ত্ৰীৰ নিযুত মইনা ২.০"ৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচী আজি ৬ আগষ্টত সমগ্ৰ অসমৰ সমান্তৰালকৈ নগাঁও জিলাৰ ৭টা বিধানসভা সমষ্টিৰ ১৭টা স্থানত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজিত জিলাখনৰ প্ৰতিটো অনুষ্ঠানতে গুৱাহাটী বিশ্ববিদ্যালয়ত কেন্দ্ৰীয় ভাৱে অনুষ্ঠিত হোৱা কাৰ্যসূচী আৰু মুখ্যমন্ত্ৰীৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। নগাঁও জিলা শিক্ষা বিভাগে বাছনি কৰি দিয়া বিভিন্ন স্থান সমূহত চৰকাৰী মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালডয়ৰ ছাত্ৰীসকলক "মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি ২.০"ৰ আৰ্থিক অনুদানৰ আবেদন পত্ৰ সমূহ আনুষ্ঠানিক ভাৱে বিতৰণ কৰা হয়। উক্ত স্থানসমূহত আয়োজিত অনুষ্ঠান সমূহত স্থানীয় বিধায়ক, প্ৰশাসনৰ বিষয়াসকল, শিক্ষা বিভাগৰ বিষয়াসকল আৰু বিধায়কৰ প্ৰতিনিধিসকলে অংশ গ্ৰহণ কৰে। এই আবেদন পত্ৰ অহা ৫ ছেপ্টেম্বৰৰ ভিতৰত ছাত্ৰীসকলে জমা দিব লাগিব। এই আবেদন পত্ৰ বিতৰণৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি নগাঁও বিশ্ববিদ্যালয়ৰ শ্বহীদ অনিল বৰা প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি ২.০ ৰ আবেদন পত্ৰ বিতৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সংগীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানটিত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই তেখেতৰ ভাষণত প্ৰথমেই অসম চৰকাৰে ছাত্ৰী সকলৰ বাবে গ্ৰহণ কৰা এই অভিলাষী আঁচনিখনৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেখেতে লগতে উল্লেখ কৰে যে, আজিৰ এই সময় হৈছে মেধাৰ সময়। গতিকে ছাত্ৰী সকলে সময় আৰু সুযোগৰ সুবিধা গ্ৰহণ কৰি নিজৰ জ্ঞানৰ প্ৰতিভাৱে সমাজত এগৰাকী সুনাগৰিক হিচাবে নিজকে প্ৰতিষ্ঠিত হবলৈ আহ্বান জনায়। আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয় নৱনিযুক্ত উপাচাৰ্য ড০ হিতেশ ডেকা, জিলা আয়ুক্ত দেৱাশিস শৰ্মাই, অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) পংকজ নাগবংশী, নগাঁও বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ ধ্ৰুৱজ্যোতি বৰুৱা, নগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ঋষিকেশ বৰুৱা, নগাওঁ জিলা সংমণ্ডলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, জিলা তথ্য আৰু জনসংযোগ বিষয়া, মন্দিৰা চায়েঙীয়া, বিশিষ্ট আমন্ত্ৰিত অতিথিসকল, জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ বিষয়াসকল, অধ্যাপক, অধ্যাপিকাসকল আৰু ছাত্ৰীসকল উপস্থিত থাকে।

## মেটেকা প্ৰতিষ্ঠা ডেভলেপমেণ্ট ফাউণ্ডেশ্যনৰ কাৰ্যালয় মুকলি

**অসম বাৰ্তা, গেলেকী, ৭ আগষ্ট ঃ** মেটেকা প্ৰতিষ্ঠা ডেভলেপমেণ্ট ফাউণ্ডেশ্যান চমুকৈ MPDF বেচৰকাৰী সংস্থাটিৰ স্থায়ী কাৰ্যালয় আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। শিৱসাগৰ জিলাৰ চিপাহী গাঁৱত মুকলি কৰা হয় বেচৰকাৰী সংগঠনটোৰ শিৱসাগৰ জিলাৰ কাৰ্যালয়টি। আজি এই কাৰ্যালয়টিৰ ফিতা কাটি মুকলি কৰে আমন্ত্ৰিত অতিথি তথা ভাৰতীয় সেনাবাহিনীত কৰ্মৰত কৰ্ণেল হিৰেণ বৰাই। উল্লেখযোগ্য যে মেটেকা প্ৰতিষ্ঠা ডেভলেপমেণ্ট ফাউণ্ডেশ্যানে জন্ম লগ্নৰে পৰা সমাজৰ বিভিন্ন দিশত সেৱা আগবঢ়াই আহিছে। বিশেষকৈ মহিলা সৱলীকৰণৰ, বিত্তীয় সাক্ষৰতা, সমাজৰ বিশেষভাৱে সক্ষম লোকৰ লগতে অন্যান্য বিভিন্ন সামাজিক কামনত মনোনিবেশ কৰি চৰকাৰী বিভিন্ন আঁচনিৰ লাভ সাধাৰণ ৰাইজৰ মাজ পোৱাৰ বাবে কাম কৰি আহিছে। লগতে এই বেচৰকাৰী সংস্থাটোৰ লগত জড়িত হৈ বহু মহিলা স্বাৱলম্বিতাৰ দিশত আগবাঢ়িছে বুলিও বেচৰকাৰী সংস্থাটোৰ বিষয়ববীয়া সকলে জানিব দিছে লগতে জিলা শিশু সুৰক্ষা বিভাগৰ লগত জড়িত হৈ শিশু শ্ৰমিক, অৱহেলিত শিশুক উদ্ধাৰ কৰি এটা সুস্থ সৱল পৰিৱেৰ মাজত ৰখাৰ বাবে কাম হাতত লৈছে বেচৰকাৰী সংস্থাটিয়ে। আজিৰ এই কাৰ্যালয় মুকলি অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল ভাৰতীয় সেনাৰ এগৰাকী কৰ্ণেল হিৰেণ বৰা, কাজিৰঙা বিশ্ববিদ্যালয়ৰ বিদ্যালয় ব্যৱসায় বিভাগৰ অধ্যাপক নিতিশ কুমাৰ, বেচৰকাৰী সন্থাটিৰ সভাপতি সম্পাদককে প্ৰমুখ্যে কৰি অন্যান্য বিষয়ববীয়া।

# পথ দুৰ্ঘটনাত নিহত সৰভোগৰ বিশিষ্ট সমাজ সেৱক খাইৰুল হাচানৰ স্মৃতিচাৰণ সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, সৰভোগ, ৭ আগষ্ট ঃ** সৰভোগৰ বৃহত্তৰ চকচকা বজাৰৰ ৰাইজৰ উদ্যোগত সদ্যপ্ৰয়াত খাইৰুল বাচাৰ জুবায়েৰ বিন হাচানৰ স্মৃতিত ৬ আগষ্টত এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। পুৱা ১১ বজাত এক মিনিট মৌনপ্ৰাৰ্থনাৰে পাতনি মেলা সভাখনিত সভাপতিত্ব কৰে কৃতি শিক্ষক তথা বিশিষ্ট ক্ৰীড়া সংগঠক কৰুণকান্ত দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অৱসৰী শিক্ষক প্ৰবীন নাথে। এক অনাকাংক্ষিত পথ দুৰ্ঘটনাত নিহত হোৱা খাইৰুল হাচানৰ স্মৃতিত চকচকা বজাৰস্থিত ৰংগমঞ্চ প্ৰাংগনত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনিত সৰভোগ অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ লগতে অনেক গণ্যমান্য বিশিষ্ট লোকৰ উপস্থিতিৰে অনুষ্ঠিত সভাখন অনুষ্ঠিত হয়। আৰম্ভণিতে কোৰান পাঠ কৰাৰ উপৰিও ভাগৱত পাঠ কৰা হয়। সভাত চানফ্লাৱাৰ স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী পুতুলী মেধি, সমাজকৰ্মী অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হিতেশ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক তথা কবি ধৰ্মেশ্বৰ নাথ, অধিবক্তা মহিবুল হুছেইন, ৰচিদ আলি জিতু, প্ৰাক্তন ছাত্ৰ নেতা প্ৰবীন শৰ্মা, জ্যেষ্ঠ কংগ্ৰেছ কৰ্মী কল্যাণজিৎ দাস, প্ৰাক্তন শিক্ষক প্ৰবীন নাথকে ধৰি কেবাগৰাকীও লোকে বক্তব্য ৰাখি নিজৰ প্ৰিয় যুৱ নেতাগৰাকীৰ গুণানুকীৰ্তন কৰি সোঁৱৰণ কৰে। সভাখনত বিভিন্ন পৰ্যায়ৰ ব্যক্তিসকলৰ বক্তব্যৰ পৰা এই কথা স্পষ্টহৈ পৰে যে যুৱ সমাজকৰ্মী, খাইৰুল হাচান আছিল সঁচা অৰ্থত তেনেই এক সহজ সৰল, শান্ত স্বভাৱৰ ব্যক্তি, যি সদায় আছিল হাস্যৰসিক, আনৰ খুবেই দয়ালু আৰু দানশীল। যিকোনো মুহূৰ্ততে খাইৰুল আছিল সদায় আৰ্তজনৰ কাষত ঠিয় দিয়ে। কোনো লোকে কিবা বিপদত পৰা দেখিলেই সেই গৰাকী বিপদগ্ৰস্ত ব্যক্তিৰ ওচৰত ঠিয় হৈছিল আৰু পাৰ্যমানে তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহে। বৃহত্তৰ বৰনগৰ অঞ্চলৰ প্ৰায় যিকোনো সমূহীয়া স্বাৰ্থত তেওঁ আগবাঢ়ি আহিছিল। বৰনগৰ অঞ্চলৰ বিভিন্ন সমস্যাক লৈ চৰকাৰৰ ওচৰত দাবী উত্থাপনৰ সময়ত খাইৰুল আছিল আগৰণুৱা। যি সময়ত সৰভোগ মহকুমাৰ দাবীত আন্দোলন চলিছিল তেওঁ সক্ৰিয়তাৰে সম্মুখত ঠিয় হৈছিল। অন্যহাতে বৃহত্তৰ বৰনগৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতো অতি নিবিড় ভাৱে জড়িত হৈ পৰিছিল। প্ৰয়াত খাইৰুল হাচান চকচকা চৰকাৰী মজলীয়া বিদ্যালয়ৰ একাধাৰে কেবা বছৰ ধৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আছিল। আনকি সৰভোগৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় চানফ্লাৱাৰ স্কুলৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও চকচকা বজাৰ পৰিচালনা সমিতি, চকচকা ৰাস মহোৎসৱত উদ্‌যাপন সমিতি, লগত জড়িত থকাৰ উপৰিও মুত্ৰ ওপৰত চকচকা অঞ্চলৰ অভিভাৱক স্বৰূপ আছিল। বিদ্যালয়ৰ ইয়াৰ উপৰিও ৰাজনৈতিক কৰ্মৰ সৈতেও জড়িত হৈ পৰা খাইৰুল হাচান ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ এগৰাকী অতি সক্ৰিয় কৰ্মী আছিল। অসম কংগ্ৰেছ দলৰ কেবাগৰাকীও আগশাৰীৰ নেতাৰ লগতো সু-সম্পৰ্ক আছিল আৰু দলীয় নেতৃত্বৰ ওচৰতো খাইৰুল হাচান দলৰ এগৰাকী নিৰ্ভৰযোগ্য তথা বিশ্বাসযোগ্য কৰ্মী ৰূপে খ্যাত আছিল। উল্লেখ যোগ্য যে তেওঁৰ পিতৃ প্ৰয়াত হাচান আলি আছিল সৰভোগৰ বৰনগৰ জুৰোৱাম পাঠক উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ।

# বছৰ বছৰ ধৰি অৱহেলিত অনাদৃত হৈ আছে টেঙাবাৰীৰ ৰতন শৰ্মাৰ পৰিয়ালটো

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৭ আগষ্ট ঃ** নলবাৰী জিলাৰ ক্ষেত্ৰী ধৰ্মপুৰ মৌজাৰ পিপলিবাৰী টেঙাবাৰী গাঁৱৰ এটি দুৰ্ভগীয়া পৰিয়াল বছৰ বছৰ ধৰি অনাদৃত আৰু অৱহেলিত হৈ অহাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অঞ্চলটোৰ প্ৰয়াত নগেন শৰ্মা আৰু মিনু দেৱীৰ কনিষ্ঠ পুত্ৰ ৰতন শৰ্মা নামৰ লোকজনক চৰকাৰী অভিলাষী আঁচনিয়ে চুকি নোপোৱাত সচেতন মহলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। অভিযোগ অনুসৰি কোনো ধৰণৰ চৰকাৰী আঁচনিয়ে চুকি পোৱা নাই অতি দুখীয়া এই পৰিয়ালটোক। ৰতন শৰ্মাই জনোৱা অনুসৰি নলবাৰী জিলা আয়ুক্তক আৱেদন জনোৱাৰ পিছতেই স্থানীয় গাঁও পঞ্চায়ত আৰু গাঁৱৰ গাঁও প্ৰধানে শৰ্মাৰ ঘৰ কেনে অৱস্থাত আছে তাক নিৰীক্ষণ কৰাৰ বাবে আহিছিল যদিও আজিলৈকে প্ৰধানমন্ত্ৰীৰ আৱাসগৃহ এটি পাবলৈ সক্ষম নহ'ল। ফলত এনেদৰে উৰলি যোৱা বাসগৃহতে শৰ্মাৰ চাৰিজনীয়া পৰিয়ালটোৱে দিন কটাবলগীয়া হৈছে। উল্লেখ্য যে ৰতন শৰ্মা মানসিকভাৱে দুৰ্বল হোৱাৰ ফলত এই ব্যক্তিগৰাকীয়ে তেওঁৰ পৰিয়ালটি কেনেদৰে পোহপাল দিব সেয়াও পৰিয়ালটোৰ বাবে চিন্তনীয় বিষয় হৈ পৰিছে। সেয়েহে অসমৰ মুখ্যমন্ত্ৰীৰ জৰিয়তে এটি পি এম এ ৱাইৰ বাসগৃহ দিয়াৰ বাবে পৰিয়ালটোৰ লগতে সচেতন মহলে সংশ্লিষ্ট পক্ষক অনুৰোধ জনাইছে।

# বজালী আৰক্ষীৰ জালত গ্ৰেপ্তাৰ বহিঃৰাজ্যৰ ইৰানী গ্ৰুপৰ সদস্য

### বেংকত ধন জমা থবলৈ অহা গ্ৰাহকৰ পৰা লুটিছিল দুই লাখ টকা

**অসম বাৰ্তা, পাঠশালা, ৭ আগষ্ট ঃ** বিহাৰৰ পৰা অহা বিহাৰী চোৰৰ অভিনৱ কৌশল। বেংক আৰু এ টি ৰ সমুখত বিশেষ কৌশল প্ৰয়োগ কৰি ৰাইজৰ ধন লুটি নিয়াত সিদ্ধহস্ত বিহাৰী চোৰ। তেনে দুটা গভাইত বিহাৰী চোৰ কৰায়ত্ব কৰে বজালী আৰক্ষীয়ে। ইয়াৰে দুয়োজন বিহাৰৰ দ্বীপ যাদৱ, আৰু আনজন বেহেৰুল যাদৱ বুলি জানিব পৰা গৈছে। প্ৰথমতে বেংক আৰু এ টি এম লৈ অহা লোকক লক্ষ্য কৰি তেওঁলোকৰ যি কোনো বাহন লোৰ গজাল আৰু স্ক্ৰু ড্ৰাইভাৰেৰে ফুঁটা কৰি দিয়ে আৰু পিছত সহায় কৰাৰ চলেৰে গৈ লুট কৰে। বিগত সপ্তাহত পাঠশালাৰ ইউনিয়ন বেংকৰ সমুখত দুই গভাইত চোৰে এজন লোকৰ পৰা ধন লুটি নিছিল। অৱশেষত চি চি টিভি ফুটেজৰ দ্বাৰা দুই গভাইত চোৰক চিনাক্ত কৰি বজালী আৰক্ষীয়ে কৰায়ত্ব কৰিবলৈ সক্ষম হয়। আনহাতে এতিয়াও বিহাৰৰ পৰা আহি হাউলীত বাঁহৰ পাতি কু কাণ্ড কৰা আন দুজন চোৰ পলাতক অৱস্থাত থকা বুলি জানিব পৰা গৈছে। বজালী আৰক্ষী অধীক্ষক অজাগৰন বসুমতাৰীয়ে এই সন্দৰ্ভত ব্যক্ত কৰি কয় যে - এওঁলোকে কেৱল এনেকুৱা বেংক আদিতে নহয় ৰেলত যাত্ৰা কৰা ব্যক্তিৰ পৰা লুট-পাত কৰা বুলি উল্লেখ কৰে। দুয়োজনৰ পৰা বিভিন্ন চোৰৰ সামগ্ৰী, ভুটানীয়া টকা আদি উদ্ধাৰ কৰে।

# চামগুৰি মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ নিযুত মইনা ২.০ৰ আবেদনপত্ৰ বিতৰণ

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি মহাবিদ্যালয়ত আজি মুখ্যমন্ত্ৰী অভিলাষী আচঁনি নিযুত মইনা ২.০ ৰ আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা। চামগুৰি মহাবিদ্যালয়ৰ সভাপতি দেৱানন্দ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত মুখ্যমন্ত্ৰী অভিলাষী আঁচনি নিযুত মইনা ২.০ ৰ আবেদন পত্ৰৰ জৰিয়তে ছাত্ৰীসকল কেনেদৰে লাভান্বিত হ'ব সেই সন্দৰ্ভত চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে। নাৰী শিক্ষাৰ সবলীকৰণ আৰু বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ ক্ষেত্ৰত অসম চৰকাৰে প্ৰৱৰ্তন কৰা অভিলাষী আঁচনি 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা ২.০'ৰ আবেদনপত্ৰ বিতৰণ কাৰ্যসূচীৰ উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হোৱা কাৰ্যসূচী তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থাকি ছাত্ৰীসকলৰ বাবে গ্ৰহণ কৰা এই অভিলাষী আঁচনিখনৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। লগতে বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰি কয় যে, আজিৰ এই সময় হৈছে মেধাৰ সময়। গতিকে ছাত্ৰীসকলে সময় আৰু সুযোগৰ সুবিধা গ্ৰহণ কৰি নিজৰ জ্ঞানৰ প্ৰতিভাৱে সমাজত এগৰাকী সুনাগৰিক হিচাবে নিজকে প্ৰতিষ্ঠিত হ'বলৈ আহ্বান জনায়। আজিৰ সভাখনত চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ইন্দ্ৰজিৎ বেজবৰুৱা, কলিয়াবৰ জিলা বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি লক্ষ্মীৰঞ্জন কাকতি আৰু জিলা প্ৰশাসনৰ বিষয়াকে ধৰি চামগুৰি মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰীসকল উপস্থিত থাকে বুলি জানিব পৰা গৈছে।

### সহপাঠি ছাত্ৰীৰ মানসিক নিৰ্যাতনত হতাশ ছাত্ৰ সংকটজনক অৱস্থাত চিকিৎসাধীন

## টীয়কৰ কলেজীয়া ছাত্ৰৰ আত্মহননৰ চেষ্টা

**অসম বাৰ্তা, আমগুৰি, ৭ আগষ্ট ঃ** যোৰহাট আৰু শিৱসাগৰ সংযোগী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অন্তৰ্গত জাঁজী দলঙত আজি বিয়লি প্ৰায় ৩: ৩০ বজাত সংঘটিত এক ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰে। চেলেংহাট ভুঞাহাটৰ বাসিন্দা আৰু টীয়কৰ চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ ইদলঙৰ পৰা জাঁপিয়াই আত্মহত্যাৰ চেষ্টা চলায়। ছাত্ৰজনে মহাবিদ্যালয়ৰ পৰা ঘৰলৈ উভতি অহা সময়তে জাঁজী নদীত জাঁপ দিয়ে। সৌভাগ্যবশতঃ ঘটনাটো স্থানীয় ৰাইজৰ দৃষ্টিগোচৰ হোৱাত সময়মতে ১০৮ মৃত্যুঞ্জয় এম্বুলেঞ্চ সেৱাৰ সহায়ত গম্ভীৰ অৱস্থাত তেওঁক টীয়ক এফ আৰ ইউলৈ প্ৰেৰণ কৰে। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ প্ৰয়োজনত ছাত্ৰজনক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ স্থানান্তৰ কৰা হয়। বৰ্তমান ছাত্ৰজন সংকটজনক অৱস্থাত চিকিৎসাধীন হৈআছে। ছাত্ৰজন আৰু তেওঁৰ পৰিয়ালে সংবাদ মাধ্যমৰ জৰিয়তে অভিযোগ কৰে যে, মহাবিদ্যালয়ৰ এগৰাকী সহপাঠী ছাত্ৰীয়ে তেওঁক বহুদিন ধৰি মানসিক নিৰ্যাতন কৰি আহিছিল। তেওঁৰ শাৰীৰিক গঠন লৈ নিৰন্তৰ বিদ্ৰূপ আৰু গালি গালাজৰ ফলত তেওঁৰ মানসিক অশান্তিত ভুগিবলৈ লৈছিল। পৰিয়ালটোৱে আগতে এই বিষয়ত ছাত্ৰীজনীৰ পৰিয়ালক অৱগত কৰা বুলি জানিবলৈ দিয়ে, তথাপিও কোনো সঠিক ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। ঘটনাটোৱে সমগ্ৰ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়া আৰু উদ্বেগৰ সৃষ্টি কৰিছে।

# স্বাধীনতা দিৱসৰ আগমুহূৰ্তত সংযুক্ত মুক্তি বাহিনী অসমৰ সদস্য আত্মসমৰ্পণ

**অসম বাৰ্তা, সোণাৰি, ৭ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ আগমুহূৰ্তত কেইবাজনো সংযুক্ত মুক্তি বাহিনী, অসম (স্বাধীন)ৰ সদস্য আত্মসমৰ্পণ কৰা দেখা গৈছে। উল্লেখযোগ্য বিষয় এই যে নাগালেণ্ডৰ ছাংলাছুত আছাম ৰাইফলছৰ ওচৰত আত্মসমৰ্পণ কৰে তিনিগৰাকী আলফা স্বাধীনৰ সদস্য। ক্ৰমে চৰাইদেউ টেঙাপুখুৰীৰ পৰাগজ্যোতি চেতিয়া ওৰফে কনক অসম, কাৰ্বি আলং বৈঠালাংচুৰ দ্বীপজ্যোতি শইকীয়া ওৰফে ভাৰ্গৱ অসম আৰু তিনিচুকীয়াৰ এণ্টনি মৰাণ। তিনিও গৰাকী বৰ্তমান চৰাইদেউ আৰক্ষীৰ জিম্মাত আছে। কনক অসম আৰু ভাৰ্গৱ অসমে ২০২২চনত অন্যহাতেদি এণ্টনি মৰাণে ২০২৩চনত আলফা (স্বাধীন)ত যোগদান কৰিছিল। ইয়াৰ লগতে শদিয়াৰ "জনাৰ্দ্দন গগৈ ওৰফে জিৎ অসমে" আছাম ৰাইফলছৰ ওচৰত আত্মসমৰ্পণ কৰি চৰাইদেউ আৰক্ষীয়ে চমজি লৈছে বুলি আৰক্ষী অধীক্ষকে সংবাদমেলত মতপ্ৰকাশ কৰে।

## মোৰাঝাৰৰ জয়নগৰ গাঁও পঞ্চায়তত লুণ্ঠনৰাজ

**অসম বাৰ্তা, মোৰাঝাৰ, ৭ আগষ্ট ঃ** হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডত অবাধ হাৰত লুণ্ঠনৰ তথ্য পোহৰলৈ অহাত হোজাই জিলাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বাতৰি অনুসৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত জয়নগৰ গাঁও পঞ্চায়তত সংঘটিত হৈছে ব্যাপক দুৰ্নীতি। জয়নগৰ গাঁও পঞ্চায়তত ২০২১-২২ বৰ্ষত মঞ্জুৰ হোৱা আজাদ হাইস্কুল বাউণ্ডেৰীৰ পৰা ছাহাৰাণ হাফিজীয়া মাদ্ৰাছালৈ আৰ চি চি ড্ৰেইন নিৰ্মাণ আঁচনি ৰূপায়ণত সীমাহীন দুৰ্নীতি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। দীৰ্ঘ দিন অতিবাহিত হোৱাৰ পিছত কাম সম্পূৰ্ণ নকৰাকৈয়ে অনলাইনত তথ্য সংযোজন কৰাৰ অভিযোগ উত্থাপন হৈছে। উত্থাপিত অভিযোগ অনুসৰি উক্ত আঁচনি ৰূপায়ণৰ নামত কেৱলমাত্ৰ এক-ডেৰশ ইটাৰ গাঁথনি বহুৱাৰ কাম কৰা হৈছে। উক্ত আঁচনি ৰূপায়ণৰ ঠিকা লাভ কৰিছিল মেচাৰ্চ কে বেগম এণ্টাৰপ্ৰাইজ নামৰ প্ৰতিষ্ঠানটোৱে। কিন্তু প্ৰতিষ্ঠানটোৱে দীৰ্ঘদিন ধৰি আঁচনিৰ কাম সম্পূৰ্ণ নকৰাকৈয়ে অনলাইনত ব্যয়ৰ তথ্য সন্নিবিষ্ট কৰাত সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। এক-ডেৰশ ইটাৰ গাঁথনি বহুৱাই ৩, ৪৩, ০১৯ টকা ব্যয় কৰাৰ তথ্য অনলাইন সংযোজিত কৰাত ৰহস্যৰ সৃষ্টি হৈছে। এনে অনিয়ম দুৰ্নীতিৰ বিৰুদ্ধে উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে সচেতন ৰাইজে।

## গৰৈমাৰীত নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ

**অসম বাৰ্তা, গৰৈমাৰী, ৭ আগষ্ট ঃ** বাল্য বিবাহ ৰোধ, কন্যাৰ উচ্চ শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰূপায়ণ কৰা নিযুত মইনা আঁচনিৰ দ্বিতীয় বৰ্ষৰ আবেদন-পত্ৰ আজি ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত বিতৰণ কৰা হয়। গৰৈমাৰীৰ মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কৈলাস কলিতাৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ জড়িতে ছাত্ৰী সকলোক নিযুত মইনা আঁচনিৰ প্ৰ পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চিৰঞ্জিত দাস, এ এল আৰ ফখৰুদ্দিন আহমেদ, মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়ক জিয়াউৰ ৰহমান, নিযুত মইনা আঁচনিৰ মুখ্য কাৰ্য পৰিযোজনা বিষয়া ভাৰ্গৱ কুমাৰ কলিতা, সমাজকৰ্মী আনিছ আহমেদ ভূএঞা, ৰিতিশ কুমাৰ সাহা, শিক্ষাগুৰু ক্ৰমে আতোৱাৰ ৰহমান, অচ্যুত কুমাৰ দাস উপস্থিত থাকি ছাত্ৰীসকলোক প্ৰ পত্ৰ বিতৰণ কৰে।

### মায়ঙত মোমায়েকৰ ঘৰৰ কাষৰ খালত উদ্ধাৰ ভাগিনৰ মৃতদেহ

# মামীয়েকে হত্যা কৰি দুৰ্ঘটনাৰ ৰূপ দিবলৈ চেষ্টা কৰাৰ অভিযোগ যুৱকজনৰ পিতৃ-মাতৃৰ

**অসম বাৰ্তা, ভুৰাগাঁও, ৭ আগষ্ট ঃ** মৰিগাঁও জিলাৰ ভুৰাগাঁও থানাৰ অন্তৰ্গত সোণডোবাৰ এটি কণ্যা শিশুৰ মৃতদেহ মায়ঙৰ মোমায়েকৰ ঘৰৰ কাষৰ এটি খালৰ পিটৰ তলত উদ্ধাৰক কেন্দ্ৰ কৰি তীব্ৰ ৰহস্যৰ সৃষ্টি হৈছে। এই ঘটনাৰ পাছত স্বয়ং মামিয়েকে শিশু টিক হত্যা কৰি পিটনীৰ তলত সুমোৱাই দুৰ্ঘটনাৰ ৰূপ দিয়াৰ চেষ্টা কৰাৰ অভিযোগ কৰিছে মৃত কণ্যা শিশু টিৰ পিতৃ-মাতৃয়ে। ঘটনাৰ বিৱৰণী মতে মায়ং থানাৰ অন্তৰ্গত বুৰগাঁও গৰখীয়া ধাপত যোৱা ২২ জুলাইত সন্ধ্যা ৮ বজাত এটা পুখুৰিৰ পিটনীৰ তলত উদ্ধাৰ হৈছিল ৩ বছৰীয়া কণ্যা শিশু টিৰ মৃতদেহ। মৃত দেহটো আছিল ভুৰাগাঁও থানাৰ অন্তৰ্গত সোণডোবাৰ দেৱব্ৰত বিশ্বাস আৰু ৰমনী মণ্ডলৰ তিনি বছৰীয়া কণ্যা তিথি বিশ্বাসৰ। মৃতদেহটো উদ্ধাৰৰ পাছতে মাতৃ ৰমনী মণ্ডলে তিথি বিশ্বাসক মামিয়েকে পূৰ্ণিমা মণ্ডল বিশ্বাসে চানা খুওৱাৰ প্ৰলোভন দি হত্যা কৰি পিটনীৰ তলত সংমোৱাই ৰখাৰ ভয়ানক অভিযোগ তুলিছিল। শিশুটিৰ মাতৃ ৰমনি মণ্ডলে কৰা অভিযোগ মতে তেওঁ ১৫ জুলাইতে মাযঙৰ মাতৃ গৃহলৈ গৈছিল দুই কণ্যা সন্তানক লগত লৈ। ৰমনীৰ সৈতে সৰু ককায়েক নৰেশ মণ্ডলৰ মাটি বাৰীক কেন্দ্ৰ কৰি সংঘাত আছিল। কিয়নো ৰমনীক মাতৃ গৃহৰ পৰা কিছু মাটি সম্পত্তি দিয়াৰ কথা দিছিল যদিও এইক্ষেত্ৰত সৰু ককায়েক নৰেশ মণ্ডল আৰু পত্নী পূৰ্ণিমা মণ্ডল সন্মত নাছিল। ইফালে সেইদিনা দিনৰ ভাগত মৃত কণ্যা শিশু টিৰ সৈতে ককায়েকৰ কন্যাৰ মাজত সৰু কথা এটাক লৈ কাঁজিয়া হৈছিল। দুটি শিশুৰ মাজত হোৱা কাঁজিয়াক কেন্দ্ৰ কৰি ৰমনী মণ্ডলৰ সৈতেও বৌৱেক পূৰ্ণিমা মণ্ডল বিশ্বাস বাকযুদ্ধত অৱতীৰ্ণ হৈছিল। সেইদিনা সন্ধ্যা সাত মান বজাত ঘৰৰ পৰা ২৫ মিটাৰ মান দুৰৰ এটি খালৰ পৰা পূৰ্ণিমা মণ্ডলক উঠি অহা প্ৰত্যক্ষ কৰিছিল ৰমনিয়ে। ভিতৰত ৰন্ধা বঢ়া কামত ব্যস্ত থকা ৰমনিয়ে সন্ধ্যা ৭-৩০ মান বজাত নিজৰ কণ্যা তিথি বিশ্বাসক নেদেখি নবৌৱেক পূৰ্ণিমাক কণমানি জনীৰ কথা সোধাত তেওঁ প্ৰথমে নাজানো বুলি কয়। মামিয়েকৰ ওচৰত চানা খাই বহি থকা ছোৱালী জনীক মামিয়েকে দেখা নাই বুলি কোৱাত মাক ৰমনীয়ে কন্যা তিথিক বিছাৰি ঘৰৰ চৌহদ চলাথ কৰে। মাক ৰমনীয়ে হুৱা দুৱা লগোৱাত নবৌৱেক পূৰ্ণিমাই তিথি ঘৰৰ পৰা ২৫ মিটাৰ মান নিলগত থকা খাল টোৰ কাষলৈ যাব পাৰে বুলি কয়। যিটো খালৰ পৰা কিছু সময়ৰ আগত পূৰ্ণিমা উঠি অহা দেখা পাইছিল ৰমনীয়ে। মাক ৰমনীলৈ বাট নাচাই নবৌৱেক পূৰ্ণিমা ধুম ধামেৰে গৈ খাল টোত নামি তিথিক পানীৰ মাজত বিছৰাত লাগে। লগে লগে ৰমনী আৰু ৰমনীৰ মাতৃও খালটোত নামি তিথিৰ সন্ধান কৰে। অৱশেষত ৰমনীক মাক তথা তিথিৰ আইতাকে পিটনীৰ তলত পাই তিথিৰ মৃতদেহ। মৃতদেহটো আইতাকৰ হাতৰ পৰা পূৰ্ণিমাই নিজৰ কোলাত লৈ ঘৰলৈ আনে আৰু পূৰ্ণিমাৰ স্বামী নৰেশ মণ্ডলে ঝাৰগাঁও চিকিৎসালয়লৈ লৈ যায়। ঝাৰ গাঁও চিকিৎসালয় কৰ্তিপক্ষই তিথিক মৃত ঘোষনা কৰাৰ পাছতো আৰক্ষীক খবৰ নিদি নৰেশ মণ্ডলে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ নিজে লৈ যায়। কিন্তু চিকিৎসকে আৰক্ষীক খবৰ দিলেহে মৰনোত্তৰ পৰীক্ষা কৰা হব বুলি কোৱাতহে মায়ং থানা আৰক্ষীক খবৰ দিয়ে নৰেশে। ইফালে তিথিক চিকিৎসালয়লৈ নিয়াৰ সময়তে তিতা কাপোৰৰ সৈতেই ঘৰৰ পৰা অন্তৰ্ধান হয় মৃত তিথিৰ মামীয়েক পূৰ্ণিমা। অভিযোগ মতে পূৰ্ণিমা ঘৰৰ পৰা ওলাই গৈ ওচৰৰ মুছলমান পৰিয়াল এটাৰ ঘৰত আশ্ৰয় বিছাৰে যদিও তেওঁলোকে আশ্ৰয় নিদিয়াত ওচৰৰ গুপিনাথ বিশ্বাসৰ ঘৰত আশ্ৰয় লয়গৈ। পিছত নিশা বাৰমান বজাত গুপিনাথ বিশ্বাসৰ ঘৰৰ পৰা উভতি আহে পূৰ্ণীমা। ইফালে পানীৰ পৰা উঠাই অনা শিশু টিৰ মৃতদেহৰ পৰা মুখেৰে পানী ওলোৱাৰ পৰিৱৰ্তে চানাহে ওলাইছিল। এই অভিযোগ কৰিছে স্থানীয় একাংশ প্ৰত্যক্ষদৰ্শীয়ে। সেই বাবে একাংশই তিথিক চানা খুৱাই প্ৰলোভনেৰে কাষলৈ আনি পূৰ্ণিমাই হত্যা কৰি পিটনীৰ তলত সুমোৱাই দুৰ্ঘটনাৰ ৰূপ দিয়াৰ চেষ্টা কৰাৰ সন্দেহ ব্যক্ত কৰিছে সংবাদ মাধ্যমৰ আগত। কিন্তু ৰমনীৰ স্বামী দেৱব্ৰত বিশ্বাস কৰ্মসূত্ৰে কেৰেলাত থকাৰ বাবে ঘটনাৰ পিছদিনা মায়ং আৰক্ষী থানাত ৰমনীয়ে নিজেই অভিযোগ দাখিল কৰিবলৈ গৈছিল যদিও মৰনোত্তৰ পৰীক্ষা নহা পৰ্যন্ত গোছৰ লোৱা নহব বুলি ৰমনিক মায়ং আৰক্ষীয়ে ওভতাই পথাই। মায়ং আৰক্ষীৰ পৰা ন্যায় লাভৰ আশা ত্যাগ কৰি ৰমনিৰ পৰিয়ালে সমগ্ৰ ঘটনাটো নিজ গেৰুৱা নাৰী সুৰক্ষা কোষক অৱগত কৰে। এই অভিযোগ লাভ কৰাৰ পাছত সোমবাৰে সুৰক্ষা কোষৰ সভানেত্ৰী দিপাঞ্জু বৰা, সম্পাদিকা চেফালি ৰয়, শিবাণী দেৱী আৰু লাৱণ্য বিশ্বাসৰ নেতৃত্বত কোষৰ এটি সজাতি দলে মৰিগাঁও আৰক্ষী অধীক্ষকৰ ওচৰত এক অভিযোগ দাখিল কৰি ঘটনাটোৰ উচিত তদন্ত বিছাৰে। ইফালে মৃত তিথি বিশ্বাসৰ ঘৰত মঙ্গলবাৰে কোষৰ মহিলা সকল মিলিত হৈ সংবাদ মাধ্যমৰ আগত এই সমগ্ৰ ঘটনাটো যথেষ্ট সন্দেহজনক বুলি দাবী কৰাৰ লগতে ইয়াৰ উচিত তদন্ত কৰি পৰিয়াল টোক ন্যায় প্ৰদানৰ দাবী কৰে। স্থানীয় মহিলা লাৱণ্য বিশ্বাস, শংকৰ মণ্ডলৰ লগতে স্থানীয় যুৱক আব্দুল হান্নানে এয়া এক জঘণ্য হত্যাকাণ্ড বুলি দাবী কৰে সংবাদ মাধ্যমত। ইফালে নাৰী সুৰক্ষা কোষৰ মহিলা সকলে মায়ং থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে ঘটনাৰ বিষয়ে জানিব যোৱাত তেওঁলোকক অভব্য আচৰণ পদৰ্শন কৰাৰ অভিযোগ কৰে। এনেক্ষেত্ৰত সমগ্ৰ ঘটনাটোৰ তদন্ত কোন দিশে গতি কৰে সেয়া লক্ষণীয় হব।

## চামগুৰিৰ কলং সুঁতিত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত হেমাবড়ি অঞ্চলৰ কলং সুঁতিত আজি বিয়লি এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত হেমাবড়ি অঞ্চলৰ কলং সুঁতিত আজি এটা মৃতদেহ উপঙি থকা স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ কলং সুগতিৰ পৰা মৃতদেহটো উদ্ধাৰ কৰি চামগুৰিৰ গেৰুৱামুখৰ অনিল দাস (৫৫) বুলি চিনাক্ত কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, গেৰুৱামুখৰ নিবাসী অনিল দাস নামৰ লোকজন যোৱা নিশাৰ পৰা সন্ধানহীন হৈ আছিল। পাৰিবাৰিক কন্দলৰ বাবেই উক্ত লোকজনে কলং সুঁতিত জাপ দি আত্মহত্যা কৰিলে বুলি আৰক্ষী আৰু স্থানীয় স্থানীয় একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, উক্ত ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## ব্ৰহ্মপুত্ৰত শিশুৰ সলিল সমাধি

**অসম বাৰ্তা, সোণতলী, ৭ আগষ্ট ঃ** কামৰূপ জিলাৰ সোণতলীত আজি এটি শিশুৰ সলিল সমাধি ঘটে। জানিব পৰামতে, সোণতলীৰ পানীখাইতি গাঁৱৰ আনোৱাৰ হুছেইনৰ শিশু কন্যা আমিনা খাতুন (৫)য়ে ওচৰৰে ব্ৰহ্মপুত্ৰ নদীত পৰি মৃত্যু বৰণ কৰে। উল্লেখ্য, দিনৰ এটা বজাত সমনীয়াৰ স'তে গা ধুই থকা অৱস্থাত নিখোজ হৈ পৰে। এই বাতৰি বিয়পাৰ লগে লগে পৰিয়ালৰ লোকে পানীত বিচাৰ-খোচাৰ কৰি শিশুটিৰ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই। ইফালে ঘটনাস্থলীত উপস্থিত থকা এছ ডি আৰ এফ বাহিনীয়েও শিশুটিৰ কোনো সন্ধান উলিয়াব পৰা নাই বুলিও পৰিয়ালৰ লোকে জানিবলৈ দিছে। শিশুটিৰ এনেকুৱা অকাল মৃত্যুত পৰিয়ালৰ লগতে অঞ্চলখনত গভীৰ শোকৰ ছাঁ পৰিছে।

# ফৰকাটিং মহাবিদ্যালয়ৰ ৪৫ তম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৭ আগষ্ট ঃ** ১৯৮১ চনৰ ৬ আগষ্ট তাৰিখে প্ৰতিষ্ঠা লাভ কৰা গোলাঘাট জিলাৰ অগ্ৰণী উচ্চশিক্ষানুষ্ঠান ফৰকাটিং মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। পুৱা ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়াই অনুষ্ঠানটোৰ উদ্বোধন কৰে। স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ সীমান্ত পোদ্দাৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ ন-পুৰণি শিক্ষাৰ্থীৰ উদভাৱণীমূলক তথা সৃজনীমূলক কাম কাজৰ প্ৰদৰ্শনী মুকলি কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ড° তৰালি গগৈয়ে। দিনটোৰ মুখ্য কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ বিষ্ণু -জ্যোতি প্ৰেক্ষাগৃহত ভালেসংখ্যক আমন্ত্ৰিত অতিথি, মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, প্ৰাক্তন ছাত্ৰছাত্ৰী, স্থানীয় শুভাকাংক্ষী ৰাইজৰ উপস্থিতিত মহাবিদ্যালয়ৰ বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি ড° অমৰেন্দ্ৰ দত্তৰ সভাপতিত্বত এখনি মুকলি সভা আয়োজন কৰা হয়। ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° দেবাশিস বৰুৱাই আঁত ধৰা সভাখনৰ আৰম্ভণি হয় মহাবিদ্যালয়ৰ স্থায়ী সমবেত সংগীতেৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ অধ্যক্ষই আদৰণি ভাষণ প্ৰদান কৰি জন্মলগ্নৰে পৰা বৰ্তমান স্বায়ত্তশাসিত পৰ্যায়লৈ উন্নীত হোৱালৈকে মহাবিদ্যালয়খনৰ বৰ্ণিল যাত্ৰা সম্পৰ্কে উল্লেখ কৰি বৃহত্তৰ ফৰকাটিং অঞ্চলৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা স্বীকাৰ কৰে। সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট ভাষাবিদ, অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক উদ্দেশ্যি 'সাম্প্ৰতিক শিক্ষা ব্যৱস্থা আৰু যুৱপ্ৰজন্মৰ সাহিত্য সচেতনতাঃ প্ৰতিশ্ৰুতি আৰু প্ৰত্যাহ্বান' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ। প্ৰতিষ্ঠাকালৰে পৰা মহাবিদ্যালয়খনৰ উত্তৰণৰ হকে বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ প্ৰতি সন্মান জনাই মহাবিদ্যালয়ৰ দুগৰাকী অৱসৰপ্ৰাপ্ত অধ্যক্ষ চন্দন হাজৰিকা আৰু ড° তৰালি গগৈ, মহাবিদ্যালয়ৰ কাৰ্যালয় কৰ্মচাৰী প্ৰয়াত অতুল বৰাৰ পৰিয়াল, পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাকালীন উপ- সভাপতি প্ৰয়াত ডিম্বেশ্বৰ নাথৰ পৰিয়াল, প্ৰতিষ্ঠাকালীন সহকাৰী সম্পাদক প্ৰয়াত তনুৰাম শইকীয়াৰ পৰিয়াল আৰু বৰ্তমান অসমৰ সাংস্কৃতিক ক্ষেত্ৰ অভিনয় জগতত প্ৰতিষ্ঠা লাভ কৰা প্ৰাক্তন শিক্ষাৰ্থী কুকিল শইকীয়া, বিদুৰভাই খ্যাত উজ্জ্বল ৰাজখোৱা, বলিন বৰা আৰু ত্ৰৈলোক্য বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি ফৰকাটিং মহাবিদ্যালয়ৰ Incubation and Innovation Cell (IIC)ৰ উদ্যোগত ফৰকাটিং তথা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ লোকসকলৰ সুবিধা হোৱাকৈ তথা শিক্ষাৰ্থীসকলৰ উদ্যমিতাৰ প্ৰতি সঁহাৰি জনাই প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী বিক্ৰী তথা ডেলিভাৰী এপ FC-HAAT আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই এপৰ যোগেদি ফৰকাটিং অঞ্চলৰ বিভিন্ন থলুৱা সামগ্ৰীৰ অনলাইন ব্যৱসায়ৰ সুবিধা লাভ কৰিব। লগতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি জীৱবিজ্ঞান বিভাগৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম ভিত্তিক কুইজ প্ৰতিযোগিতাৰ আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত 'মোৰ অনুভৱৰ দলিচাত ফৰকাটিং মহাবিদ্যালয়' শীৰ্ষক বক্তৃতা প্ৰতিযোগিতাৰ বঁটা প্ৰদান কৰা হয়। মুকলি সভাৰ সামৰণিত বিশ্বজ্যোতি গগৈয়ে মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্যে কৰি অনুষ্ঠানত উপস্থিত থকা সমূহ আমন্ত্ৰিত অতিথি, অৱসৰপ্ৰাপ্ত তথা বৰ্তমান কৰ্মৰত শিক্ষক কৰ্মচাৰী আৰু স্থানীয় শুভাকাংক্ষীৰ লগতে সুচাৰুৰূপে আয়োজন কৰাত মুখ্য ভূমিকা পালন কৰা মহাবিদ্যালয়ৰ প্ৰশাসনিক উপাধ্যক্ষা ইন্দিৰা গগৈ আৰু অধ্যাপিকা দৰ্শনা দেৱীলৈ কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়ায়। শেষত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰদৰ্শিত সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি প্ৰতিষ্ঠা দিৱসৰ দিনজোৰা কাৰ্যসূচী সফলতাৰে অন্ত পৰে।

## পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত নিযুত মইনা ২.০ শুভাৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ৭ আগষ্ট ঃ** মাজুলীৰ মাধ্যমিক শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি আনুষ্ঠানিকভাৱে অসম চৰকাৰৰ ছাত্ৰী কল্যাণ আঁচনি "নিযুত মইনা ২.০"ৰ আবেদন পত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে আজি পুৱা ১০.৪৫ বজাত বিদ্যালয়খনত অনুষ্ঠিত হোৱা উক্ত আবেদন পত্ৰ বিতৰণ অনুষ্ঠানৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট অতিথি, গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেণুমালা দত্তই। তাৰপিছত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা নিযুত মইনা ২.০ৰ আবেদন পত্ৰ বিতৰণৰ কেন্দ্ৰীয় আঁচনিৰ লাইভ প্ৰগাম সকলোৰে সন্মুখত প্ৰদৰ্শন কৰা হয়। উক্ত, লাইভ প্ৰগামৰ পাছত বিদ্যালয়খনত অনুষ্ঠিত হোৱা নিযুত মইনা ২.০ আবেদন পত্ৰ বিতৰণ অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। উক্ত, আবেদন পত্ৰ বিতৰণ অনুষ্ঠান উদ্বোধন কৰে গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তথা বিশিষ্ট সমাজকৰ্মী ৰেণুমালা দত্তই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰণতি বৰা, সৰ্বশিক্ষা অভিযানৰ খণ্ড মণ্ডল সমন্বয়ক সুনীল ভূঞাই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। যদু কলিতাই আঁত ধৰা উক্ত অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে 'নিযুত মইনা -২.০'ৰ আবেদন পত্ৰসমূহ বিতৰণ কৰা হয়। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰে অনুষ্ঠানৰ সামৰণি পৰে।

## মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি-২.০ৰ আবেদন-পত্ৰ বিতৰণ কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৭ আগষ্ট ঃ** কন্যাৰ উচ্চ শিক্ষাৰ বাট সুনিশ্চিত কৰি সৰলীকৰণৰ দিশে আগুৱাই নিবলৈ আৰু বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধেৰে এক সুৰক্ষিত ভৱিষ্যত গঢ় দিয়াৰ লক্ষ্যৰে ৰাজ্যত ১০ লাখ ছাত্ৰীক সাঙুৰি ৬ আগষ্ট তাৰিখে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শুভাৰম্ভ কৰা "মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি-২.০"ৰ আবেদন পত্ৰ বিতৰণৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, নিয়োগ, উদ্যমিতা, স্বাস্থ্য শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে। "মুখ্যমন্ত্ৰীৰ নিযুত মইনা আচঁনি কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী প্ৰশান্ত ফুকনে কয় যে নাৰীৰ উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত তথা বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি ৰোধ কৰাত এই আচঁনিখন যথেষ্ট ফলপ্ৰসূ পৰিগণিত হ'ব। তেওঁ পুনৰ কয় যে বহু দৰিদ্ৰ পৰিয়ালৰ মেধাৱী কন্যা সন্তানে কেৱল অৰ্থৰ অভাৱত আধাতে শিক্ষা সাং কৰিবলগীয়া হয়; তেনে ক্ষেত্ৰত অসম চৰকাৰৰ এই অভিলাষী এই আচঁনিখন সেইসকল ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ লগতে সুৰক্ষিত ভৱিষ্যত গঢ়াত যথেষ্ট সহায়ক হ'ব। আনহাতে, নাৰী সৰলীকৰণৰ ক্ষেত্ৰত এনে এক আচঁনি প্ৰৱৰ্তন কৰাৰ বাবে তেওঁ মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। উল্লখযোগ্য যে, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ১৯৯৪ গৰাকী ছাত্ৰীক"মুখ্যমন্ত্ৰীৰ নিযুত মইনা আচঁনি-২.০"ৰ আবেদন পত্ৰ বিতৰণ কৰা হয়। আনহাতে, দাখাদেৱী ৰাচিৰাচিয়া মহাবিদ্যালয়, চাবুৱাত বিধায়ক বিনোদ হাজৰিকাৰ উপস্থিতিত ৬১৯ গৰাকী, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ত ডিব্ৰুগড উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাৰ উপস্থিতিত ৫৭৮ গৰাকী, ডিব্ৰু মহাবিদ্যালয়ত ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্জ্বল ফুকনৰ উপস্থিতিত ৯৫৫ গৰাকী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ উপস্থিতিত ২৪০ গৰাকী, মনোহাৰী দেৱী কানৈ বালিকা মহাবিদ্যালয়ত অসম ৰাজ্যিক হাউচিং বৰ্ডৰ অধ্যক্ষ পুলক গোঁহাইৰ উপস্থিতিত ১২৫০ গৰাকী, নন্দলাল বৰগোঁহাই চিটি মহাবিদ্যালয়ত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰৰ উপস্থিতিত ২৭১ গৰাকী, খোৱাং মহাবিদ্যালয়ত বিধায়ক চক্ৰধৰ গগৈৰ উপস্থিতিত ১৪৪ গৰাকী, পিথুবৰ ছোৱালী স্নাতক মহাবিদ্যালয়ত সমাজকৰ্মী হেমন্ত বুঢ়াগোঁহাইৰ উপস্থিতিত ২২৩ গৰাকী, দুলীয়াজান মহাবিদ্যালয়ত বিধায়ক তেৰচ গোৱালাৰ উপস্থিতিত ৬৬৭ গৰাকী, দুলীয়াজান বালিকা মহাবিদ্যালয়ত জিলা পৰিষদৰ সদস্য কৃষ্ণ কমল দাসৰ উপস্থিতিত ১৬০ গৰাকী, টেঙাখাট মহাবিদ্যালয়ত অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ হইৰৰ উপস্থিতিত ৩৬৪ গৰাকী, মৰাণ বাণিজ্য মহাবিদ্যালয়ত এ.পি.ডি.চি.এলৰ অধ্যক্ষ বিকুল ডেকাৰ উপস্থিতিত ১৪ গৰাকী, টিংখাং মহাবিদ্যালয়ত অসম চৰকাৰৰ উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত ৫২৩ গৰাকী, নাহৰকটীয়া মহাবিদ্যালয়ত জিলা পৰিষদৰ সদস্য মৃদুল কলিতাৰ উপস্থিতিত ৪৭৭ গৰাকী আৰু নামৰূপ মহাবিদ্যালয়ত বিধায়ক তৰংগ গগৈৰ উপস্থিতিত ২৪০ গৰাকী ছাত্ৰীৰ মাজত নিযুত মইনা ২.০ আঁচনিৰ আবেদন পত্ৰসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়।

## উচ্ছেদৰ পিছতেই নেঘেৰিবিল দখল কৰিব নগাই; সহায় কৰা চলেৰে দখলৰ চেষ্টা নগাৰ

### অসম চৰকাৰে স্থাপন কৰা আঁচনিৰ কাম বন্ধ কৰিলে নগা প্ৰশাসনে

**অসম বাৰ্তা, মেৰাপানী, ৭ আগষ্ট ঃ** গোলাঘাট জিলাৰ উৰিয়াম ঘাট সীমান্তত প্ৰশাসনে উচ্ছেদ চলোৱাৰ পিছতেই চুবুৰীয়া ৰাজ্যৰ নগালোকে উৰিয়াম সীমান্তৰ বৃহৎ ভূমি নিজৰ বুলি দাবী কৰি দখল কৰাৰ চেষ্টা অব্যাহত ৰখাৰ সময়তেই মেৰাপানী সীমান্তৰ দুই নং নেঘেৰিবিলৰ মাটিও নগাৰ বুলি দাবী কৰিছে নগালেণ্ডৰ ভাণ্ডাৰী মহকুমাৰ অন্তৰ্গত মিকিৰাং, লিউ লুংচুং আৰু লুঙাইয়ুং আদি তিনিটা বস্তিৰ ভিলেজ কাউন্সিলে। নগালেণ্ডৰ এটা পট্ৰেলত উক্ত ভিলেজ কাউন্সিলৰ তৰফৰ পৰা জনোৱা মতে নেঘেৰিবিল উচ্ছেদৰ পিছতেই দখল কৰিব তেওঁলোকৰ নিজৰ মাটি। নেঘেৰিবিলৰ মাটি ঐতিহাসিক ভাৱে নগাৰ আছিল বুলি দাবী কৰি ৮ আগষ্টত উচ্ছেদ কৰা পিছতেই নগাই দখল কৰিব। যিহেতু উক্ত মাটি "বাবা লগা মাটি আছে বুলি দাবী কৰি কেতিয়াও নাছাৰিব" বুলি জানিবলৈ দিয়ে। ইহাতে আজি নগা প্ৰশাসনৰ সীমান্ত দণ্ডাধীশ ভাণ্ডাৰী মহকুমা আৰক্ষী বিষয়া সহ এটা দল নেঘেৰিবিলত উপস্থিত হৈ সন্দেহ যুক্ত লোক সকলক সোনকালে ঘৰ খালি কৰিবলৈ নিৰ্দ্দেশ দিয়াৰ লগতে নেঘেৰিবিলৰ তেওঁলোকৰ মাটি চমজি লব লাগে বুলি জানিবলৈ দিয়া বুলি অভিযোগ উঠিছে। ইয়াৰোপৰিও গাওঁখনৰ খেতিয়কৰ বাবে অসম চৰকাৰে স্থাপন কৰা 'জি'অ টিউব'ৰ জলসিঞ্চনৰ আচঁনিৰ চলি থকা কাম নগাৰ দলটোৱে নগাৰ মাটিত বহুৱাব নোৱাৰিব বুলি বন্ধ কৰি থৈ যায়। আনহাতে এই বেদখলীমুলক মন্তব্য আৰু নগা প্ৰশাসনৰ আগ্ৰাসন মুলক কাৰ্য্যৰ বাবে মেৰাপানীত সৰ্বত্ৰে প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, অনুসুচীত জাতি ছাত্ৰ সন্থা আদি স্থানীয় বিভিন্ন সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা লগতে সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত মেৰাপানীৰ দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সভাপতি সনৈক চক্ৰৱতী আৰু গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি সঞ্জীৱ সোণোৱালে আজি এক সংবাদমেল যোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে নেঘেৰিবিল অসম ভূমি খণ্ডৰ অন্তৰ্ভুক্ত। এই মাটি অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত। নগাই নেঘেৰিবিল নিজৰ বুলি দাবী কৰাটো অযুক্তিকৰ। অসমৰ ভৌগোলিক অখণ্ডতা ৰক্ষাৰ লগতে খিলঞ্জীয়াৰ প্ৰভুত্ব ৰক্ষাৰ বাবে ছাত্ৰ সন্থাই কেতিয়াও হাত সাৱতি বহি নাথাকে। ছাত্ৰ নেতাদ্বয়ে নগাৰ ভিলেজ কাউন্সিলৰ সভাপতিক উদ্দেশ্য কৰি আৰু কয় যে নেঘেৰিবিলৰ মাটিক লৈ ভৱিষ্যতে যদি নগা আৰু অসমীয়াৰ মাজত কিবা সংঘাত সৃষ্টি হয় তেতিয়া ভিলেজ কাউন্সিলৰ সভাপতি তিনিজনেই জগৰীয়া হব। লগতে কয় যে অসমৰ ভূমি নেঘেৰিবিলত অসম চৰকাৰে স্থাপন কৰা জলসিঞ্চন আচঁনিৰ কাম নগাই বন্ধ কৰাটো দুভাগ্যজনক। অসম চৰকাৰে স্থাপন কৰা আচঁনিৰ কাম বন্ধ কৰা কাৰ্য্যই নগাৰ আগ্ৰাসন চৰিত্ৰ উদঙাই দেখুওৱাইছে সেয়েহে উক্ত নেঘেৰিবিল দখল কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়াৰ লগতে অসম চৰকাৰক এই ক্ষেত্ৰত যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নেতাজনে দাবী জনাইছে। উল্লেখ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উচ্ছেদৰ সময়ত চুবুৰীয়া ৰাজ্য নগালেণ্ড প্ৰশাসনক সহায় কৰিবলৈ আহ্বান জনাইছিল আৰু এই সুবিধা লৈ নগালেণ্ডে সহায় কৰা চলেৰে উচ্ছেদিত মাটি দখল কৰাৰ পৰিকল্পনা কৰাহে পৰিলক্ষিত হৈছে।

### উত্তৰ-পূবত ড্ৰাগছ আৰু মাদক দ্ৰব্যৰ ব্যৱসায়

## দিল্লীৰ দক্ষিণ এছিয়ান বিশ্ববিদ্যালয়ত আলোচনা চক্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ আগষ্ট ঃ** গুৱাহাটীৰ চেণ্টাৰ ফৰ ইণ্ডো-আছিয়ান ষ্ট্ৰেটেজিক ষ্টাডিজৰ উদ্যোগত যোৱা ১ আৰু ২ আগষ্টত নতুন দিল্লীৰ দক্ষিণ এছিয়ান বিশ্ববিদ্যালয়ত "উত্তৰ-পুব ভাৰতৰ সামাজিক স্থিতিশীলতা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ওপৰত ড্ৰাগছ আৰু মাদক দ্ৰব্যৰ ব্যৱসায় আৰু ইয়াৰ প্ৰভাৱ" বিষয়ক দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ আয়োজন কৰা হয়। দক্ষিণ এছিয়ান বিশ্ববিদ্যালয়, হংসৰাজ মহাবিদ্যালয় আৰু নতুন দিল্লীৰ ইণ্ডিয়ান কাউন্সিল অৱ ছ'চিয়েল ছায়েন্স ৰিচাৰ্চৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। আলোচনা চক্ৰত উত্তৰ-পুব ভাৰতত ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায়ৰ ক্ৰমবৰ্ধমান ভাবুকি আৰু সমাজ, অৰ্থনীতি, আৰু নিৰাপত্তাৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰীক্ষা কৰাৰ লগতে বিশেষকৈ দক্ষিণ-পূব এছিয়াৰ সৈতে আঞ্চলিক আৰু সীমা অতিক্ৰম কৰা সংযোগৰ বিষয়েও আলোচনা কৰা হয়। উদ্বোধনী অধিৱেশনত উদ্বোধনী ভাষণ প্ৰদান কৰে লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) ৰাণা প্ৰতাপ কলিতাই, আনহাতে দক্ষিণ এছিয়ান বিশ্ববিদ্যালয়ৰ সভাপতি অধ্যাপক কে.কে. আগৰৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। প্ৰথম দিনাৰ অধিৱেশনত ভাৰত-আছিয়ান নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায়ৰ পৰিসৰ আৰু অৰ্থনৈতিক আৰু সামাজিক প্ৰভাৱৰ লগতে ইয়াৰ নিৰাপত্তাজনিত চিন্তাও আলোচনা কৰা হয়। উল্লেখযোগ্য বক্তাসকলৰ ভিতৰত আছিল ড° এল.আৰ. বিষ্ণোই (মেঘালয়ৰ প্ৰাক্তন ডিজিপি), জ্যোতিৰ্ময় চক্ৰৱৰ্তী (এছ এছ বিৰ প্ৰাক্তন বিশেষ সঞ্চালক প্ৰধান), ড° অনিছ চেৰকুনাথ (নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰোৰ মণ্ডল সঞ্চালক), সঞ্জয় হাজৰিকা (জামিয়া মিলিয়া ইছলামিয়া), আৰু পল্লৱ ভট্টাচাৰ্য (এ পি এছ চিৰ প্ৰাক্তন অধ্যক্ষ)। দ্বিতীয় দিনটোৰ আৰম্ভণি হৈছিল সম্ভাব্য সমাধানৰ দিশত বিভিন্ন বিষয়ৰ ওপৰত আলোচনাৰে। শ্ৰী দেবোজিত বৰকাকতি (অধিবক্তা, উচ্চতম ন্যায়ালয় ), ড° পাৰ্থ প্ৰতিম দাস (উপদেষ্টা, গাঁও প্ৰতিৰক্ষা সংস্থা, অসম), আৰু ড° পাৰ্থ সাৰথি মহন্ত (আৰক্ষী আয়ুক্ত, গুৱাহাটী) আদি বিশেষজ্ঞই আইনী বিধান বলবৎকৰণ, আৰু ড্ৰাগছৰ আতংকৰ বিৰুদ্ধে যুঁজিবলৈ সমাজ পৰ্যায়ৰ কৌশলৰ প্ৰয়োজনীয়তাৰ যুঁজিবলৈ সমাজ পৰ্যাৰ কৌশলৰ প্ৰয়োজনীয়তাৰ ওপৰত ভাষণ দিয়ে। আলোচনা চক্ৰৰ সামৰণি পৰে মুকলি মঞ্চ আৰু সামৰণি অধিবেশনেৰে। সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অধ্যাপক কৈলাস চন্দ্ৰ শৰ্মা (হাৰিয়ানা ৰাজ্যিক উচ্চ শিক্ষা পৰিষদৰ অধ্যক্ষ), আৰু অধ্যাপক ধনঞ্জয় সিং (আই চি এছ এছ আৰ) উপস্থিত থাকে। হংসৰাজ মহাবিদ্যালয়ৰ অধ্যাপিকা পূজা মেইটিয়ে ধন্যবাদ জ্ঞাপন কৰে। ড° ৰিতু গৌৰ (এছ এ ইউ), ড° পূজা ঝা মেইটি (হংসৰাজ কলেজ), ডং সমীৰন ফুকন, আৰু ড° সঞ্জীৱ নিংগোম্বম (চি আই এ এছ) আলোচনা চক্ৰৰ আহ্বায়ক হিচাপে উপস্থিত আছিল।

## তিনিচুকীয়াত কেন্দ্ৰীয় কৰম সন্মিলন উদ্‌যাপনৰ প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৭ আগষ্ট ঃ** চলিত বৰ্ষৰ তিনিচুকীয়া কেন্দ্ৰীয় কৰম সন্মিলনখন অহা ইং ৫ আৰু ৬ ছেপ্তেম্বৰ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তিনিচুকীয়া চহৰৰ চলিহা নগৰ খেলপথাৰত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাইছে। এই উপলক্ষে কালি তিনিচুকীয়াৰ এৰমা ৰেচিডেন্সিত তিনিচুকীয়া সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন শ্ৰম মন্ত্ৰী সঞ্জয় কিশানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত কৰম সন্মিলন অনুষ্ঠিত কৰাৰ সম্পৰ্কত আলোচনা কৰা হয়। অনুজ তাঁতীয়ে আঁত ধৰা সভাত সমগ্ৰ শিক্ষাৰ তিনিচুকীয়া জিলাৰ আঁচনি বিষয়া ত্ৰিদীপ শৰ্মা তামোলী, 'আটছা'ৰ যতীন বৰাইক, জ্যেষ্ঠ সাংবাদিকদ্বয় ৰূপম কাকতি আৰু ৰৌছনলাল ভৰদ্বাজ, চাহ জনগোষ্ঠীৰ অগ্ৰণী যুৱক নগেন কুমাৰ, মদন তাঁটো, সঞ্জু কুৰ্মী, ভূপেন চাহু প্ৰমুখ্যে বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাই বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিশানক সভাপতি আৰু অনুজ তাঁতীক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰে। সভাই এখন স্মাৰক গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰি তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক, লেখক-কবি ৰূপম কাকতিক স্মাৰক গ্ৰন্থৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰে।

## গোলাঘাটত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ অজন্তা নেওগ, অতুল বৰাৰ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৭ আগষ্ট ঃ** সমগ্ৰ অসমৰ লগতে আজি গোলাঘাট জিলাতো জিলাখনৰ ১খন বিশ্ববিদ্যালয়, ১৬খন মহাবিদ্যালয়, ৪৯খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৭খন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰায় ১৫০০০ ছাত্ৰীৰ মাজত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ অধীনত আবেদন প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হয়। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানবোৰত সমান্তৰালভাৱে অনুষ্ঠিত বিভিন্ন সভাত ছাত্ৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে এই প্ৰ পত্ৰ বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভণি কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা লাইভ টেলিকাষ্টৰ জৰিয়তে সমগ্ৰ ৰাজ্যকে সম্বোধি অসমৰ মাননিয় মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাদেৱে নিযুত মইনা আঁচনিৰ গৌৰৱময় দ্বিতীয় বৰ্ষত পদাৰ্পণ কৰা কথা ঘোষণা কৰে। নিজৰ ভাষণত এই আচঁনিখনে সামৰি লোৱা বিশাল সামাজিক দায়বদ্ধতা, বৰ্দ্ধিত কলেবৰ আৰু পৰিসৰৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী গৰাকীয়ে আনুষ্ঠানিকভাৱে আজি আবেদন প্ৰ-পত্ৰ বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভণি কৰে। চলিত বৰ্ষত প্ৰায় চাৰি লাখ ছাত্ৰী আৰু আগন্তুক বৰ্ষবোৰত এক নিযুত ছাত্ৰীক এই আচঁনিখনে সামৰি ল'ব বুলি অসমৰ মুখ্যমন্ত্ৰী গৰাকীয়ে ব্যক্ত কৰে। মুখ্যমন্ত্ৰী গৰাকীৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰৰ পিছতেই গোলাঘাট জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ সভাবোৰতো এই আবেদন পত্ৰ বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভণি কৰা হয়। গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ত অনুষ্ঠিত সভাত অসমৰ বিত্ত মন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকি এইপত্ৰ বিতৰণৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। মন্ত্ৰী নেওগে নিযুত মইনা আঁচনিৰ পত্ৰ বিতৰণ কৰি কয় বাল্যবিবাহ ৰোধ আৰু উচ্চ শিক্ষা আহৰণৰ দিশত কন্যা শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰীৰ সপোনৰ তথা অসম চৰকাৰৰ দৃঢ় প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ অধ্যায়ৰূপে, আজি ৰাজ্যজুৰি ছাত্ৰীসকলৰ মাজত আবেদন পত্ৰ বিতৰণৰ জৰিয়তে ' নিযুত মইনা ২, ০'আঁচনি শুভাৰম্ভ কৰা হৈছে। এই আচঁনিৰ দ্বাৰা দুখীয়া দৰিদ্ৰ পৰিয়ালৰ শিক্ষাৰ্থীসকল যথেষ্ট পৰিমাণে উপকৃত হ'ব বুলি মন্ত্ৰী নেওগৰে আশা প্ৰকাশ কৰে। জিলাখনত সমান্তৰালভাৱে অনুষ্ঠিত হোৱা বিভিন্ন সভাসমূহৰ ভিতৰত বোকাখাত সম জিলাৰ জে ডি এছ জি মহাবিদ্যালয়ৰ সভাত অসম চৰকাৰৰ কৃষি মন্ত্ৰী শ্ৰীযুত অতুল বৰা, খুমটাই সমষ্টিৰ মেলামৰা মহাবিদ্যালয়ৰ সভাত স্থানীয় বিধায়ক মৃণাল শইকীয়া, দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ৰ সভাত স্থানীয় বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালী, সৰুপথাৰ মহাবিদ্যালয়ৰ সভাত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকে আৰু এই আনুষ্ঠানিক আবেদন পত্ৰ বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভণি কৰে। উল্লেখযোগ্য যে বোকাখাতৰ জে ডি এছ জি মহাবিদ্যালয়ৰ সভাখনত জিলাখনৰ জিলা আয়ুক্তগৰাকী আৰু আন আন সভাবোৰত জিলা প্ৰশাসনৰ আন বিষয়ববীয়া সকলো উপস্থিত থাকে। এনেদৰে আজিৰ দিনটোত জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানত সমান্তৰালভাৱে অনুষ্ঠিত বুজন সংখ্যক সভাত জিলাৰ প্ৰায় ১৫০০০ ছাত্ৰীক এই আবেদন পত্ৰ বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভণি কৰা হয়। এই আচঁনিৰ দ্বিতীয় বৰ্ষত বৰ্দ্ধিত পৰিসৰে জিলা তথা ৰাজ্যৰ শৈক্ষিক, সামাজিক প্ৰেক্ষাপটত ইতিবাচক পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে।

### বিশিষ্ট সাহিত্যিক ৰঞ্জু হাজৰিকাক অদ্বিতীয় ৰহস্য সম্ৰাট উপাধি প্ৰদান

## অসম সাহিত্য সেৱা মঞ্চৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, বিশ্বনাথ, ৭ আগষ্ট ঃ** বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত, ৰহস্য সম্ৰাট ৰঞ্জু হাজৰিকাৰ ৭৬ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি, চাইনীজ গ্ৰীণ আচিয়ানা ৱেলফেয়াৰ ফাউণ্ডেশ্যনৰ সহযোগত "অসম সাহিত্য সেৱা মঞ্চ"ৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। অসম সাহিত্য সেৱা মঞ্চৰ সভাপতি ড° কিশোৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অধিৱেশনৰ ঘোষকৰ দায়িত্ব পালন কৰে দীপিকা ফুকন আৰু উদ্দেশ্য ব্যাখ্যা কৰে অসম সাহিত্য সেৱা মঞ্চৰ প্ৰেম বৈষ্ণৱে। উক্ত অনুষ্ঠানতে অসম সাহিত্য সেৱা মঞ্চই ৰঞ্জু হাজৰিকাক "অদ্বিতীয় ৰহস্য সম্ৰাট" অভিধাৰে বিভূষিত কৰে। অসম সাহিত্য সেৱা মঞ্চৰ দ্বিতীয় দ্বি-বাৰ্ষিক অনুষ্ঠানত মুঠ এঘাৰখন গ্ৰন্থ উন্মোচন কৰা হয়। আৰু বিগত সময়চোৱাত মৌলিক লেখাৰে তথা সৃষ্টিৰাজিৰে অসম সাহিত্য সেৱা মঞ্চৰ মজিয়া জীপালময় কৰাৰ বাবে মঞ্চৰ প্ৰশাসক মণ্ডলী আৰু মডাৰেটৰ মণ্ডলীৰ লগতে আমাৰ সমাজ জীৱনৰ লগত ওতপ্ৰোত ভাবে জড়িত ব্যক্তি সকলক আনুষ্ঠানিক ভাবে সম্বৰ্ধনা জনোৱা হয়। অসম সাহিত্য সেৱা মঞ্চৰ প্ৰতিষ্ঠা লগ্নৰে পৰা সাপ্তাহিক কবিতা পাঠৰ অনুষ্ঠানটি নিয়াৰিকৈ শ্ৰুতিমধুৰ কণ্ঠৰে মঞ্চৰ মজিয়া কাব্য ৰসেৰে জীপালময় কৰাৰ বাবে সুপাঠিকা দিপীকা ফুকনলৈ অসম সাহিত্য সেৱা মঞ্চৰ তৰফৰপৰা ফুলাম গামোচা, জাপি, মানপত্ৰ, আৰু মোমেণ্টোৰে "বৰ্ষশ্ৰেষ্ঠ কাব্য পাঠক সন্মান -২০২৫" প্ৰদান কৰা হয়। মঞ্চৰ হৈ এই সন্মানটি প্ৰদান কৰে ৰহস্য সম্ৰাট ৰঞ্জু হাজৰিকা আৰু ড° কিশোৰ হাজৰিকাই। সহযোগ কৰে অসম সাহিত্য সেৱা মঞ্চৰ মুখ্য প্ৰশাসক পূজা প্ৰেম বৈষ্ণৱ আৰু সম্পাদক প্ৰেম বৈষ্ণৱে।




### জোৰশিমুলীত নিশা চাঞ্চল্যকৰ ঘটনা

## কামৰূপ জিলাৰ ছমৰীয়াত যুৱকক হত্যাৰ চেষ্টা অচিনাক্ত দুৰ্বৃত্তৰ

**অসম বাৰ্তা, গৰৈমাৰী, ৭ আগষ্ট ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত মহাবীৰ পথাৰ ই এণ্ড ডি মথাউৰিত যোৱা নিশা যুৱক এগৰাকীক অচিনাক্ত দুৰ্বৃত্তৰ দল এটাই হত্যাৰ অপচেষ্টাৰে বস্তাত ভৰাই পেলাই থোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্য সৃষ্টি কৰিছে। জানিব পৰামতে জোৰশিমুলীৰ টেকেলীফুটা(কমলাপুৰ )গাঁৱৰ আলী আকবৰ (২৯) নামৰ যুৱকজনক আজি নিশা মহাবীৰ পথাৰ ই এণ্ড ডি মথাউৰিত অচিনাক্ত দুৰ্বৃত্তৰ দল এটাই হত্যাৰ অপচেষ্টাৰে বস্তাত ভৰাই বোকাত পেলায় থয়। পিচত স্থানীয় ৰাইজে যুৱকজনক অচেতন অৱস্থাত উদ্ধাৰ কৰি গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। ইপিনে চিকিৎসকে প্ৰাথমিক চিকিৎসাৰ অন্তত যুৱকজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

## সম্পাদকীয়

# নিৰ্বাচনী স্বচ্ছতাৰ প্ৰশ্ন আৰু ৰাহুল গান্ধীৰ অভিযোগ

ৰাহুল গান্ধীৰ সাম্প্ৰতিক অভিযোগে ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু নিৰপেক্ষতাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। ২০২৪ৰ লোকসভা নিৰ্বাচন আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত ভোটাৰ তালিকাৰ পুনৰীক্ষণত ব্যাপক অনিয়মৰ অভিযোগ তুলি তেওঁ নিৰ্বাচন আয়োগৰ ভূমিকাক লৈ তীব্ৰ সমালোচনা কৰিছে। মহাৰাষ্ট্ৰত ৪০ লাখ ভুৱা ভোটাৰ, কৰ্ণাটকৰ মহাদেৱপুৰাত ১ লাখ ভোট চুৰিৰ দাবী, আৰু হাৰিয়ানাত ডুপ্লি-কেট ভোটাৰৰ তথ্যই গণতন্ত্ৰৰ ভিত্তিৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে। এই অভিযোগসমূহৰ বিশ্বাসযোগ্যতা, ইয়াৰ সম্ভাব্য প্ৰভাৱ, আৰু নিৰ্বাচন আয়োগৰ ভূমিকাৰ বিষয়ে বিশ্লেষণৰ প্ৰয়োজন।

ৰাহুল গান্ধীৰ দাবীসমূহ তথ্য-প্ৰমাণৰ ওপৰত ভিত্তি কৰি উত্থাপিত হৈছে বুলি তেওঁ দাবী কৰিছে। মহাৰাষ্ট্ৰৰ ভোটাৰ তালিকাত একে ব্যক্তিৰ নাম বিভিন্ন ঠিকনাত বাৰে বাৰে সন্নিবিষ্ট হোৱা, একে ঠিকনাত ৩০-৪০জন ভোটাৰৰ নাম পঞ্জীয়ন, আৰু কৰ্ণাটকৰ বুথত ভুৱা ঠিকনাৰ তথ্যই গুৰুতৰ উদ্বেগৰ সৃষ্টি কৰে। তেওঁৰ পাৱাৰপইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে উত্থাপিত তথ্যই অভিযোগসমূহক কিছু পৰিমাণে বিশ্বাসযোগ্যতা প্ৰদান কৰিছে। কিন্তু, এই অভিযোগসমূহ সম্পূৰ্ণৰূপে প্ৰমাণিত হোৱাৰ বাবে তদন্তৰ প্ৰয়োজন। যদি এই দাবী সত্য হয়, তেন্তে ই ভাৰতীয় গণতন্ত্ৰৰ স্বচ্ছতাৰ ওপৰত গভীৰ আঘাত হ'ব।

এই অভিযোগৰ প্ৰভাৱ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত বিস্তৃত। জনসাধাৰণৰ মাজত নিৰ্বাচন প্ৰক্ৰিয়াৰ প্ৰতি আস্থা হ্ৰাস পাব পাৰে, যিটো গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে ক্ষতিকাৰক। ৰাজনৈতিক দলসমূহৰ মাজত বিতৰ্ক তীব্ৰতৰ হ'ব পাৰে, আৰু নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাৰ প্ৰশ্ন উত্থাপিত হৈছে। বিশেষকৈ, ডিজিটেল ভোটাৰ তালিকা প্ৰদানত অস্বীকৃতি আৰু চিচিটিভিৰ ফুটেজৰ সীমিত উপলব্ধতাৰ অভিযোগে আয়োগৰ স্বচ্ছতাৰ প্ৰতি সন্দেহৰ সৃষ্টি কৰিছে।

নিৰ্বাচন আয়োগৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আয়োগে এই অভিযোগৰ তদন্ত কৰি স্বচ্ছ আৰু নিৰপেক্ষ প্ৰক্ৰিয়াৰ জৰিয়তে সত্য উদঘাটন কৰা উচিত। ভোটাৰ তালিকাৰ পুনৰীক্ষণত ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি, চিচিটিভিৰ ফুটেজৰ সম্পূৰ্ণ উপলব্ধতা, আৰু সকলো ৰাজনৈতিক দলৰ সৈতে সমান তথ্য বিনিময়ৰ নিশ্চয়তা প্ৰদান কৰাটো জৰুৰী। আয়োগৰ নিৰপেক্ষতা বজাই ৰখা আৰু জনসাধাৰণৰ আস্থা পুনৰ প্ৰতিষ্ঠাৰ বাবে তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰাটো অপৰিহাৰ্য।

ৰাহুল গান্ধীৰ অভিযোগে ভাৰতীয় গণতন্ত্ৰৰ এক গুৰুত্বপূৰ্ণ দিশৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে। স্বচ্ছ আৰু ন্যায্য নিৰ্বাচনৰ নিশ্চয়তা নিশ্চিত কৰাটো গণতন্ত্ৰৰ প্ৰাণ। নিৰ্বাচন আয়োগে এই সংকটৰ সমাধানৰ বাবে দ্ৰুত আৰু প্ৰকৃত পদক্ষেপ গ্ৰহণ কৰি জনসাধাৰণৰ আস্থা অৰ্জন কৰা উচিত।

> নিজৰ ব্যক্তিগত দিশবোৰ চিন্তা নকৰি নিজৰ পৰিয়ালৰ কাম বোৰো আওকাণ কৰি ছাত্ৰ ছাত্ৰী আৰু সমাজ খনৰ উন্নতিৰ এনেবোৰ কাম কৰি কৰি আচলতে প্ৰাথমিক শিক্ষক সকলৰ মাজত প্ৰায় বহুতেই বা সকলোৱেই কম বেছি পৰিমাণে মানসিক ভাবে যথেষ্ট চাপৰ সন্মুখীন হৈছে কিন্তু এওঁলোকৰ এই মানসিক চাপ সমূহ কমাবলৈ বা কেনেদৰে এই মানসিক চাপ সমূহ নিয়ন্ত্ৰণ কৰিব পাৰি তাৰ বাবে কোনো মানসিক চাপ নিৰাময়ৰ ব্যৱস্থাপনা বা প্ৰশিক্ষণ এই প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বা সহকাৰী শিক্ষক ৰ বিভাগৰ ফালৰ পৰা অনুষ্ঠিত কৰা পৰিলক্ষিত নহয়।

# প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক - শিক্ষয়িত্ৰীৰ মানসিক চাপ

দিপেশ কুমাৰ দাস

এটা শিক্ষা ব্যৱস্থাত শিক্ষাৰ গাঁথনি সমূহ যদি লক্ষ্য কৰা হয় তেন্তে জন্মৰ পিছত শিশু এটিৰ নিজৰ পিতৃ-মাতৃও পৰিয়াল বৰ্গৰ পৰা কিছু জ্ঞান আহৰণ কৰি যেতিয়া আনুষ্ঠানিক শিক্ষাৰ বাবে অগ্ৰসৰ হয় তেতিয়া বিদ্যালয় শিক্ষাৰ আৰম্ভণি বুনিয়াদ হিচাপে গণ্য কৰা প্ৰাথমিক বিদ্যালয় সমূহ বা প্ৰাথমিক শিক্ষা ব্যৱস্থা। ইয়াৰ পৰাই শিশু এটিয়ে আনুষ্ঠানিক শিক্ষাৰ পাতনি মেলে আৰু ক্ৰমানয়ে শিক্ষা গ্ৰহণ কৰি আগবাঢ়ে।

যিকোনো আন্তঃগাঁথনি শক্তিশালী হ'বলৈ আৰু বিভিন্ন দুৰ্যোগ সহ্য কৰিবলৈ যেনেকৈ শক্তিশালী ভেটি অপৰিহাৰ্য, মৌলিক শিক্ষাই শিক্ষা ব্যৱস্থাৰ তেনে এক ভেটি গঠন কৰে। শিক্ষণৰ এই প্ৰাৰম্ভিক পৰ্যায়ে শিশুক তেওঁলোকক শিক্ষাৰ প্ৰতি অধিক আগ্ৰহী আৰু শক্তশালী কৰি তোলে লগতে জীৱনৰ সকলো ক্ষেত্ৰতে আত্মবিশ্বাসেৰে আগবাঢ়ি যোৱাত সহায় কৰে।

শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত আইন বা নীতি প্ৰণয়ন কৰা সকলে খুব সূক্ষ্মভাবে কথা বোৰ লক্ষ্য কৰি শিশুৰ বাবে উপযোগী পাঠ্যক্ৰমসমূহৰ লগতে চৰকাৰে পাৰ্য্যমানে এই সুবিধা সমূহ প্ৰদান কৰাৰ বাবে চেষ্টা কৰে যাতে এই শিশু সকলে আগলৈ মানৱ সম্পদলৈ বৃদ্ধি হব পাৰে আৰু জাতি গঠনত অৰিহণা যোগাব পাৰে

এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020 য়ে বুনিয়াদী শিক্ষা ব্যৱস্থাক অধিক গুৰুত্ব দিয়াও পৰিলক্ষিত হৈছে। কিন্তু শিশু কেন্দ্ৰিক শিক্ষা ব্যৱস্থা টোত শিশু সকলৰ এই শক্তিশালী বুনিয়াদ সৃষ্টি কৰা প্ৰাথমিক শিক্ষক সকল যেন কোনোবা বহু ক্ষেত্ৰত বঞ্চিত হৈছে অনুভৱ হয়। শিক্ষাৰ অধিকাৰ আইনৰ ৩০: ১ অনুপাতে ইতিমধ্যে কোঙা কৰা অসমৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাক অনেক কষ্ট আৰু পৰিশ্ৰমেৰে জীয়াই ৰখা প্ৰাথমিক শিক্ষক সকল নিশ্চিত ভাৱে শাৰীৰিক আৰু মানসিক ভাবে যথেষ্ট কষ্ট সন্মুখীন হৈছে। আমি সকলোৱে ইতিমধ্যেই অৱগত যে আমাৰ ৰাজ্যখনৰ অধিকাংশ বিদ্যালয় দুজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত। এই ক্ষেত্ৰত প্ৰাথমিক শিক্ষক সকলে সদায় বহুস্তৰীয় শ্ৰেণী কোঠাৰ পাঠদান কৰিব লগা হয় যাৰ ফলত শিক্ষক এজনৰ শাৰীৰিক ও মানসিক কষ্ট অধিক হয়

যি সময়ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকলৰ দৰমহা চাকৰি টোৰ গুৰুত্ব আৰু কষ্ট অনুপাতে কম, তাতেই সহকাৰী শিক্ষকৰ দৰমহাৰে বছৰ বছৰ ধৰি বিদ্যালয় এখন পৰিচালনা কৰি থকা পদ বিহীন পদবীৰ প্ৰধান শিক্ষকসকলৰ বিষয়টো আজিৰ যুগত মানৱীয় উদাৰতাৰ এক উল্লেখনীয় উদাহৰণ হিচাপে গণ্য হ'ব। কেৱল মাত্ৰ কণ কণ শিশু কেইজনৰ মুখলৈ চাই দুখ ভাগৰ ব্যক্তিগত জীৱন সকলো একাষৰীয়া কৰি নিজৰ দায়িত্ব পালন কৰি আছে এই শিক্ষক সকলে।

চতুৰ্থ বৰ্গ ৰ কৰ্মচাৰী নথকা প্ৰাথমিক বিদ্যালয় এখনত শিক্ষকেই চতুৰ্থ বৰ্গ ৰ কৰ্মচাৰী। বিদ্যালয় এখনৰ সৰ্বাংগীণ কাম যেনে বিদ্যালয় মধ্যাহ্ন ভোজন ৰ ব্যৱস্থাৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ অনাশৈক্ষিক কামবোৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকে এজনে কৰিব লগা হয়। কেতিয়াবা আমি বাতাৰিৰ শিৰোনামা দখল কৰা দেখো কোনোবা বিদ্যালয় এখনৰ শিক্ষকে বিদ্যালয়ত কোৰ মাৰি থকা, কোনোবাই বিদ্যালয়ৰ শৌচালয় পৰিষ্কাৰ কৰিছে কোনোবাই নিজেই বিদ্যালয় গৃহ মেৰামতি কাম কৰিছে। শিক্ষকতাৰ যদি আমি সেৱা বুলি ভাবি চলো তথাপিও এনেবোৰ কামে ব্যক্তি এজনক মানসিক ভাবে অধিক চাপ নিদিয়ে নে?

নিজৰ ব্যক্তিগত দিশবোৰ চিন্তা নকৰি নিজৰ পৰিয়ালৰ কাম বোৰো আওকাণ কৰি ছাত্ৰ ছাত্ৰী আৰু সমাজ খনৰ উন্নতিৰ এনেবোৰ কাম কৰি কৰি আচলতে প্ৰাথমিক শিক্ষক সকলৰ মাজত প্ৰায় বহুতেই বা সকলোৱেই কম বেছি পৰিমাণে মানসিক ভাবে যথেষ্ট চাপৰ সন্মুখীন হৈছে কিন্তু এওঁলোকৰ এই মানসিক চাপ সমূহ কমাবলৈ বা কেনেদৰে এই মানসিক চাপ সমূহ নিয়ন্ত্ৰন কৰিব পাৰি তাৰ বাবে কোনো মানসিক চাপ নিৰাময়ৰ ব্যাবশ্পনা বা প্ৰশিক্ষণ এই প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বা সহকাৰী শিক্ষক ৰ বিভাগৰ ফালৰ পৰা অনুষ্ঠিত কৰা পৰিলক্ষিত নহয়।

আপোনালোকৰ পৰিচিত বা ওচৰ চুবুৰীয়াত কোনোবা প্ৰাথমিক বিদ্যালয় ৰ শিক্ষক যদি আছে তেন্তে আপোনালোকে নিশ্চয় অলপ হলেও অৱগত যে মানুহজন মানসিক ভাবে চাপত থাকে। বহুতেই কব শিক্ষক হলেও প্ৰধান শিক্ষক হ'ব নাপায়, বহুত কষ্ট! মই যদি মোৰ জিলা খনৰ কথাই উল্লেখ কৰোঁ ব্যক্তিগত ভাৱে মই কৰা মৌখিক পৰীক্ষণ মতে জিলাখনত থকা প্ৰায় প্ৰতি টো শিক্ষা খণ্ডৰ প্ৰাথমিক বিদ্যালয় সমূহৰ শিক্ষক সকল নানান সমস্যাত জৰ্জৰিত হৈ আছে। বিদ্যালয় খনৰ কামৰ বোজাত মানসিক ভাবে যথেষ্ট চাপৰ সন্মুখীন হৈছে। কম বয়সৰ বহু প্ৰধান শিক্ষকে কামৰ হেঁচাত প্ৰধান শিক্ষকৰ দায়িত্ব এৰি দিবলৈও সাজু হৈছে।



এই কথা ও নুই কৰিব নোৱাৰি যে চাকৰি যিয়েই নহওক সেইয়া চতুৰ্থ বৰ্গ হওক বা প্ৰথম বৰ্গৰ প্ৰশাসনিক বিষয়াই হওক প্ৰত্যেক চাকৰিৰে কামৰ মানসিক চাপ থাকে। কিন্তু প্ৰাথমিক শিক্ষক সকলৰ ক্ষেত্ৰত এই কামৰ হেঁচা বৰ্গ ও বেতন অনুপাতে অধিক হোৱা যেন পৰিলক্ষিত হৈছে লগতে এই মানসিক চাপ সমূহ কম কৰাৰ কোনো উপায় বিভাগীয় ভাবে শিক্ষক সকলক তেনে প্ৰশিক্ষণ বা দিহা পৰামৰ্শ দিয়া হোৱা নাই।কোনো কোনোৱে হয়তো যুক্তি দিব যে আজিৰ শিক্ষকসকল ডিগ্ৰী আৰু প্ৰশিক্ষণৰ বাবে সু-প্ৰস্তুত। তেনে ক্ষেত্ৰত নতুন কিয় প্ৰয়োজন এনে প্ৰশিক্ষণ? কিন্তু এই বি এড বা ডি এল এড শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীসমূহে শিক্ষকৰ মানসিক চাপত যথেষ্ট অৰিহণা যোগোৱা অনাশৈক্ষক পৰিবেশৰ দায়িত্বসমূহ সম্বোধন নকৰে।

ইয়াৰ এটা ফলপ্ৰসূ সমাধান হ'ল যে শিক্ষা বিভাগে শিক্ষক সকলৰ মানসিক চাপ ব্যৱস্থাপনা প্ৰশিক্ষণ বা পৰামৰ্শদানৰ অধিবেশন আয়োজন কৰিব লাগে। সংশ্লিষ্ট বিভাগে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ মানসিক চাপৰ মাত্ৰা স্বীকাৰ কৰি ব্যৱহাৰিক সহায় আগবঢ়াব লাগে। দেশ খনৰ মানৱ সম্পদৰ ভেটি সৃষ্টি কৰা বুনিয়াদী শিক্ষক সকলৰ মানসিক চাপ বোৰৰ বিষয়ে বিভাগীয় বিষয়া সকলে প্ৰত্যক্ষ আলোচনাৰ জৰিয়তে সমস্যা সমূহৰ বিষয়ে অৱগত হব লগে আৰু তাৰ উপায় দিবলৈ মানসিক চাপ ব্যৱস্থাপনা প্ৰশিক্ষণ (Stress management training) বা তেনে ধৰণৰ কাৰ্যসূচী অনুষ্ঠিত কৰিব লাগে। উন্নত দেশসমূহে নিয়মিতভাৱে প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে তেঁওলোকৰ কৰ্মচাৰী সকলক মানসিক চাপৰ সৈতে মোকাবিলা কৰি, মানসিক ফিটনেছ আৰু উন্নত প্ৰদৰ্শনক প্ৰসাৰিত কৰে। আনকি ভাৰততো কিছু প্ৰতিষ্ঠানত এনে ব্যৱস্থা সুন্দৰ ভাবে চলি আছে।

এই ক্ষেত্ৰত মই ভাবো প্ৰাথমিক শিক্ষকৰ মানসিক সুস্থতাক সম্বোধন কৰি, কৰ্মচাৰীসকলে মানসিক চাপ ভালদৰে পৰিচালনা কৰিবলৈ আৰু নিজৰ ভূমিকা অধিক ফলপ্ৰসূভাৱে পালন কৰিবলৈ সক্ষম কৰি অসমে ৰাষ্ট্ৰীয় আদৰ্শ দাঙি ধৰিব পাৰে। উচ্চ কৰ্তৃপক্ষই তৃণমূল পৰ্যায়ৰ শিক্ষকৰ সৈতে জড়িত হ'ব লাগে, তেওঁলোকৰ প্ৰত্যাহ্বান শুনিব লাগে আৰু সহায় আগবঢ়াব লাগে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ তো শিক্ষকৰ মানসিক স্বাস্থ্যৰ ওপৰত গুৰুত্ব দিছে আৰু কামৰ বোজা হ্ৰাস কৰা আৰু পেছাদাৰী সহায় ব্যৱস্থাৰ প্ৰস্তাৱ দিয়া হৈছে। তাৰ উপৰিও বিভিন্ন সংস্থাৰ সৈতে এই বিষয় টোৰ ক্ষেত্ৰত সহযোগিতা লৈ আগবঢ়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ সফলভাৱে ৰূপায়ন কৰিবলৈ এনেধৰণৰ শিক্ষক -শিক্ষয়িত্ৰী সকলৰ মানসিক চাপৰ বিষয়বোৰ মুকলিকৈ আলোচনা কৰাটো খুবেই জৰুৰী হৈ পৰা যেন অনুভৱ হৈছে। বিশেষ ভাৱে প্ৰাথমিক বিদ্যালয় এখনৰ শিক্ষক সকলৰ যত নেকি কৰ্মৰ গুৰুত্ব হিচাপে উপযুক্ত দৰমহা নাই। লগতে চৰকাৰেও এই ক্ষেত্ৰত প্ৰাথমিক শিক্ষক সকলৰ দৰমহাৰ গাঁথনি পুনৰ বিবেচনা কৰি ন্যায় প্ৰদান কৰিব লাগে।

আগন্তুক দিন সমূহত প্ৰাথমিক বিদ্যালয়ত শিক্ষক - সকলে সন্মুখীন হোৱা প্ৰত্যাহ্বান আজিৰ তুলনাত অধিক হ'ব এই কথা এই মানি আগ বঢ়িব লাগিব আৰু তাৰ বাবে আজিৰ শিক্ষকসকলক প্ৰস্তুত কৰিব লাগিব।

শিক্ষা বিভাগৰ ফালৰ পৰা যিদৰে শিক্ষক সকলক শিক্ষন প্ৰক্ৰিয়াৰ প্ৰশিক্ষণৰ বাবে বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে ঠিক তেনেকৈ কিছু প্ৰশিক্ষণ শিক্ষকৰ সমস্যা সমূহৰ ওপৰত অনুষ্ঠিত কৰিব পাৰে।

চৰকাৰখনে যি ধৰণেৰে শিক্ষাক অধিক গুৰুত্ব প্ৰদান কৰিছে ঠিক তেনেদৰেই যদি প্ৰাথমিক শিক্ষক শিক্ষয়িত্ৰী সকলৰ বিভিন্ন সমস্যা আৰু অভিযোগ সমূহৰ বিষয়ে অৱগত হৈ আৰু তাৰ উচিত সমাধান কৰি দিয়ে তেন্তে প্ৰাথমিক বিদ্যালয় এখনত শিক্ষক শিক্ষয়িত্ৰী এজনে অধিক উদ্যমেৰে কাম বোৰ কৰি যাবলৈ উৎসাহ আৰু সাহস পাব।

# এই হ'ল বিজেপি!

ড° মামুন ইমদাদুল হক




যেতিয়া সমগ্ৰ ৰাজ্যখনৰ সৰ্বত্ৰে মিএগ খেদাৰ উজান উঠিল তেতিয়াই অনুভৱ কৰিছিলো— বিজেপি চৰকাৰখনে এইবাৰ নিশ্চয় কিবা এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ গৈ আছে। অৱশেষত কালি ৬আগষ্ট, ২০২৫ তাৰিখে কেৱল মুছলমান লোকৰ বাহিৰে আন সকলো লোকৰ বিদেশী ন্যায়াধীকৰণত চলি থকা গোচৰ সমূহ চৰকাৰী ভাৱে প্ৰত্যাহাৰ কৰা হ'ল। এয়া প্ৰকৃতাৰ্থত CAA ৰ বলবৎকৰণ। ক'তো ইয়াৰ বিৰুদ্ধে টু শব্দ এটাও শুনা নগ'ল। কাৰণ— বিগত কিছুদিনৰ পৰা বিজেপিৰ বিৰোধ নকৰাৰ পৰিৱেশ এটা ইতিমধ্যে বিজেপিয়ে নিৰ্মাণ কৰি লৈছে। এই ক্ষেত্ৰত বিজেপি আন আন দলতকৈ হাজাৰ গুণে পৰিপক্ব।

মানুহ যেতিয়া মিএগৰ নামত তামাম উত্তেজিত, মানুহ যেতিয়া উচ্ছেদৰ নামত মিএগ খেদাত ব্যতিব্যস্ত, বিজেপি বিৰোধী দল সংগঠনৰ নেতা- পালিনেতাবোৰ যেতিয়া এই সম্পৰ্কত মিডিয়াৰ টক শ্ব' বোৰত বিজেপিৰ বিৰুদ্ধে শিৰ ফুলাই ফুলাই বয়ানবাজী কৰি নেতৃত্ব (!) জাহিৰ কৰাত অভ্যস্ত— ঠিক তেতিয়াই, হয় ঠিক তেতিয়াই মুখ্যমন্ত্ৰী ড হিমন্ত বিশ্ব শৰ্মাই লাহেকৈ কোৱা মাত্ৰ এষাৰ কথাত বিদেশী ন্যায়াধীকৰণত বিচাৰাধীন হৈ থকা অমুছলমান লোকসকলৰ গোচৰ সমূহ নিমিষতে নাইকিয়া হৈ গ'ল। এই হ'ল বিজেপি!

এইক্ষেত্ৰত মই ব্যক্তিগত ভাৱে মুখ্যমন্ত্ৰী বা বিজেপি— কাকো দোষাৰোপ নকৰো। কাৰণ বিজেপিৰ মুখ্যমন্ত্ৰী এজনে বিজেপিৰ নিৰ্দেশ মতেইতো কাম কৰিব। বিজেপি এটা ৰাজনৈতিক দল আৰু তেওঁলোকে তেওঁলোকৰ কাম কৰিবই। তেওঁলোকৰ এজেণ্ডা কাৰ্যকৰী কৰিবই। আমাৰ দৰে বিজেপি বিৰোধী লোকৰ ভাল পোৱা-বেয়া পোৱাৰ ওপৰত বিজেপিৰ দৰে এটা সংগঠিত ৰাজনৈতিক দল নচলে। বিজেপিয়ে কোনো দিনেই কোৱা নাই বিদেশী ন্যায়াধীকৰণত চলি থকা মুছলমান লোক সকলৰ নাগৰিকত্বৰ বিষয়টো নিষ্পত্তি কৰি দিব বুলি। বৰঞ্চ বিজেপিয়ে খুল্লম খুল্লাকে সদায় কৈ আহিছে অমুছলমান সকলো লোকক নাগৰিকত্ব দিব বুলি। তাৰ বাবে বিজেপিয়ে সংসদত Citizenship Amendment Act নামৰ আইনখনেই গৃহীত কৰোৱাই লৈছে। ভাবিলে আচৰিত লাগে— এই CAAৰ ধাৰণা কিন্তু বিজেপিৰ নহয়। কংগ্ৰেছৰহে। অসমত যেতিয়া বিজেপিৰ কোনো গুৰুত্ব নাছিল তেতিয়া বঙালী হিন্দু ভোট পাবৰ বাবে এই CAA আইনখন আনিবৰ বাবে কি কৰা নাছিল কংগ্ৰেছে! কংগ্ৰেছৰ দলীয় সিদ্ধান্ত। কেবিনেট সিদ্ধান্ত। কেন্দ্ৰীয় চৰকাৰে কেবিনেট মেমোৰেণ্ডাম। ২০১১ ৰ বিধান সভাৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে একেখন হেলিকপ্টাৰত যোৱা তৰুণ গগৈৰ শিলচৰত এই সম্পৰ্কত বাংলাত ভাষণ। কত্ কি! বাপৰে। পিছত যেতিয়া বিজেপি ক্ষমতাধিষ্ঠিত হ'ল তেতিয়া কেৱল কংগ্ৰেছে আধাৰুৱাকৈ কৰি থৈ যোৱা এই আইনখন বিজেপিয়ে সংসদত গৃহীত কৰোৱাই লৈছে। বছ। কথা সিমানেই। গোটেই কাৰবাৰটো ঠিক- ঠাক কৰি পিছত মানুহক দেখুওৱাই টিভি/ ফেইচবুকত বিৰোধ কৰিলে কি হ'ব! যদি কাৰোবাৰ কথাবোৰ বিশ্বাস হোৱা নাই তেন্তে এই সম্পৰ্কত গঠিত যুটীয়া সংসদীয় কমিটিৰ প্ৰতিবেদনখন পঢ়ি চাব পাৰে। আন কথা নালাগে CAA ৰ বিৰোধ কৰি এই অভাজনে বিধান সভাত আগবঢ়োৱা তথ্যবোৰ চালেই কথাবোৰ জল জল পট পট কৈ ওলাই পৰিব।

মই আচৰিত হওঁ— এচাম মানুহ, একাংশ দল-সংগঠন আৰু এচাম বুদ্ধিজীৱীৰ কৰ্ম কাণ্ড দেখি। তেওঁলোকে কিয় ভাৱে— বিজেপিয়ে তেওঁলোকৰ মতে চলিব! বিজেপিয়ে বিজেপিৰ মতেহে চলিব। কাম কৰিব। বিজেপিক এনে সিদ্ধান্ত লোৱাৰ ৰাস্তাটো সুগম কৰি কৰি দিয়ে সেইবোৰ দল সংগঠনে —যিবোৰে বিজেপিয়ে কিবা এটা ক'লেই উত্তেজিত হৈ পৰে আৰু লগে লগে মিডিয়া,চ'ছিয়েল মিডিয়াত তাৰ বহিৰ্প্ৰকাশ কৰিবলৈ ব্যাকুল হৈ পৰে। বিজেপিয়ে ঠিক এই পৰিৱেশটোৱেই বিচাৰে। স্বয়ং মুখ্যমন্ত্ৰী গৰাকীয়ে কেবাবাৰো আওপাকে এই কথাষাৰ ৰাজহুৱাকৈ কৈছে।

ইতিমধ্যে বহু ঠাইত বহু বাৰ লিখিছো আৰু আজি আকৌ কওঁ— বিজেপিক বিজেপিৰ দৰে নাভাবি আন আন পৰম্পৰাগত ৰাজনৈতিক দলবোৰৰ দৰে ভবাটো বিৰোধী দল- সংগঠনৰ মাৰাত্মক ভুল। বিজেপিৰ কৰ্ম পদ্ধতিৰ সৈতে আন আন ৰাজনৈতিক দলৰ আকাশ পাতল প্ৰভেদ। বিজেপি এক গভীৰ অধ্যয়নৰ বিষয়। গৱেষণাৰ বিষয়। যিটো কৰিবলৈ বিজেপি বিৰোধী দলবোৰৰ ধৈৰ্য্য নাই। সাধাৰণ মানুহৰ তো নায়েই। ফেইচবুকৰ সস্তা জনপ্ৰিয়তাত মোহাচ্ছন্ন লোকৰ বাবে ইমান ধৈৰ্য্যনো ক'ত!

যেতিয়ালৈকে বিৰোধী দল-সংগঠন বোৰে "বিজেপিক বিজেপিৰ দৰে ভবাৰ"— এই সামান্য কিন্তু গুৰুত্বপূৰ্ণ কথাষাৰ হৃদয়ংগম কৰিবলৈ সক্ষম নহ'ব তেতিয়ালৈকে বিজেপি ক্ষমতাৰ ৰাজনীতি বাহাল তবিয়তে থাকিব। বিধান সভাৰ নিৰ্বাচনলৈ আৰু বেছি দিন নাই। ইমান কম সময়ত অসমত নতুনকৈ কোনো বিৰোধী দলে সাংগঠনিক ভাৱে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰাৰ দূৰ দূৰলৈকে সম্ভাৱনাও নাই। যিহেতুকে সদ্যহতে অসমত বিৰোধী দল বুলি কব বিশেষ একো নাই— যি অলপ আছে একদম নগণ্য ৰূপত হ'লেও সেয়া কংগ্ৰেছৰেই আছে, তাকো তাত বহুতো বিজেপিৰ এজেণ্ট সোমাই দায়িত্বশীল পদবীত আছে; তথাপি মূল বিৰোধী দল হিচাপে কংগ্ৰেছে কথাবোৰ গভীৰ ভাৱে বিশ্লে-ষণ কৰাৰ সমান্তৰাল কৈ নিজৰো আত্মবিশ্লে-ষণ কৰি আগবাঢ়ি যোৱাটো প্ৰয়োজন। কংগ্ৰেছে কৰা ভুলবোৰৰ বিজেপিয়ে সুযোগ লৈছে। তথাপি! "মন্দৰে ভাল" বুলি যদি দলটোৱে কথাবোৰ ভাৱে সেয়ে বহুত।

এইখিনিতে বিৰোধী দল বোৰে মনত ৰখা ভাল— বিজেপি য'ত ক্ষমতালৈ আহে তাত বহু দীঘলীয়া দিনৰ বাবে আহে। গুজৰাট, গোৱা, মধ্যপ্ৰদেশ, আদি এনে যথেষ্ট উদাহৰণ আছে। য'ত বিজেপি নিজে ক্ষমতালৈ অহাটো সম্ভৱ নহয় বুলি দলটোৱে জানে তাত সহযোগীক আগবঢ়াই দি হ'লেও ক্ষমতাত থাকে। মেঘালয়, নাগালেণ্ড এইবোৰ উদাহৰণ।

তদুপৰি, বিজেপি ক্ষমতাধিষ্ঠিত হোৱাৰ পিছত যিকোনো সিদ্ধান্ত এটা কাৰ্যকৰী কৰণৰ বাবে সুচতুৰ পৰিকল্পনাৰে অনুকূল পৰিৱেশ নিৰ্মাণ কৰি লয়। যিটো আন আন দলে কল্পনাই কৰিব নোৱাৰে। কোনো উমঘাম নোহোৱাকৈ CAA বলবৎ কৰাটো তেনেধৰণৰ একমাত্ৰ উদাহৰণ নহয়। এনে বহু উদাহৰণ আছে বিজেপিৰ। বিজেপিয়ে সিদ্ধান্ত বোৰ সাধাৰণতে এনেকৈয়ে কাৰ্যকৰী কৰে।

# ভাৰতীয় বোলছৱিত জলবায়ু পৰিৱৰ্তনৰ চিত্ৰণ

ৰঞ্জু শৰ্মা

জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ বৰ্তমান সময়ৰ জলন্ত সমস্যাসমূহৰ ভিতৰত অন্যতম। সমগ্ৰ পৃথিৱীয়েই ইয়াৰ প্ৰতিক্ৰিয়া ভোগ কৰিবলগীয়া হৈছে। আমাৰ ভাৰতবৰ্ষৰো নগৰ চহৰ প্ৰায় সকলো অঞ্চলতেই এই পৰিৱৰ্তনৰ বিৰূপ প্ৰতিক্ৰিয়া ইতিমধ্যেই আৰম্ভ হৈছে। পৰিৱৰ্তনৰ এই প্ৰভাৱ লাহে লাহে প্ৰাণীজগতৰ স্বাস্থ্যৰ উপৰিও সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, আদি সকলো দিশতে বিয়পি পৰিব যদিও চিন্তনীয়ভাৱে সমাজৰ অধিকসংখ্যক লোকেই হয়তো এই বিষয়ত এতিয়াও অবিদিত অথবা উদাসীন। হয়তো জনসাধাৰণৰ মাজত এতিয়াও পৰ্যাপ্ত প্ৰসাৰতাৰ অভাৱো এক কাৰণ হব পাৰে।

দেশ, সমাজ আৰু ভাষা নিৰ্বিশেষে জনমানসত যিকোনো বিষয়ৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ বোলছবিৰ ভূমিকা লেখত লবলগীয়া। গল্প কথন, মনোৰঞ্জন অথবা শিক্ষা এই সকলোবোৰ ক্ষেত্ৰতে ভাৰতীয় চিনেমা বহু পুৰণি কালৰ পৰাই এক শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈ আহিছে। সবাক বোলছৱি সমূহে বহল দৰ্শকৰ মাজলৈ যোৱাৰ ক্ষমতা ৰাখে, মানুহৰ আৱেগক উদ্বেলিত কৰিব পাৰে আৰু মানুহৰ মাজত ধনাত্মক প্ৰতিক্ৰিয়াৰ জন্ম দিব পাৰে যাৰ ফলত ই পৰিৱেশ সংক্ৰান্তীয় বিষয়সমূহৰ প্ৰতিও সজাগতা বৃদ্ধিৰ এক ফলপ্ৰসূ আহিলা হৈ পৰে। বলিউদী ছবিসমূহ যদিও মুলত বিনোদনদৰ্মী শেহতীয়াকৈ কিছু পৰিচালকক জলবায়ু পৰিৱৰ্তন, পৰিৱেশ প্ৰদূষণ, অবনানিকৰণ, অপৰিকল্পিত নগৰ বিস্তাৰণ ইত্যাদিয়ে সৃষ্টি কৰা জলন্ত সমস্যা সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি বোলছৱিৰ জৰিয়তে নাগৰিকৰ মাজত সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা দেখা গৈছে।

দিল্লী মহানগৰীৰ এটি উপপথত এখন পানীৰ টেংকাৰ আৰু তাক আগুচি ধৰি এজুম মানুহ। ( পানীৰ টেংকাৰখনৰ উখহা পেটটোত চাৰিওফালৰ পৰা কেইবাডালো পাইপ সোমাই থোৱা হৈছে। দিনটোৰ বাবে অন্তত এবাল্টি পানীৰ প্ৰয়োজন সকলোৰে ! হঠাৎ চালকে ঘোষনা কৰে পানী শেষ! লগে লগে জুমটোৰ খালী হৈ থকা বাল্টিৰ মালিকসকলৰ মানুহখিনিৰ মাজত চৰম উৎকন্ঠা, চিঞৰ -বাখৰ, গালি-গালাজ আৰম্ভ হয়। সমগ্ৰ পৰিৱেশটো লাহে লাহে কোৰ্হালত পৰিণত হব ধৰে। 'পানী শেষ'..কিয়? কেনেকৈ? সিহঁতে টেংকাৰ চালকৰ পৰা ইয়াৰ সঠিক উত্তৰ দাবী কৰে আৰু ঠিক তেতিবাই সুযোগ বুজি টেংকাৰখনে তাৰ পৰা পলায়ন কৰে। উৎকন্ঠিত মানুহবোৰ, খালী বাল্টিবোৰ, অসন্তুষ্ট আত্মাবোৰৰ পিয়াহ মাথো ৰৈ যায়।..

২০২৩ চনত মুক্তিপ্ৰাপ্ত হিন্দী বোলছৱি ' ফুৰকে ৩' ৰ এক দৃশ্য এইয়া। এক সাক্ষাতকাৰত পৰিচালক মৃগদীপ সিং লাম্বাই কয় যে দিল্লীৰ জনসাধাৰণে খোৱা পানীৰ অভাৱত সততে ভোগ কৰিবলগীয়া হোৱা পৰিস্থিতিক উপস্থাপন কৰাই আছিল এই দৃশ্যটোৰ মূল উদ্দেশ্য।

ৰাজস্থানী লোককথাৰ আধাৰত নিৰ্মিত সঞ্জয় মিশ্ৰৰ আভিনীত ৰূপকধৰ্মী চুটিছৱি ' টাৰটল'ত দেখুওৱা হয় মৰু অঞ্চলত পানীৰ আকালে বিধস্ত কৰা এখন গাওঁ। পানীৰ বাবে হাহাকাৰ কৰিব লগীয়া হোৱা গাওঁবাসীয়ে উচ্চ দৰত পানী কিনিবলগীয়া হয়। 'ৰামাকান্ত' ওৰফে 'দাদা'ই পানী কিনিবলৈ আস্বীকাৰ কৰি নিজ বাসগৃহৰ চোতালত কুঁৱা খান্দি নিজৰ লগতে গাওঁবাসীৰ বাবেও পানীৰ ব্যৱস্থা কৰিবলৈ কৰা যতন, এই প্ৰচেষ্টাত তেওঁ সন্মূখীন হবলগীয়া হোৱা লাঞ্চনা ..ইত্যাদিক লৈয়েই 'টাৰটল'ৰ সমগ্ৰ কাহিনীভাগ বৰ্ণনা কৰা হৈছে। পৰিবেশ সন্ক্ৰান্তীয় বিষয়ক প্ৰাধান্য দি কাহিনী প্ৰস্তুত কৰা বোলছৱিৰ উদাহৰণ আৰু বহু আছে। জনপ্ৰিয় বোলছৱি লগান(২০০২), জল(২০১৪), কৌন কিটনা পানী মে(২০১৫), ৰেল ডান আৱা(২০১০) আদি বোলছৱি সমূহো ব্যৱহাৰযোগ্য পানীৰ দ্ৰুত খ্যয় আৰু ইয়াৰ বিৰূপ প্ৰভাৱৰ ওপৰত ভিত্তি কৰি নিৰ্মান কৰা হৈছে।



মুখ্য ভূমিকাত পুৰব কোহলী আৰু তনিস্থা চেটাৰ্জী আভিনীত 'জল' বোলছৱিখনৰ পটভূমি ৰাজস্থানৰ কচ্ছ অঞ্চল। কাহিনীত দেখুওৱা হয় কেনেদৰে পানীক কেন্দ্ৰ কৰি দুখন গাৱঁৰ মাজত ৰক্তাক্ত সংঘৰ্ষৰ সূচনা হয়, জলদেৱতা 'ৰাক্কা'ই কেনেদৰে মৰুভূমিৰ মাজত পানীৰ সম্ভাৱনাক চিহ্নিত কৰি কুৱাঁ খন্দাৰ অসফল প্ৰচেষ্টা চলাই আৰু এই প্ৰক্ৰিয়াত কেনেদৰে তেওঁ বিভিন্ন সংঘৰ্ষৰ সন্মুখীন হয়। গিৰিশ মালিক ৰ এই বোলছৱিত পানীৰ লগতে আনুষংগিক আন কেইবাটাও সমস্যাৰ উল্লেখ আছে যেনে খৰাঙ পৰিৱেশৰ বাবে পৰিভ্ৰমী ফ্লেমিংগ' পখীৰ মৃত্যু, কিছুমান জটিল আৰু অসহনীয় সামাজিক ৰীতি-নীতি তথা মানৱীয় সম্পৰ্ক ইত্যাদি।

ঠিক তেনেদৰে 'কড়বী হাৱা' নামৰ বোলছৱিখনতো দেখুওৱা হয় কেনেদৰে খেতিয়কসকলে খৰা ঙ আৱস্থা জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুজ দিবলগীয়া হয়। এই বোলছৱিসমূহে পৰিৱেশ পৰিৱৰ্তনে বিশেষভাৱে খতিগ্ৰস্ত কৰা ভাৰতবৰ্ষৰ অঞ্চল সমূহৰ প্ৰকৃত ছৱি ডাঙি ধৰি জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিবলৈ সখম হৈছে।

২০১৮ ত মুক্তিপ্ৰাপ্ত 'কেডাৰনাথ' নামৰ বোলছৱিখনত সুন্দৰ প্ৰেম কাহিনী এটাৰ মাজেৰে ২০১৩ চনৰ উত্তৰাখণ্ডৰ ভয়ংকৰ বানে সৃষ্টি কৰা ধংসলীলাৰ বিৱৰণেই দেখুওৱা হয়। তেনেদৰে আন এক একচন ধৰ্মী বোলছৱি 'লাকাড়বাগা'ৰ মূল কাহিনী গঢ়ি উঠে বে-আইনী ভাৱে সৰবৰাহ কৰা হায়েনা এটিক উদ্ধাৰ কৰা আৰু ইয়াৰ সৈতে জড়িত হৈ থকা নানান ধৰণৰ ঘাত-প্ৰতিঘাতক কেন্দ্ৰ কৰি। বিদ্যা বালান অভিনীত 'শ্বেৰনী' ও সংৰক্ষিত বনাঞ্চলৰ কিছুমান ভিতৰুৱা সমস্যা, অৰণবাসীৰ জীৱনৰ প্ৰত্যাহবান, চোৰাং চিকাৰীৰ উপদ্ৰপ আৰু বাঘ মানুহৰ সংঘাত ইত্যাদি সমস্যাসমূহক চিত্ৰিত কৰা হয়।

জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ আৰু ইয়াৰ প্ৰতিকাৰৰ বিষয়সমূহ শেহতীয়াভাৱে ৰাষ্ট্ৰীয় আৰু আন্ত:ৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ গুৰুত্ব লাভ কৰিছে যদিও ভাৰতীয় চিনেমা জগতত বহু পুৰণি কালৰ পৰাই প্ৰকৃতি, পৰিৱেশ আৰু জলবায়ু সংক্ৰান্তীয় কাহিনীক সামাজিক দৃষ্টিকোণৰ পৰা উপস্থাপন কৰি অহা হৈছে। 'মাদাৰ ইন্দিয়া', 'পাথেৰ পাচালী' আৰু ১৯৭১ চনত মুক্তি পোৱা 'হাথী মেৰে চাথী'ৰ দৰে বোলছৱিসমূহ মানুহৰ মাজত যথেষ্ট জনপ্ৰিয়তা লাভ কৰাৰ লগতে বাণিজ্যিকভাৱেও হিট ছবি হিচাপে বিবেচিত হৈছিল।

বোলছৱিসমূহে বহু সময়ত অনুঘটকৰ কাম কৰিব পাৰে, জনমত গঠন কৰিব পাৰে, জনসাধাৰণৰ আচৰণক নিয়ন্ত্ৰণ কৰিব পাৰে। পৰিৱেশৰ বিষয়বস্তু আৰু বাৰ্তা কাহিনীত অন্তৰ্ভুক্ত কৰি দৰ্শকক বহনক্ষম পদ্ধতিক আকোৱালি লবলৈ আৰু পৰিৱৰ্তনৰ প্ৰতি সচেতন হবলৈ শিক্ষইত আৰু অনুপ্ৰাণিত কৰিব পাৰে। চলচ্চিত্ৰ গৱেষণা বিশেষজ্ঞ সকলে আশা কৰিছে যে পৰিৱেশ আৰু জলবায়ুৰ অধিক বিষয় মূলসুঁতিৰ আলোচনালৈ অহাৰ লগে লগে মনোৰঞ্জনৰ চলেৰে উচিত বাৰ্তা প্ৰেৰণ কৰা বোলছৱিৰ এই ধাৰাটোৰো প্ৰসাৰ ঘটিব।

## মেধাসম্পন্ন উচ্চশিক্ষিত

তুংগত। আজিৰ এই প্ৰতিযোগিতাময় যুগত সমাজৰ কোনো সামাজিক গোট বিশেষৰ মাজত কোনো ল'ৰা-ছোৱালী অথবা শিক্ষাসদী যুৱক-যুৱতীয়ে বিনা শিক্ষাই কাল যাপন কৰিব খোজা নাই। আমাৰ সমাজৰ আজি প্ৰতিজন বা প্ৰতিগৰাকী পুৰুষ-মহিলাই শিক্ষা সচেতন। নিজৰ জীৱনৰ বঞ্চিত সপোন বাস্তৱায়িত কৰিব নোৱাৰা বাবে অথবা আশানুপাতে কিবা এটা কৰিব নোৱাৰাৰ হেতুকেই প্ৰত্যেকেই নিজৰ সতি-সন্ততিবোৰৰ জৰিয়তেই সফলতাৰ মুখ চাবলৈ স্বভাৱতেই ইচ্ছা কৰে। কিন্তু বহু কষ্ট, অধ্যাৱসায় কৰি অৰ্থ ব্যয় কৰাৰ পাছতো যেতিয়া স্বৰূপাৰ্থত একোখনি যোগাত্মক ছবি প্ৰত্যক্ষ কৰাত ব্যৰ্থপ্ৰায় হয়, তেতিয়াই অভিভাৱকসকল হতাশা-নিৰাশাত ভাগি পৰে আৰু একেদৰে উচ্চশিক্ষিত যুৱক-যুৱতীসকলো প্ৰায় ম্লান পৰি যাবলৈ ধৰে।

উচ্চ শিক্ষাপ্ৰাপ্ত প্ৰতিজন যুৱক-যুৱতীয়ে চৰকাৰ কৰ্তৃপক্ষৰ বিভিন্ন বিভাগত নিজ নিজ অৰ্হতানুযায়ী একোটা চাকৰিত সংস্থাপিত হৈ জীৱন নিৰ্ণায়কৰ ভূমিকা ল'বলৈ একান্তই মন থাকে, আশা থাকে। অতি যতনেৰে পঢ়া-শুনা কৰাৰ পাছতো যদি আশা-বাঞ্ছা পূৰণ কৰিবলৈ একোডোখৰ ক্ষেত্ৰ পোৱাৰ পৰা বঞ্চিত হয়, তেতিয়া জীৱনৰ প্ৰতি মোহ মাদকতা হেৰুওৱাতো স্বাভাৱিক। আমাৰ কথা, জনসাধাৰণৰ উচ্চশিক্ষিত যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ দিহা কৰি দিয়াটো একান্তই আমাৰ দেশৰ বা ৰাজ্য একোখনৰ চৰকাৰ অথবা বিধায়িনী দলৰ নৈতিক চেতনা, কৰ্তব্য আৰু দায়িত্ব। অৱশ্যে এটা কথা ঠিক যে আমাৰ সমাজত যিমানজনে উচ্চ শিক্ষাপ্ৰাপ্ত হৈ চাকৰি প্ৰাৰ্থী হয়, সেই সকলোবোৰকে একে সময়তে নিযুক্তি দিব নিশ্চয়কৈ নোৱাৰে। সম্প্ৰতি সকলো দিশতে এতিয়া প্ৰতিযোগিতা অতি ক্ষিপ্ৰতৰ। এনে ক্ষেত্ৰত আজিৰ বিভিন্ন দিশৰ শিক্ষাপ্ৰাপ্ত লোকসকলৰ মানসিকতা অতি বহল আৰু ব্যাপকতৰ হ'ব লাগিব। প্ৰত্যেকৰে মানসিকতা এনেহে হ'ব লাগিব যে তেওঁলোক যিকোনো দিশতে 'টপাৰ' হ'ব পাৰিবই লাগিব। সৰ্বভাৰতীয় পৰিসৰত চাকৰি ল'ব পৰাকৈ পাৰ্গতালি প্ৰদৰ্শন কৰিব পাৰিব লাগিব, মাথোঁন নিজ ৰাজ্যখনৰ আওতাৰ কথাকে ভাৱি থাকিলে নিশ্চয় নহব।

আজিৰ তাৰিখত চাকৰি নিযুক্তিৰ কথাবোৰ নীৰৱে ভাবিলে বা সূক্ষ্মভাৱে চিন্তা কৰিলে বৰ দুঃখ লাগে। নীতিগতভাৱে চাকৰি পোৱাৰ সুযোগ বা সুবিধা থাকিলেও ইয়াৰ মাজত অতি বেছি দুৰ্নীতি আৰু দুষ্কৃতিৰ জাজৰিৰ পাকচক্ৰত পৰি বহু যোগাত্মকতাৰ বিপৰীত প্ৰতিক্ৰিয়া হোৱাৰ সম্ভাৱনাহে প্ৰকট হৈ পৰা দেখা পোৱা যায়। ৰাজনীতিৰ দুষ্টচক্ৰ, স্বজন প্ৰীতি তথা অন্যায়-অনীতিৰ জালত বন্দী হৈও বহু শিক্ষিত যুৱক-যুৱতীয়ে চাকৰি লাভৰ পৰা বঞ্চিতপ্ৰায় হব লগা হয়।

চৰকাৰী চাকৰি পোৱাৰ বেলিকা আজি সমাজে প্ৰত্যক্ষ কৰিবলৈ পাইছে যে প্ৰতিযোগিতাৰ দৌৰত উত্তীৰ্ণ হোৱাৰ পাছতো সঁচা কথা ক'বলৈ গ'লে বহু বহু ধন-বিতৰ একোখন বেহা আৰু দৰ-দামৰ মাপকাঠিৰে জোখ-মাখ চলি থকাৰ বাবে বহু মেধা-গুণী তথা প্ৰতিভাৱান যুৱক-যুৱতী এই ক্ষেত্ৰত হাৰি যায়, অকৃতকাৰ্যতাৰ পাকচক্ৰত পৰিব লগা অৱস্থাপ্ৰাপ্ত হয়। চৰকাৰৰ সিদ্ধান্তবোৰ, চিন্তা-ভাৱনাবোৰ চাওকচোন - চৰকাৰী কৰ্মচাৰীসকলে তিনিকুৰিটা বছৰ নিয়মীয়াকৈ চাকৰি কৰাৰ পাছত চৰকাৰী বিধি আৰু নীতিমতে অৱসৰ লয়, পেঞ্চন পায় আৰু সময়ে সময়ে কৰ্মৰত চাকৰিয়াল সকলৰ নিচিনাকৈয়ে মৰগীয়া বানচসহ একো একোটা মোটা পৰিমাণৰ দৰমহা পায়। তৎসত্বেও আমি সংবাদ মাধ্যম বা সামাজিক মাধ্যমৰ দ্বাৰা জানিবলৈ পাওঁ যে চৰকাৰে হেনো উঠি অহা অৰ্হতাসম্পন্ন যুৱক-যুৱতীসকলৰ বিপৰীতে অৱসৰপ্ৰাপ্ত একোচামকহে পুনৰ মকৰল দিয়াৰ কথা গুণা-গুঠা কৰে। গুণা কথাবোৰ যদিহে সঁচা হয়, তেনেহলে এয়া চৰকাৰে নিবনুৱা উচ্চশিক্ষিত যুৱক-যুৱতীসকলৰ প্ৰতি যথাৰ্থতেই বৰ অন্যায় কৰা হ'ব। এইক্ষেত্ৰত আমি পোনপটীয়াকৈ মন্ত্ৰী-সাংসদ আৰু বিধায়কসকলকেই জগৰীয়া কৰিলে নহয়। এখেতসকলৰ চল-চাতুৰি তথা সিদ্ধান্তমৰ্মেহে চৰকাৰখনে কেবিনেট বৈঠক আহ্বান কৰি কিছুমান চিন্তা-পৰিকল্পনা যুগুত কৰি ৰূপায়ণৰ ব্যৱস্থা কৰে। জনসমাজৰ মাজত তীব্ৰ সমালোচনা আৰু আলোচনা-বিলোচনা হোৱাৰ পাছত কিছু কিছু আঁচনি-পৰিকল্পনাদি বাতিলো কৰা হয়।

সৰ্বোপৰি আমি ভাবোঁ যে চৰকাৰ যিহেতু জনসাধাৰণৰ মঙ্গলামঙ্গলৰ ক্ষেত্ৰত হৰ্তাকৰ্তা আৰু বিধাতা, গতিকে চৰকাৰে উচ্চশিক্ষিত যুৱক-যুৱতীসকলক চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা নিতান্তই বাঞ্ছনীয়।

## সন্দেহজনক নাগৰিকৰ

অভিযান'ৰ নামত কিছুমান দল-সংগঠনে সন্দেহজনক বুলি অভিযোগ কৰা লোকসকলক লক্ষ্য কৰি কাৰ্যকলাপ চলাইছে। কিন্তু এই অভিযানৰ বিৰুদ্ধে ৰাজনৈতিক আৰু অৰাজনৈতিক সংগঠনৰ একাংশই তীব্ৰ প্ৰতিবাদ জনাইছে, যাৰ ফলত জিলাখনত উত্তেজনা বৃদ্ধি পাইছে। ধৰ্মৰ ভিত্তিত এনে কাৰ্যকলাপৰ বিৰোধিতা কৰি কেইবাটাও সংগঠনে এই কাৰ্যক অগ্ৰহণযোগ্য বুলি মন্তব্য কৰিছে। এই পৰিস্থিতিৰ মাজতে চৰাইদেউৰ সোণাৰিত এটা গুৰুতৰ ঘটনাই ৰাজ্যজুৰি চৰ্চাৰ সৃষ্টি কৰিছে। বুধবাৰে চৰাইদেউৰ সোণাৰি নগৰত সন্দেহজনক বুলি অভিযোগ কৰা এটা পৰিয়ালৰ সদস্যই টাই আহোম যুৱ পৰিষদ (টাইপা)ৰ সদস্যৰ ওপৰত দা লৈ আক্ৰমণৰ চেষ্টা কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাৰ পিছত বৃহস্পতিবাৰে সোণাৰিৰ ৪ নং ৱাৰ্ডৰ হাজী হবিবুৰ ৰহমান পথত শ শ খিলঞ্জীয়া লোকৰ উপস্থিতিত জাতীয় আৰু জনগোষ্ঠীয় সংগঠনসমূহে এক প্ৰতিবাদী সভাৰ আয়োজন কৰে। জানিব পৰা মতে, টাইপাৰ সদস্যসকলে মাটি ক্ৰয়-বিক্ৰয়ৰ বিষয়ে তথ্য সংগ্ৰহ কৰিবলৈ গৈছিল যেতিয়া সন্দেহজনক পৰিয়ালৰ পুৰুষ আৰু মহিলা সদস্যই দা আৰু লাঠী লৈ তেওঁলোকক খেদি আহে। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ পিছত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ প্ৰতিবাদত বৃহস্পতিবাৰে সোণাৰি মহাবিদ্যালয়ৰ সন্মুখত টাই আহোম যুৱ পৰিষদৰ নেতৃত্বত এক বিশাল প্ৰতিবাদী সভা অনুষ্ঠিত হয়। এই সভাত টাইপাৰ কেন্দ্ৰীয় সভাপতি দিগন্ত তামুলীৰ লগতে সদৌ অসম গৰিয়া পৰিষদ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, আটছা, গোৰ্খা ছাত্ৰ সন্থা আদি সংগঠনৰ বিভিন্ন জিলাৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। সভাত অংশগ্ৰহণকাৰীসকলে সন্দেহজনক ব্যক্তিসকলক ৪৮ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰৰ দাবী জনায়। ইয়াৰ উপৰিও, তেওঁলোকে সন্দেহজনক বুলি অভিযোগ কৰা লোকসকলক দুদিনৰ ভিতৰত চৰাইদেউ ত্যাগ কৰিবলৈ আহ্বান জনায়। প্ৰতিবাদী সভাৰ পিছত জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ সদস্যসকলে সোণাৰি থানা ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ প্ৰকাশ কৰে। টাইপাৰ সভাপতি দিগন্ত তামুলীয়ে কয়, "চৰাইদেউ খিলঞ্জীয়াৰ প্ৰাণকেন্দ্ৰ। এই ঠাইত সন্দেহজনক লোকে খিলঞ্জীয়া মহিলাৰ মাটি কাঢ়ি লোৱাৰ চেষ্টা কৰিছে। আমাৰ সদস্যসকলে এই বিষয়ে তথ্য সংগ্ৰহ কৰিবলৈ গৈছিল, কিন্তু তেওঁলোকৰ ওপৰত দা আৰু লাঠী লৈ আক্ৰমণৰ চেষ্টা কৰা হৈছে। এই ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক। আমি সোণাৰি থানাত এজাহাৰ দাখিল কৰিছো আৰু দোষীসকলক ৪৮ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰৰ দাবী জনাইছো। যদি এই দাবী পূৰণ নহয়, তেন্তে আগন্তুক ৯ তাৰিখৰ পৰা ১০০ ঘণ্টাৰ বাবে চৰাইদেউ জিলা বন্ধৰ ঘোষণা কৰা হ'ব।" এই ঘটনাই চৰাইদেউ জিলাত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। স্থানীয় লোকৰ মাজতো এই বিষয়ে ব্যাপক চৰ্চা চলি আছে। জাতীয় আৰু জনগোষ্ঠীয় সংগঠনসমূহে এই ঘটনাক খিলঞ্জীয়া সম্প্ৰদায়ৰ ওপৰত আক্ৰমণ বুলি বিবেচনা কৰি কঠোৰ ব্যৱস্থাৰ দাবী জনাইছে। একে সময়তে, কিছুমান সংগঠনে ধৰ্মৰ ভিত্তিত এনে কাৰ্যকলাপৰ বিৰোধিতা কৰি শান্তিৰ আহ্বান জনাইছে। এই পৰিস্থিতিয়ে ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিক আৰু জটিল কৰি তুলিছে।

### চুৰি গৰু কছাই খানাত কটাৰ অভিযোগ

## লাহৰীঘাটত গৰু চোৰৰ সন্ত্ৰাস, সঘনাই চুৰি হৈছে গৃহস্থৰ গৰু

**অসম বাৰ্তা, লাহৰীঘাট ৭ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমজিলাৰ অধিনস্থৰ বিভিন্ন অঞ্চলত সঘনাই গৰু চুৰি কাণ্ড সংঘটিত হৈ আহিছে। বুধবাৰে নিশা লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত টেঙাগুৰি কছাৰীগাঁৱৰ হাসমত আলী নামৰ এজন লোকৰ গৃহস্থৰ গোহালীৰ পৰা সৰু সৰু দুটা পোৱালি থৈ চোৰে লৈ যায় দুজনী গাইগৰু। অঞ্চলটোত প্ৰায়েই গৰু চুৰি কাণ্ড সংঘটিত হৈ আহিছে যদিও চুৰি কাৰ্য নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ লাহৰীঘাট স্মাৰ্ট আৰক্ষী। চুৰি গৰু কছাই থানাত কটাৰ অভিযোগ ভূক্তভোগী গৃহস্থৰ। উল্লেখ্য যে, ৰাজ্য চৰকাৰে গো-হত্যা সম্পূৰ্ণৰূপে বন্ধ কৰাৰ সময়ত লাহৰীঘাট অঞ্চলত একাংশ কছায়ে প্ৰতি দিনেই কাটিছে গৰু।চৰকাৰী নীতি নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি নিশা ২ বজাৰ পৰা ৩ বজাত ভিতৰত গৰু কাটি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে একাংশ কছায়ে। এতিয়া প্ৰশ্ন হয়, নিশা ২ বজাত কি গৰু কাটে কছায়ে? হয়তো চুৰি গৰু কম দামত কিনি অধিক মুনাফাৰ ব্যৱসায় চলাইছে কছায়ে।লাহৰীঘাটত কাৰ ছত্ৰছায়াত কছাই সকলে চলাইছে অবৈধ গো-মাংসৰ ৰমৰমীয়া ব্যৱসায়। লাহৰীঘাট আৰক্ষীয়ে নাকী লগাব পাৰিবনে এই কছাই সকলক! সেয়া সময়তহে হ'ব লক্ষণীয়।







## চেঙাত পকী পথ নিৰ্মাণৰ নামত দুৰ্নীতিৰ অভিযোগ ঠিকাদাৰৰ বিৰুদ্ধে

# পকী পথ নিৰ্মাণত কনিষ্ঠ অভিযন্তা ছত্ৰছায়াত লুণ্ঠনৰাজ



**অসম বাৰ্তা, শিমলীতোলা, ৭ আগষ্ট ঃ** বৰপেটা জিলাৰ পূৰ্বৰ বাঘবৰ সমষ্টি আৰু বৰ্তমানৰ চেঙা সমষ্টিৰ এলেকাধীন বিভিন্ন প্ৰান্তত পকী পথ নিৰ্মাণৰ নামত ঠিকাদাৰ আৰু নিৰ্মাণ প্ৰতিষ্ঠানসমূহে ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত কৰাৰ পিছতো লোক নিৰ্মাণ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিৱৰ্তে এনে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰক সহযোগ কৰাৰ বাবেই সম্প্ৰতি প্ৰতিটো এনে পকী পথ বিধ্বস্ত হৈ পৰিছে। সাধাৰণতে চৰাঞ্চলত বৰপেটা জিলা লোক নিৰ্মাণ বিভাগৰ কোনো উচ্চ পৰ্যায়ৰ বিষয়া পৰ্যৱেক্ষণ কৰিবলৈ নাহাৰ ফলত প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ আশীৰ্বাদ পুষ্ট কনিষ্ঠ অভিযন্তা তাজ উদ্দিন আহমেদে দীৰ্ঘদিন ধৰি বৰপেটাত কৰ্মৰত হৈ থকাৰ ফলত উঠি ৰজা বহি ৰজাত পৰিণত হৈ কাৰো কোনো অভিযোগ বা অনুৰোধক ভ্ৰুক্ষেপ নকৰাকৈ নিজ ইচ্ছাৰে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰসকলৰে মিলি এনে দুৰ্নীতি অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী ৰাইজে। শেহতীয়াকৈ নিৰ্মাণ হৈ থকা কালাইৰদিয়াৰ পৰা মাজৰচৰ হৈ বাঘমাৰাচৰলৈ যোৱা এ এছ-০১-৫২৪ নং পেকেজৰ অধীনত ১৩.৪৮ কোটি টকীয়া প্ৰায় ১০.৬৮ কিল'মিটাৰ পকী পথটোৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰে আৰ বি এছ'চিয়েটে। অভিযোগ অনুসৰি, পকী পথটো নিৰ্মাণত আৰম্ভণীৰে পৰা কামৰ নিবিদা লাভ কৰা ঠিকাদাৰে পথ নিৰ্মাণৰ সময়ছোৱাত নিম্নমানৰ ৰাউণ্ড পাথৰ, ৫০ শতাংশতকৈ অধিক বালি মিহলোৱা চেণ্ট গ্ৰেভেল, ছাইডবামত পৰ্যাপ্ত মাটি নিদিয়া, চেণ্টগ্ৰেভেল পাথৰ কম্পেকশনৰ আগতেই চাফা নকৰাকৈ কাৰ্পেটিং কৰা, বিটুমিনত ৫০ শতাংশতকৈ অধিক পানী মিহলোৱা ইত্যাদি নিম্নমানৰ সামগ্ৰীৰে কাম কৰি ব্যাপক হাৰত দুৰ্নীতি অনিয়ম সংঘটিত কৰি আঁচনিৰ ধন লুটিপুতি খোৱাৰ অঘোষিত প্ৰতিযোগিতা অব্যাহত ৰাখিছে ঠিকাদাৰ ৰিয়াজ আহমেদে। সীমাহীন দুৰ্নীতি সংঘটিত কৰাৰ পাছতো কামটো বিভাগীয়ভাৱে চোৱাচিতাৰ দায়িত্বত থকা কনিষ্ঠ অভিযন্তা তাজ উদ্দিন আহমেদে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে ৰাইজে। ৰাইজে অভিযোগ দিয়াৰ পিছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰলৈ প্ৰশ্ন উঠিছে, ঠিকাদাৰ ৰিয়াজ আহমেদৰ লোক নিৰ্মাণ বিভাগৰ একাংশ অসাধু বিষয়াৰ ছত্ৰছায়াত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ১৩.৪৮ কোটি টকীয়া পকী পথ নিৰ্মাণত এনেদৰে সীমাহীন দুৰ্নীতি-অনিয়মত লিপ্ত হোৱা বুলি অভিযোগ উত্থাপন কৰাৰ লগতে অসন্তুষ্টি ব্যক্ত কৰিছে স্থানীয় লোকে। একাংশ লোকে অভিযোগ কৰা মতে, চৰকাৰী নিয়ম-নীতিক অংগুষ্ঠ দেখুৱাই সুদীৰ্ঘদিন বৰপেটা লোক নিৰ্মাণ বিভাগত চাকৰি কৰা অভিযন্তা তাজ উদ্দিন আহমেদৰ ছত্ৰছায়াতে পূৰ্বৰ বাঘবৰ তথা বৰ্তমানৰ চেঙা সমষ্টিত পকী পথ-দলং নিৰ্মাণত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ পাছতো তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে কাৰ্যবাহী অভিযন্তাৰ বিৰুদ্ধে। শীঘ্ৰে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ ৰিয়াজ আহমেদৰ লগতে সহকাৰী অভিযন্তা তাজ উদ্দিন আহমেদৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ লোক নিৰ্মাণ বিভাগৰ উৰ্ধতম কৰ্তৃপক্ষৰ লগতে বিভাগীয় মন্ত্ৰীক দাবী জনাইছে ৰাইজে।

## ডুমডুমাত মন্ত্ৰী ৰূপেশ গোৱালাই শুভাৰম্ভ কৰিলে 'নিযুত মইনা ২.০'

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৭ আগষ্ট ঃ** অসমৰ প্ৰতিগৰাকী কন্যাৰ প্ৰতি মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন আমাৰ চৰকাৰখন সদায়ে দায়বদ্ধ। কন্যা সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত আমি আটাইতকৈ বেছি গুৰুত্ব প্ৰদান কৰিছোঁ। বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। আৰু সেইবাবে আজি নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ আজি গুৱাহাটী বিশ্ববিদ্যালয়ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিক ভাবে মুকলি কৰে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ডুমডুমা মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অসমৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকি এই আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত প্ৰপত্ৰ বিতৰণ কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী গোৱালাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত গ্ৰহণ কৰা এই আঁচনিয়ে ৰাজ্যখনৰ ছাত্ৰীসকলৰ সপোনক বাস্তৱ ৰূপ দিয়াত বিশেষভাৱে অৰিহণা যোগাইছে বুলি কয়। এই আঁচনিৰ সুফল লাভেৰে সকলো ছাত্ৰী সুশিক্ষাৰে শিক্ষিত হওক, সমাজত প্ৰতিষ্ঠিত হওক, সুনাগৰিক হওক, তাৰ বাবে তেওঁ সকলোকে আন্তৰিক শুভকামনা জনায়। এই অনুষ্ঠানত ডুমডুমা সম-জিলাৰ আয়ুক্ত নুজহাং নাছৰিন, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতা, ডুমডুমা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্ত প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত 'নিযুত মইনা ২.০' আঁচনিৰ শুভাৰম্ভনিৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰি দেখুওৱা হয়।

## যোৰহাটত বক্তৃতা, গীতা শ্লোক আবৃত্তি প্ৰতিযোগিতা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৭ আগষ্ট ঃ** যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ উদ্যোগত সংস্কৃত ভাৰতী যোৰহাট জিলাৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় সংস্কৃত দিৱস জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ত ৯ আগষ্টত পালন কৰিব। সেইদিনা পুৱা ১০ বজাৰ পৰা একাদশ-স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণৰে বক্তৃতা প্ৰতিযোগিতা, ষষ্ঠ-দশম শ্ৰেণী শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণৰে দ্বাদশ অধ্যায়ৰ ১ৰ পৰা ১০ নং শ্লোকলৈ গীতা শ্লোক আবৃত্তি প্ৰতিযোগিতা যোৰহাট জিলা ভিত্তিত অনুষ্ঠিত হ'ব। দিনৰ ১২ বজাৰ পৰা হ'বলগীয়া সংস্কৃত সমাৰোহতে প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰিব। আগ্ৰহীসকলে ৯১০১০-২০১৪৯, ৯৮৫৪৪-৬২৮৬১ নম্বৰত যোগাযোগ কৰিলে সবিশেষ জানিব পাৰিব। সংস্কৃত ভাৰতী উত্তৰ অসম প্ৰান্তৰ যোৰহাট জিলাৰ সংযোজক জয়ন্ত দাস শাস্ত্ৰী, যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ডঃ চম্পক ডেকাই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে শিক্ষাৰ্থীসকলৰ লগতে সংস্কৃত সমাৰোহত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## বহৰিত বিজেপি নেতাৰ ঘৰত চুৰিকাণ্ড

# তাৰাবাৰী আৰক্ষীৰ সফলতা ৭২ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰ দুৰ্ধৰ্ষ চোৰ




**অসম বাৰ্তা, চেঙা, ৭ আগষ্ট ঃ** বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষীয়ে চোৰৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। কালি চোৰৰ বিৰুদ্ধে অভিযান চলাই তিনিটাকৈ গভাইত চোৰক আটক কৰে তাৰাবাৰী আৰক্ষীয়ে। উল্লেখ্য যে বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ অন্তৰ্গত বহৰিৰ ডেকা পাৰাৰ বিজেপি নেতা জিতু তালুকদাৰৰ বাসগৃহত যোৱা শুকুৰবাৰে নিশা সংঘটিত হৈছিল এক চাঞ্চল্যকৰ চুৰিকাণ্ড। চুৰিকাণ্ডটোক লৈ অঞ্চলটোৰ বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। চুৰিকাণ্ড সম্পৰ্কত জিতু তালুকদাৰৰ ভাতৃ কমল তালুকদাৰে তাৰাবাৰী থানাত দাখিল কৰিছিল এজাহাৰ। চুৰিকাণ্ডৰ সমগ্ৰ দৃশ্য বন্দী হৈছিল চিচিটিভিত। আৰক্ষীয়ে চিচিটিভিৰ ফুটেজ সংগ্ৰহ কৰি তদন্ত প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আগবঢ়াই নিছিল। তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ কৌশলগত আৰু দক্ষতাপূৰ্ণ অভিযানৰ বাবেই ৭২ ঘণ্টাৰ ভিতৰতেই তাৰাবাৰী আৰক্ষীয়ে চুৰিকাণ্ডৰ লগত জড়িত থকাৰ অভিযোগত তিনাটাকৈ চোৰক আটক কৰিবলৈ সক্ষম হয়। বিশেষ খবৰৰ ভিত্তিত কালি সন্ধিয়া প্ৰায় ৭ মান বজাত বিশেষ খবৰৰ ভিত্তিত তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত আৰক্ষীৰ এটি দলে চোৰৰ বিৰুদ্ধে অভিযান চলাই আটক কৰে তিনিটাকৈ গভাইত চোৰক। বৰপেটা জিলাৰ পালহাজীৰ পৰা মস্তাফিজুৰ ৰহমান(২৫), মোবাৰক দেৱান(২৪) আৰু মাইলকুছিৰ পৰা জাহিদুল ইছলাম(৩১)ক আটক কৰে আৰক্ষীয়ে। ধৃত মস্তাফিজুৰ ৰহমান আৰু জাহিদুল ইছলামৰ ঘৰ মাইলকুছিত আৰু মোবাৰক দেৱানৰ ঘৰ সৰ্থেবাৰীৰ ব্যাসকুছিত বুলি জানিব পৰা গৈছে। ধৃত মস্তাফিজুৰ ৰহমান আৰু মোবাৰক দেৱানে জিতু তালুকদাৰৰ বাসগৃহত নিশা প্ৰৱেশ কৰি সংঘটিত কৰিছিল চুৰিকাণ্ড। ধৃত চোৰ দুটাই মাইলকুছিৰ জাহিদুল ইছলামৰ মা জুৱেলাৰীত বিক্ৰী কৰিছিল চুৰি কৰি নিয়া সোণৰ আ-অলংকাৰ। আৰক্ষীয়ে ধৃত চোৰ দুটাৰ স্বীকাৰোক্তিৰ ভিত্তিত মাইলকুছিৰ জাহিদুল ইছলামৰ মা জুৱেলাৰীত অভিযান চলাই জুৱেলাৰীখনৰ পৰা উদ্ধাৰ কৰে চুৰি হোৱা সোণৰ আ-অলংকাৰ। চুৰি সামগ্ৰী ক্ৰয় কৰাৰ অভিযোগত জাহিদুল ইছলামকো আৰক্ষীয়ে আটক কৰিছে বুলি জানিব পৰা গৈছে। চুৰিকাণ্ড সম্পৰ্কত কমল তালুকদাৰে দাখিল কৰা এজাহাৰৰ ভিত্তিত তাৰাবাৰী থানাত ৩৫/২৫ নম্বৰত গোচৰ ৰুজু কৰিছিল আৰক্ষীয়ে। আজি ধৃত চোৰ তিনিটাক বৰপেটা আদালতত হাজিৰ কৰায় আৰক্ষীয়ে। তাৰাবাৰী আৰক্ষীৰ এই সফলতাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ লগতে তাৰাবাৰী আৰক্ষীক ধন্যবাদ জ্ঞাপন কৰে বহৰি অঞ্চলৰ সচেতন লোকসকলে।

## গৰৈমাৰীত নিযুত মইনাৰ প্ৰ-পত্ৰ বিতৰণ

**অসম বাৰ্তা, গৰৈমাৰী, ৭ আগষ্ট ঃ** বাল্য বিবাহ ৰোধ, কন্যাৰ উচ্চ শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰূপায়ণ কৰা নিযুত মইনা আঁচনিৰ দ্বিতীয় বৰ্ষৰ আবেদন-পত্ৰ আজি ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত বিতৰণ কৰা হয়। গৰৈমাৰীৰ মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কৈলাস কলিতাৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ জড়িতে ছাত্ৰী সকলোক নিযুত মইনা আঁচনিৰ প্ৰ পত্ৰ বিতৰণ কাৰ্যাসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চিৰঞ্জিত দাস, এ এল আৰ ফখৰুদ্দিন আহমেদ, মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়ক জিয়াউৰ ৰহমান, নিযুত মইনা আঁচনিৰ মুখ্য কাৰ্য পৰিযোজনা বিষয়া ভাৰ্গৱ কুমাৰ কলিতা, সমাজকৰ্মী আনিছ আহমেদ ভূঞা, ৰিতিশ কুমাৰ সাহা, শিক্ষাগুৰু ক্ৰমে আতোৱাৰ ৰহমান, অচ্যুত কুমাৰ দাস উপস্থিত থাকি ছাত্ৰীসকলোক প্ৰ পত্ৰ বিতৰণ কৰে।

## ডি চি হস্তশিল্পৰ আঁচনিৰ সন্দৰ্ভত কৰ্মশালা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৭ আগষ্ট ঃ** গুৱাহাটীৰ উন্নয়ন আয়ুক্ত হস্তশিল্প উত্তৰ পূৰ্বাঞ্চলৰ উদ্যোগত ৫ আগষ্টত গোলাঘাট জিলাৰ ৰঙাজানস্থিত হোটেল উদযাপনত ডি চি হস্তশিল্পৰ আঁচনি, জি আই আইন, ই কমাৰ্চ প্লেটফৰ্ম, জি এছ টি আৰু ৰত্ন পৰ্টেলৰ আঁচনিৰ ওপৰত দিনজোৰা কৰ্মশালাৰ আয়োজন কৰা হয়। জিলাখনৰ ৫০ জনতকৈ অধিক শিপিনীয়ে এই কৰ্মশালাত অংশ গ্ৰহণ কৰা কৰ্মশালাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন আৰু অতিথিসকলক সম্বৰ্ধনা জনোৱা হয়। আদৰণি ভাষণ প্ৰদান কৰি আঞ্চলিক সঞ্চালক (NER) এইচ কে বড়োৱে য়ে শিপিনীসকলক তেওঁলোকৰ কল্যাণমূলক দিশসমূহৰ ওপৰত ভাষণ প্ৰদান কৰে। নাবাৰ্ডৰ সহকাৰী প্ৰবন্ধক শুভম কুমাৰ ঝাই হস্তশিল্পৰ ওপৰত ভৌগোলিক সূচক আৰু জি আইৰ প্ৰয়োগৰ গুৰুত্বৰ ওপৰত ভাষণ প্ৰদান কৰে। তেওঁ হস্তনিৰ্মিত শিল্পকৰ্ম প্ৰদৰ্শন কৰি সামৰ্থতাৰ ভিত্তিত জি আই স্বীকৃতি লাভৰ বাবে উৎসাহ যোগায়। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক কম্পিউটাৰ বিজ্ঞানৰ বিভাগীয় মুৰব্বী দিবেইন্দু পালিতে বিভিন্ন ই-কমাৰ্চ প্লেটফৰ্ম, ডিজিটেল মাৰ্কেটিং এণ্ড জেম পৰ্টেলত ভাষণ দিয়ে। একাউণ্টেন্সি শিক্ষক ৰিলায়েন্স ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল অমিত নাগোৰীয়ে হস্তশিল্প, পঞ্জীয়ন প্ৰক্ৰিয়া, গণনা, সুবিধা আৰু অসুবিধা সম্পৰ্কে জি এছ টিৰ ওপৰত বক্তৃতা প্ৰদান কৰে। হস্তশিল্প প্ৰচাৰ বিষয়া দুষ্যন্ত কুমাৰে ডিচি হস্তশিল্পৰ বিভিন্ন আঁচনি আৰু ইয়াৰ সুবিধাসমূহ কেনেদৰে ল'ব পাৰি তাৰ ওপৰত বক্তব্য আগবঢ়ায়। এল ডি চি ৰিংকা চেত্ৰীয়ে শিপিনীসকলক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰিবলৈ উৎসাহ যোগায়। তেওঁ প্ৰতিগৰাকী শিপিনীকে www.indian.handicrafts.gov.inত গৈ আগন্তুক কাৰ্যসূচীৰ আপডেট চাবলৈ কয়। সভাত মুকেশ কুমাৰ, মৃণালি শইকীয়া নাথেও ভাষণ দিয়ে। ইফালে আলোচনা চক্ৰত পংকজ শৰ্মা, পংকজ বৰুৱা আৰু অংকুৰ আগৰৱাল উপস্থিত থাকে। সকলো সমল ব্যক্তিয়ে পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে নিজৰ ভাষণ প্ৰদান কৰে। কৰ্মশালাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় দুষ্যন্ত কুমাৰে।

## তামাৰহাটৰ পোকালাগীত কৃষকৰ মাজত কঠীয়া বিতৰণ

# গোলকগঞ্জ সম-জিলা আয়ুক্তই কৃষকৰ মাজত বিতৰণ কৰে কঠীয়া

**অসম বাৰ্তা, তামাৰহাট, ৭ আগষ্ট ঃ** আজি তামাৰহাটৰ পোকালাগী গাঁৱত কৃষকৰ মাজত শালি ধানৰ কঠীয়া বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। পোকালাগীত অনুষ্ঠিত হোৱা শালি ধানৰ কঠীয়া বিতৰণ অনুষ্ঠানত গোলকগঞ্জ সম-জিলা আয়ুক্ত জগদীশ ব্ৰহ্ম উপস্থিত হয়। হাতীধুৰা এফ, পি, ছি -ৰ সহযোগত গোলকগঞ্জ সম-জিলা আয়ুক্তই গাওঁখনৰ কৃষকৰ মাজত কঠীয়া বিতৰণ কৰে। অসম চৰকাৰ কৃষি বিভাগ আৰু ধুবুৰী জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৫-২৬ বৰ্ষৰ অধীনত সৰু ডাঙৰ কৃষক সকলৰ মাজত কঠীয়া বিতৰণ অনুষ্ঠান অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানত অঞ্চলটোৰ শতাধিক কৃষকৰ মাজত শালি ধানৰ কঠীয়া বিতৰণ কৰে। পৰৱৰ্তী সময়ত আৰু দুই শতাধিক কৃষকৰ মাজত কঠীয়া বিতৰণ কৰা হ'ব বুলি হাতীধুৰা এফ, পি, ছি -ৰ মুখ্য কাৰ্যবাহী বিষয়া গৰাকীয়ে জনায়। আজিৰ শালি ধানৰ কঠীয়া বিতৰণ অনুষ্ঠানত গোলকগঞ্জ সম-জিলা আয়ুক্ত জগদীশ ব্ৰহ্ম, ধুবুৰী জিলা কৃষি বিষয়া আজিম আহমেদ, মহকুমা কৃষি বিষয়া খন্দকাৰ সহিদুল আলম, গ্ৰাম সেৱক ছাইফুল ইছলাম, হাতীধুৰা এফ, পি, ছি -ৰ মুখ্য কাৰ্যবাহী বিষয়া আব্দুল বাছেদ সেখৰ লগতে কামানডাঙ্গা আৰু পোকালাগী অঞ্চলৰ কৃষক সকল উপস্থিত থাকে। উল্লেখ্য যে, ২০২৩ চনত হাতীধুৰা এফ, পি, ছি প্ৰতিষ্ঠা হয়। ইয়াৰ পিছৰে পৰা তামাৰহাট অঞ্চলৰ কৃষকৰ মাজত নানান ধৰণৰ কৃষি মূলক সজাগতা মূলক সভা অনুষ্ঠিত কৰি আহিছে হাতীধুৰা এফ পি ছি -য়ে। লগতে অঞ্চলটোৰ কৃষকৰ মাজত কৃষি মূলক নানান সামগ্ৰী বিতৰণ কৰি আহিছে হাতীধুৰা এফ পি ছি য়ে। কৃষক সকলৰৰ সুবিধাৰ্থে হাতীধুৰা এফ পি ছি য়ে কাছাৰীগাওঁ বজাৰত এখন সুলভ মূল্যৰ সাৰৰ দোকন দি কৃষকক কম দামত সাৰ, কীটনাশক দ্ৰব্য, নানান ধৰণৰ বীজ যোগান ধৰিছে।

# ডিমৌত 'নিযুত মইনা ২.০' আঁচনিৰ আবেদনৰ প্ৰ-পত্ৰ বিতৰণ

## শিক্ষাৰ লগতে বাল্য বিবাহ ৰোধত গুৰুত্বপূৰ্ণ পদক্ষেপ

**অসম বাৰ্তা, ডিমৌ, ৭ আগষ্ট ঃ** অসম চৰকাৰৰ ছাত্ৰীকল্যাণমূলক প্ৰচেষ্টাৰ অন্যতম দৃষ্টান্তস্বৰূপ "নিযুত মইনা ২.০" আঁচনিৰ আৱেদন পত্ৰ আজি ডিমৌ সমষ্টিৰ অন্তৰ্গত বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ পৰা বিতৰণ কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইয় আৰু ডিমৌ মহাবিদ্যালয়ত ডিমৌ পৌৰসভাৰ পৌৰপতি পল্লৱিতা গগয়ে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰম্ভ কৰা এই অভিলাষী আঁচনিখন মূলতঃ ছাত্ৰীসকলৰ শিক্ষাগত অগ্ৰগতিৰ লগতে বাল্য বিবাহ ৰোধ কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা হৈছে। আঁচনিৰ অধীনত ৰাজ্যৰ লক্ষাধিক ছাত্ৰী উপকৃত হ'ব বুলি অনুমান কৰা হৈছে। আঁচনিৰ মুখ্য দিশসমূহ হৈছেঃ- ২০২৫-২৬ অৰ্থবছৰত ৪ লাখতকৈ অধিক ছাত্ৰী এই আঁচনিখনৰ উপভোক্তা হ'ব, উচ্চতৰ মাধ্যমিক, স্নাতক, স্নাতকোত্তৰ আৰু বি.এড স্তৰৰ ছাত্ৰীসকলক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। উচ্চতৰ মাধ্যমিক ছাত্ৰীৰ বাবে মাহিলী ১, ০০০ টকা, স্নাতক ছাত্ৰীৰ বাবে মাহিলী ১, ২৫০ টকা, স্নাতকোত্তৰ ছাত্ৰীৰ বাবে মাহিলী ২, ৫০০ টকা অনুদান হিচাপে প্ৰদান কৰা হ'ব। বাল্য বিবাহ ৰোধত আঁচনিখনে উল্লেখযোগ্য ভুমিকা পালন কৰিছে। ২০২৪-২৫ বৰ্যত 'নিযুত মইনা' আঁচনিৰ জৰিয়তে ১.৬০ লাখতকৈ অধিক ছাত্ৰী উপকৃত হৈছিল। অনুষ্ঠানত উপস্থিত বিধায়ক সুশান্ত বৰগোহাঁইয়ে কয় যে - "এই আঁচনিখনে কেৱল আৰ্থিক সহায় নহয়, ছাত্ৰীসকলৰ আত্মবিশ্বাস আৰু শিক্ষাৰ প্ৰতি মনোযোগ বৃদ্ধিত এক দৃঢ় প্ৰভাৱ পেলাব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বাল্য বিবাহ ৰোধ আৰু শিক্ষাৰ বিকাশ একেলগে সম্ভৱ হৈছে। আগন্তুক দিনত এই আঁচনি বহু ছাত্ৰীক নিজৰ সপোন সাৰ্থক কৰিবলৈ সহায় কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।" স্থানীয়ভাৱে ছাত্ৰীসকলৰ মাজত উৎসাহ আৰু আশাৰ সঞ্চাৰ কৰি, "নিযুত মইনা ২.০" আঁচনিখনে শিক্ষাৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰিছে বহু অভিভাৱক আৰু শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে একাংশ শৈক্ষিক মহলে।

## চামগুৰিৰ লুংচুং চাহ বাগিচাৰ হদহদী জলপ্ৰপাত অস্থায়ীভাবে বন্ধৰ নিৰ্দেশ জিলা প্ৰশাসনৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰিৰ লুংচুং চাহ বাগিছাৰ হদহদী জলপ্ৰপাতৰ প্ৰৱেশ পথ অস্থায়ীভাৱে জিলা প্ৰশাসনে বন্ধ কৰাৰ নিৰ্দেশ দিছে। নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ নিৰ্দেশমৰ্মে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (বি.এন.এছ.এছ.)ৰ ১৬৩ নং ধাৰা অনুযায়ী, হদহদী জলপ্ৰপাতৰ ক্ষেত্ৰত সাধাৰণ জনতাৰ বাবে বনভোজ/ ৰনোদনমূলক যিকোনো কাৰ্য্য (যেনে: -গাধোৱা, সাঁতোৰা আদি কাৰ্যকলাপ) সাময়িকভাৱে নিষিদ্ধ কৰা হৈছে। হদহদী জলপ্ৰপাতৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ যোৱা সাধাৰণ ৰাইজৰ লগতে ব্যক্তিগত যান-বাহনৰ ক্ষেত্ৰতো নিষেধাজ্ঞা জাৰি কৰিছে জিলা আয়ুক্তগৰাকীয়ে। উল্লেখ্য যে, এটা দিন পূৰ্বে হদহদী জলপ্ৰপাতত গা-ধুবলৈ গৈ দুৰ্ভাগ্যজনকভাৱে মৃত্যুক সাবতি লৈছিল নগাঁৱৰ লাওখোৱা ৰোডৰ সনয়ম ওৰফে শ্যয়েম জৈন নামৰ যুৱকজনে। ইয়াৰ পূৰ্বেও বহুকেইজন যুৱকে জলপ্ৰপাতটো জলকেলি কৰিবলৈ গৈ প্ৰাণ হেৰুৱাব লগীয়া হৈছিল হদহদী জলপ্ৰপাতত। ইয়াৰে কেইবাজনো যুৱক নগাঁও টাউনৰ আছিল। তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সিদ্ধান্ত গ্ৰহণ কৰিছে জিলা আয়ুক্তগৰাকীয়ে। পৰৱৰ্তী আদেশ নোহোৱালৈকে হদহদী জলপ্ৰপাতটো বন্ধৰ কাৰ্যকৰী হৈ থাকিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, যোৱা ২৭ জুলাইত নগাঁও জিলাৰ অন্যতম জনপ্ৰিয় পৰ্যটন আৰু বনভোজস্থলী তথা চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত চাপানালা জলপ্ৰপাতত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই আকস্মিকভাৱে পৰিদৰ্শন কৰি উপস্থিত ৰাইজক সজাগ আৰু সচেতনতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছিল। আয়ুক্তগৰাকীয়ে চাপানালাৰ পৰ্যটন আৰু বনভোজস্থলী পৰিদৰ্শন কৰাৰ সময়ত কিছু লোকে মাদক দ্ৰব্য সেৱন কৰা পৰ্যবেক্ষণ কৰাৰ লগতে পৰিস্থিতিৰ প্ৰতি গুৰুত্ব আৰোপ আৰু সাধাৰণ জনতাৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে পৰৱৰ্তী সময়ছোৱাত বনভোজত অংশগ্ৰহণ কৰা সকলো লোকক মাইকযোগে মাদক দ্ৰব্যৰ সেৱনৰ অপকাৰিতা আৰু সেৱনৰ পৰা দূৰত থাকি পৰ্যটন স্থলীটিৰ আনন্দ উপভোগ কৰিবলৈ আহ্বান জনাইছিল। ইয়াৰ লগতে আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক অসামাজিক কাৰ্য্যৰ বিৰুদ্ধে তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ লগতে পৰ্যটনস্থলী পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু শান্তি ৰক্ষা কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল।

# আমেৰিকাৰ কেলিফৰ্ণিয়াত অধ্যয়ন কৰিব লখিমপুৰৰ বিভাসে

## বিভাস বৰাক বিভিন্নজনৰ সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৭ আগষ্ট ঃ** এখন পিছপৰা গাঁৱৰ মেধাৱী ছাত্ৰ বিভাস বৰাৰ সফলতাক কেন্দ্ৰ কৰি এটা অঞ্চলৰ ৰাইজৰ মাজত আনন্দৰ পৰিৱেশ সূচনা হৈছে। কাটৰি চাপৰি ধনপুৰ গাঁৱৰ ছাত্ৰ বিভাস বৰাৰ সফলতা এতিয়া চৰ্চাৰ কাৰণ হৈ পৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউনিভাৰ্ছিটি অফ্ ছাউথাৰ্ন কেলিফৰ্নিয়া (University of Southern California )ত পি এইচ ডি ডিগ্ৰী কৰিবলৈ সুযোগ পোৱা লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত কাটৰি চাপৰি ধনপুৰ গাঁৱৰ ছাত্ৰ বিভাস বৰাক সম্বৰ্ধনাৰে উপচাই পেলাইছে বিভিন্নজনে। এগৰাকী বিজ্ঞানী হোৱাৰ ইচ্ছাৰে বিভাসে অশেষ কষ্ট আৰু অক্লান্ত পৰিশ্ৰমেৰে অধ্যয়ন আগবঢ়াই নিছিল। শংকৰদেৱ শিশু নিকেতন চাউলধোঘাটৰ পৰা মেট্ৰিক উত্তীৰ্ণ হোৱা ছাত্ৰজনে উচ্চতৰ মাধ্যমিকৰ শিক্ষা গ্ৰহণ কৰিছিল লখিমপুৰৰ জিনিয়াচ একাডেমীত। দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত হিন্দু কলেজত স্নাতক ডিগ্ৰী সম্পন্ন কৰাৰ পিছত বেংগালুৰুৰ 'IISc'ত ৰসায়ন বিজ্ঞান বিভাগত অধ্যয়ন কৰি সফলতাৰে উত্তীৰ্ণ হৈছিল বিভাস। পিছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইউনিভাৰ্ছিটি অফ ছাউথাৰ্ন কেলিফৰ্নিয়াত পি এইচ ডি অধ্যয়ন কৰিবলৈ সুযোগ লাভ কৰে বিভাসে। এটা পিছপৰা অঞ্চলৰ পৰা এই সফলতা লাভ কৰাৰ পিছতে অঞ্চলবাসী গৌৰৱান্বিত হৈ পৰিছে। অঞ্চলতোৰ বাবে নতুন দিগন্তৰ সন্ধান দিয়া বিভাসক ধনপুৰ গাঁৱৰ ৰাইজে সম্বৰ্ধনা পত্ৰ, চেলেং, গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে শুভেচ্ছা জনাই। ভাৰতীয় জনতা পাৰ্টীৰ লগতে ব্যক্তি নিৰ্বিশেষে বিভাসক সম্বৰ্ধনা জ্ঞাপন জনাই। ইয়াৰ পূৰ্বে লখিমপুৰৰ বিধায়ক মানৱ ডেকা, বৰবালি গাঁৱৰ ৰাইজেও সম্বৰ্ধনা জ্ঞাপন কৰিছিল বিভাসক। বিভাস ৰূপহী হাইস্কুলৰ সহকাৰী শিক্ষক পৰাগ বৰা আৰু ৰূপজ্যোতি বৰাৰ জ্যেষ্ঠ পুত্ৰ। সপোন দেখিলেই নহ'ব, সপোনক বাস্তৱত ৰূপান্তৰিত কৰিবলৈ অহৰ্নিশে যে কষ্ট কৰিব লাগিব, ইয়াৰ উজ্জ্বল উদাহৰণ হৈ পৰিছে বিভাস বৰা।



## চাহ শ্ৰমিকৰ দৰমহাৰ পৰা চাহ মজদুৰ সংঘই ধন সংগ্ৰহৰ অভিযোগ

# লখিমপুৰত আটছাৰ উত্তাল প্ৰতিবাদ




**অসম বাৰ্তা, লীলাবাৰী, ৭ আগষ্ট ঃ** 'চাহ শ্ৰমিকৰ অজ্ঞাতে পযেকীয় দৰমহাৰ পৰা ২৫০-৩০০টকা টেবুল কাটৰ জৰিয়তে চাহ মজদুৰ সংঘই ধন সংগ্ৰহ কৰাটো অত্যন্ত নিন্দনীয় কাম। প্ৰখৰ ৰ'দ, বৰষুণ নেওচি হাড় ভঙা কামেৰে অতি নিম্নমানৰ দৈনিক মজুৰি পোৱা শ্ৰমিকসকলৰ পৰা যদিহে প্ৰতিটো দৰমহাত চান্দাৰ নামত ধনৰ হৰলুকি হয়, তেন্তে আমি চাহ শ্ৰমিকৰ সন্তানসকলে হাত সাৰটি বহি নাথাকিম। পৰৱৰ্তী দৰমহাৰ পৰা চাহ মজদুৰ সংঘৰ নামত টেবুল কাট হ'লে জংগী আন্দোলন কৰিবলৈ বাধ্য হ'ম।' - এই মন্তব্য লখিমপুৰ জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ। লখিমপুৰৰ কয়লামাৰী চাহ বাগিছা ফেক্টৰিৰ সন্মুখত অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা' লখিমপুৰ জিলা সমিতিয়ে আজি চাহ শ্ৰমিকৰ বিভিন্ন সমস্যাক লৈ ৩ ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচীৰ ৰূপায়ণ কৰে। আটছাৰ অভিযোগ যে, প্ৰয়োজনত চাহ শ্ৰমিকৰ ইচ্ছা অনুযায়ী চাহ মজদুৰ সংঘই শ্ৰমিকৰ পৰা চান্দা সংগ্ৰহ কৰিব পাৰে। কিন্তু শ্ৰমিকসকলৰ অজ্ঞাতে সংগ্ৰহ কৰাটো বেআইনী কথা। অতি নিম্নমানৰ মজুৰি তথা দৰমহাৰে চাহ শ্ৰমিকৰ এটা পৰিয়ালে নিজৰ ল'ৰা-ছোৱালীৰ লাগতিয়াল সামগ্ৰীৰ লগতে শিক্ষা জীৱনৰ বাবে খৰচ কৰে। সেই দৰমহাৰ পৰা যদি ২৫০-৩০০ টকা হৰলুকি হয়, তেতিয়া চাহ শ্ৰমিকৰ ল'ৰা-ছোৱালীৰ মৌলিক অধিকাৰে জানো প্ৰশ্ন নকৰিব? চাহ বাগিচাৰ প্ৰাথমিক বিদ্যালয় সমূহত শ্ৰেণীৰ অনুপাতে শিক্ষক নিযুক্তি আৰু চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৪০০ টকালৈ বৃদ্ধিৰ দাবীত ৩ ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচীৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে লখিমপুৰ জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ নেতৃবৃন্দই। চাহ শ্ৰমিকৰ দৰমহাৰ পৰা এছিএমএছে ধন সংগ্ৰহ কৰা বন্ধ কৰক, চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৪০০ টকালৈ বৃদ্ধি কৰক, প্ৰাথমিক বিদ্যালয় সমূহত শ্ৰেণীৰ অনুপাতে শিক্ষক নিযুক্তি দিয়ক আদি শ্লোগানেৰে কয়লামাৰী চাহ বাগিচাৰ আকাশ বতাহ উত্তাল কৰি তোলে আটছাৰ কৰ্মকতাসকলে। উল্লেখ্য যে, আটছাৰ কৰ্মকৰ্তাসকলে তিনি দফীয়া দাবী সম্বলিত স্মাৰক-পত্ৰ কয়লামাৰী চাহ বাগিচাৰ প্ৰধান পৰিচালকক প্ৰদান কৰে।

## নেঘেৰিবিলত অসম আৰক্ষীৰ বৃহৎ দল

## নাগালেণ্ড সীমান্ত পৰিৰ্দশন অসম বেটেলিয়নৰ কামানডেণ্ট দেৱজিত দেউৰীৰ

**অসম বাৰ্তা, মেৰাপানী, ৭ আগষ্ট ঃ** অসম নাগালেণ্ড সীমান্তৰ মেৰাপানী নেঘেৰিবিলত আজি উপস্থিত হয় অসম আৰক্ষীৰ এক বৃহৎ দল। মেৰাপানী নেঘেৰিবিলৰ উচ্ছেদস্থলি পৰিদৰ্শন কৰি অসম নাগালেণ্ডৰ শেহতীয়া পৰিস্থিতি বুজ লোৱাৰ লগতে নাগালেণ্ড পুলিচৰ সৈতে ফটো উঠে অসম বেটেলিয়নৰ কামাডেণ্ট দেৱজিৎ দেউৰী সহ অসম আৰক্ষী দলটোৱে। আনফালে আজি মেৰাপানী নেঘেৰিবিলৰ সন্দেহজনক বেদখলকাৰীক শেযবাৰৰ বাবে মাইক যোগে নেঘেৰিবিল এৰি যাবলৈ জাননী দিয়ে উল্লেখযোগ্য যে অসম নাগালেণ্ড সীমান্তৰ মেৰাপানীৰ ২ নং নেঘেৰিবিলত সন্দেহজনক বেদখলকাৰীৰ বিৰুদ্ধে ৮ আগষ্টৰ পৰা চলাৱ উচ্ছেদ, সেয়েহে ৮ আগষ্টৰ ভিতৰত নেঘেৰিবিল এৰি যাবলৈ অসম বন বিভাগৰ তৰফৰপৰা বেদখলকাৰীসকলক জাননী প্ৰেৰণ কৰিছিল। বৰ্তমান ৯০ শতাংশ সন্দেহজনক বেদখল কাৰীয়ে নিজে ঘৰ ভাঙি বয় বস্তু লৈ নেঘেৰিবিল এৰি অন্য স্থানলৈ ৰাওনা হৈছে। সেয়েহে আজি পুনৰ বন বিভাগ আৰু আৰক্ষী এক বৃহৎ দলে অসম নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চল নেঘেৰিবিলৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে সন্দেহযুক্ত বেদখলকাৰীসকলক কালিলৈ ভিতৰত নিজৰ বয়বস্তুলৈ ঘৰ এৰি যাবলৈ মাইকযোগে জাননী দিয়া দেখা গ'ল।

## ধুবুৰীৰ ছাগলীয়াত ৰাইজৰ ৰোষত বন বিভাগ

## অবৈধ বালি খননৰ মেচিন জব্দ স্থানীয় ৰাইজৰ

**অসম বাৰ্তা, আগমনি, ৭ আগষ্ট ঃ** ধুবুৰী জিলাৰ ছাগলীয়া বন গাণনিক বিষয়া কাৰ্যালয় অন্তৰ্গত ৰতিয়াদহৰ কানুৰি দ্বিতীয় খণ্ড গাঁৱত যোৱা কালি অবৈধ বালি খনন কাৰ্যত ব্যৱহৃত মেচিন জব্দ কৰিব গৈ বন বিষয়া-কৰ্মচাৰী ৰাইজৰ ৰোযত পৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কানুৰি দ্বিতীয় খণ্ড গাঁৱৰ গংগাধৰ নদীৰ চৰত দীৰ্ঘদিনৰ পৰা চলি আহিছে অবৈধ বালি খনন। ছাগলীয়া বন বিভাগ আৰু ধুবুৰী বন বিভাগৰ লগত গোপন বুজাবুজিৰে মুকলিভাৱে চলি আহিছে বালি খননকাৰ্য। জেচিবিৰে খনন কৰাৰ লগতে একাংশই পাৱাৰপাম্প লগাই বালিখনন কৰি আহিছে। অভিযোগ মতে, ধন সংগ্ৰহৰ বাবে বিভাগীয়ভাবে দায়িত্ব প্ৰদান কৰা হয় ছাইদুল ৰহমান সৰকাৰ আৰু মঞ্জিল হকক। বালি খননৰ পূৰ্বেই নিৰ্ধাৰিত নিৰিখত ধন সংগ্ৰহ কৰে বন কৰ্মী ছাইদুল আৰু মঞ্জিলে। অইন দিনৰ দৰে পৰহি ছাগলীয়া বন গাণনিক কাৰ্যালয়ৰ বন কৰ্মী ছাইদুল ৰহমান পাঁচদিন বালি খননৰ বাবদ গাঁওখনৰ ৰকিবুলৰ পৰা পাঁচ হেজাৰ টকা সংগ্ৰহ কৰে। লেনদেনৰ সকলো আলোচনা ম'বাইলত ৰেকৰ্ডিঙো হয়। আলোচনা-এনেকুৱাও হয় ছাগলীয়াৰ পৰিৱৰ্তে ধুবুৰীৰ পৰা অভিযানত আহিলে আগতীয়াকৈ অৱগত কৰিব। কিন্তু আজি গোপন খবৰৰ ভিত্তিত ছাগলীয়া বন গাণনিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া খনিনগিৰি অধিকাৰী অতৰ্কিতে কানুৰি দ্বিতীয় খণ্ড গাঁৱৰ গংগাধৰ চৰত অভিযান চলায়। অভিযানত বালি খনন কৰা থকা অৱস্থাত পাৱাৰপাম্প এটা জব্দ কৰে। ইয়াক কৃযক কৰা স্থানীয় ৰাইজ উত্তেজিত হৈ পৰে। ৰাইজৰ মতে, অসাধু ব্যৱসায়ী খনন কৰাৰ সময়ত বন বিভাগ চকু মুদি থাকে। নিজ ঘৰৰ ভেটিত মাটি পেলোৱাৰ সময়ত বন বিভাগ তৎকালীন হৈ পৰে। তদুপৰি পৰহি পাঁচদিন বালি খননৰ বাবদ পাঁচ হেজাৰ টকা সংগ্ৰহ কৰা সাইদুল ৰহমান সৰকাৰ নিজেও দলটোত উপস্থিত থাকি মেচিনটো জব্দ কৰাত ৰাইজ ক্ষুব্ধ হৈ পৰে। উত্তেজিত ৰাইজ বন বিভাগৰ দলটোক ঘেৰি ধৰা প্ৰশ্ন উত্থাপিত কৰে। বন বিভাগ উপায়ন্তৰ হৈ গোলকগঞ্জ থানাত খবৰ কৰে। আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি খনন কাৰ্যত ব্যৱহৃত মেচিন সা-সৰঞ্জাম জব্দ কৰে। কানুৰি দ্বিতীয় খণ্ড গাঁৱৰ গংগাধৰ নদীৰ চৰত দীৰ্ঘদিনৰ পৰা চলি আহিছে অবৈধ বালি খননকাৰ্য বনৰক্ষী ছাইদুল ৰহমানে প্ৰতিটো কাৰ্যত চিষ্টেম কৰে বুলি ৰাইজৰ অভিযোগ।

## দেৰগাঁৱত আছুৰ শৈক্ষিক সমাৰোহৰ সামৰণি অনুষ্ঠান

# প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ প্ৰদান আঞ্চলিক ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, দেৰগাঁও, ৭ আগষ্ট ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শৈক্ষিক কৰ্মসূচীৰ আধাৰত দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত দেৰগাওঁ কেন্দ্ৰীয় শাখা গোট ছাত্ৰ সন্থায়ে আয়োজন কৰা গ্ৰীষ্মকালীন শৈক্ষিক সমাৰোহ দেওবাৰে সফল পৰিসমাপ্তি ঘটে। যোৱা বৰ্যত দেৰগাঁও ঐতিহ্যমণ্ডিত বাপুজী মন্দিৰত গ্ৰীষ্মকালীন নাট্য কৰ্মশালাৰ পিছতে এইবাৰ পুনৰ উক্ত শাখা গোট ছাত্ৰ সন্থাই গ্ৰীষ্মকালীন বন্ধ সময়চোৱাত ছাত্ৰ ছাত্ৰী সকলক শৈক্ষিক দিশত সুবিধা হোৱাকৈ দেৰগাঁও নগৰ অঞ্চলৰ বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিভিন্ন ধৰণৰ যেনে ৰচনা, বক্তিতা, চিত্ৰাংকন আদি প্ৰতিযোগিতা মূলক অনুষ্ঠান আয়োজন কৰে। দেৰগাঁও ইন্দ্ৰানীদেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা শৈক্ষিক সমাৰোহ অনুষ্ঠানটি আগ ধৰে দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সহঃ সাধাৰণ সম্পাদক প্ৰাঞ্জল দাসে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে থাকে দেৰগাঁও বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ গুণোত্তম বৰা। লগতে উপস্থিত থাকে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীপ বৰঠাকুৰ, সাধাৰণ -সম্পাদক চিৰঞ্জীৱ



বৰা। মহকুমা ছাত্ৰ সন্থাৰ উপ-সভাপতি পলাশ বৰা, সহঃ সাধাৰণ সম্পাদক ৰিমাকু জ্যোতি শইকীয়া। লগতে দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চগীৰ আহমেদ আৰু আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া। অনুষ্ঠানৰ শেষত প্ৰতিযোগিতাত স্থানপাপ্ত ছাত্ৰ-ছাত্ৰী সকলক পুৰস্কাৰ সমূহ প্ৰদান কৰে। অনাগত দিনত এইদৰে ছাত্ৰ - ছাত্ৰী সকল শৈক্ষিক দিশত আগুৱাই যোৱাত সহায় হোৱাকৈ এনেধৰণৰ অনুষ্ঠান আয়োজন কৰি যাব বুলি দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থা আৰু দেৰগাঁও কেন্দ্ৰীয় শাখা গোট ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলে জানিবলৈ দিয়ে।

## খগৰপুৰৰ ঐতিহাসিক মহাৰাণী মন্দিৰত চুৰি

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৭ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী থানা তথা উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত খগৰপুৰস্থিত ঐতিহাসিক মহাৰাণী মন্দিৰত যোৱা নিশা চোৰে লুটপাত চলায়। এই সন্দৰ্ভত আৰক্ষীয়ে এজনক আটক কৰে। জানিব পৰা মতে যোৱা নিশা চোৰে আঠ-নটাকৈ তলা ভাঙি মহাৰাণী মন্দিৰ, শিৱ মন্দিৰ আৰু কাৰ্যালয়ত প্ৰৱেশ কৰে। মন্দিৰ দুয়োটাৰ লগতে কাৰ্যালয়ৰ আলমিৰা ভাঙি সোণৰ আ-অলংকাৰ আৰু নগদ ধন লুট কৰি নিয়ে। এই বিষয়ে আজি পুৱাহে মন্দিৰত উপস্থিত হৈ চোৰৰ টিঘিলঘিলনি প্ৰত্যক্ষ কৰি আৰক্ষীক খৱৰ দিয়ে। আনপিনে মন্দিৰত ব্যৱহৃত বাচন-বৰ্তন, মাইকছেট, ইনভাৰ্টাৰ আদিও লুট কৰি নিয়ে যদিও মন্দিৰৰ কিছু নিলগত উক্ত সামগ্ৰীবোৰ এৰি থৈ যোৱাত মন্দিৰ কৰ্তৃপক্ষই সেইবোৰ উদ্ধাৰ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাই খগৰপুৰৰে চৰ্দাৰপাৰাৰ তৰুন ৰায় নামৰ লোক এজনক আটক কৰিছে।

## পশ্চিম বড়িগোগ বাৰাংহাটী শংকৰদেৱ শিশু নিকেতনত গছপুলি ৰোপণ কাৰ্যসূচী

**অসম বাৰ্তা, বাহাৰঘাট, ৭ আগষ্ট ঃ** পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত বৃহত্তৰ বাৰাংহাটী, গড়পোট আৰু সৌৰামুৰীকে ধৰি কেইবাখনো গাঁৱৰ শিক্ষাৰ কঠীয়া থলী শঙ্কৰদেৱ শিশু নিকেতন, বাৰাংহাটী, চৌহদত আজি এলানি গছ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীটোৰ আৰম্ভণিতে কেন্দ্ৰীয় বিদ্যালয়, খানাপাৰাৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল কলিতাক নিকেতনৰ প্ৰধানাচাৰ্য্য সৰ্বেশ্বৰ ডাউকাই এখন ফুলাম গামোছাৰে সম্ভাযণ জনায়। গছ পুলি ৰোপণ কাৰ্যসূচীটোত নিকেতনৰ ছাত্ৰছাত্ৰী, আচাৰ্য, আচাৰ্যাৰ উপস্থিতিত সম্পাদন কৰে। গছপুলি ৰোপণ কৰি বিপুল কলিতাই কয় যে আজিৰ শিক্ষা ব্যৱস্থাত ল'ৰা-ছোৱালীয়ে হাতে কামে শিকাৰ বাহিৰে গত্যন্তৰ নাই। গছৰ পুলি ৰোপণ কাৰ্যসূচীটোও এটা হাতে কামে শিকাৰ প্ৰণালী আৰু ই আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত বিশেয ভাৱে প্ৰভাৱ পেলায়। কাৰ্যসূচী টোৰ শেযত আচাৰ্য লৱ শৰ্মাই শলাগৰ শৰাই আগবঢ়াই।

## ডুমডুমাত ঐতিহাসিক "আলাবৈৰ ৰণ"ৰ স্মৃতি দিৱস



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৭ আগষ্ট ঃ** ৬০০ বছৰীয়া আহোম ৰাজত্বৰ এক ঐতিহাসিক ক্ষণ ১৬৬৯ চনৰ ৫ আগষ্টৰ আলাবৈৰ ৰণ। সমগ্ৰ অসমৰ লগতে ৰূপাইস্থিত 'ডুমডুমা আঞ্চলিক টাই ভাযা-সংস্কৃতি চৰ্চা আৰু সংৰক্ষণ কেন্দ্ৰ'ৰ ছ্যুকাফা মঞ্চত ঐতিহাসিক আলাবৈৰ ৰণৰ স্মৃতি দিৱস ৫ আগষ্ট তাৰিখে পালন কৰা হয়। দেশ আৰু স্বজাতিৰ হকে মোগলৰ বিৰুদ্ধে যুঁজি আত্মবলিদান দিয়া ১০০০০ আহোম সৈন্যৰ বীৰগাথা সুঁৱৰি ৩৫৬ তম স্মৃতি দিৱসত মৈদাম তৰ্পন, বন্তি প্ৰজ্জ্বলন আৰু আলাবৈৰ ৰণৰ তাৎপৰ্য আলোচনা কৰা হয়। মৈদাম তৰ্পন আৰু বন্তি প্ৰজ্জ্বলনেৰে শুভাৰম্ভ কৰে কেন্দ্ৰটোৰ সভাপতি তিলেশ্বৰ গগৈয়ে। কেন্দ্ৰৰ সম্পাদক বিপুল গগৈয়ে আঁতধৰা অনুষ্ঠানত ৰাজু বৰুৱা. ৰবিন গগৈ, তৰুণ বৰগোঁহাই, জয়ন্তী বৰুৱা, মৃদুল গগৈ, চিন্ময় ফুকন, কনক চেতিয়া আদি বহুকেইজন গণ্যমান্য জ্ঞাতি বৰ্গৰ লগতে ছাত্ৰ সংগঠনৰ নেতাই অংশগ্ৰহণ কৰে। আলাবৈৰ ৰণৰ তাৎপৰ্যপূৰ্ণ ব্যাখা দাঙি ধৰে প্ৰসন্নপ্ৰাণ ফুকনে। দেশ মাতৃৰ প্ৰতি থকা অগাধ ভক্তিৰ প্ৰতীক ৰক্তক্ষয়ী আলাবৈৰ ৰণ আহোমৰ ৬০০ বছৰীয়া ৰাজত্বৰ এক ঐতিহাসিক নিদৰ্শন। ডুমডুমা আঞ্চলিক টাই ভাযা-সংস্কৃতি চৰ্চা আৰু সংৰক্ষণ কেন্দ্ৰৰ উদ্যোগত প্ৰথম বাৰৰ বাবে পালন কৰা এই স্মৃতি দিৱসটি প্ৰতিবছৰে উদ্‌যাপন কৰাৰ মতপোযণ কৰে কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি তৰুণ বৰগোহাঁয়ে।

## সাহিত্য সভা প্ৰাক্তন সভাপতি মহিম বৰাক স্মৰণ

## তিনিচুকীয়া জিলাৰ ৰূপাই (শতদল)শাখা সাহিত্য সভাৰ উদ্যোগত মৃত্যুবাৰ্ষিকী পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৭ আগষ্ট ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি(ডুমডুমা অধিৱেশন, ১৯৮৮-৮৯), সাহিত্যাচাৰ্য, পদ্মশ্ৰী, সাহিত্য অকাডেমি বঁটা প্ৰাপক, 'ৰঙা জিঞ্জা'ৰ কবি, 'কাঠনিবাৰী ঘাট'ৰ স্ৰষ্টা, বিশিষ্ট সাহিত্যিক, গল্পকাৰ মহিম বৰাৰ কালি তেখেতৰ মৃত্যুবাৰ্ষিকীত তিনিচুকীয়া জিলাৰ ৰূপাই (শতদল)শাখা সাহিত্য সভাই শ্ৰদ্ধাৰে স্মৰণ কৰে। ৰূপাই চাইডিং তপোবনস্থিত শাখাৰ নিজা ভৱনত বিশিষ্ট সাহিত্যিকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কাৰ্যসূচী শুভাৰম্ভ কৰে শাখাৰ উপ-সভাপতি তথা ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা, বিশিষ্ট অনাতাঁৰ শিল্পী বীণা দেৱী বৰদলৈয়ে। উপস্থিত সকলো সদস্যই পুষ্পাঞ্জলি অৰ্পণ কৰি বিশিষ্ট সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। শাখাৰ সভাপতি বেণু বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বীণা দেৱী বৰদলৈয়ে মহিম বৰাৰ জীৱন পঞ্জী তথা অসমীয়া সাহিত্যলৈ তেখেতৰ অমূল্য অৱদানৰ সন্দৰ্ভত আলোকপাত কৰি এটা অতি সুন্দৰ আৰু মনোমোহা বক্তব্য প্ৰদান কৰে। ডুমডুমা অধিৱেশনৰ সময়ত ৰূপাই অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে সাহিত্যিকগৰাকীৰ ব্যক্তিগতভাৱে হোৱা সান্নিধ্যৰ কথাও তেখেতে বক্তব্যত উল্লেখ কৰে। আজিৰ পৰা ৩৬ বছৰৰ আগতে অনুষ্ঠিত এই অধিৱেশনখনিৰ লগতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহিম বৰা আজিও ৰূপাই-ডুমডুমাবাসী ৰাইজৰ মনত সজীৱ হৈ থকা কথা সভাত উপস্থিত ৰাইজে শ্ৰদ্ধাৰে সোঁৱৰে। উল্লেখযোগ্য যে, প্ৰসিদ্ধ কবি, গল্পকাৰ, ঔপন্যাসিক মহিম বৰাই 'কাঠনিবাৰী ঘাট' নামৰ বিখ্যাত গল্পটোৰে অসমীয়া সাহিত্যত বিশেষ পৰিচিতি লাভ কৰিছিল। অসম সাহিত্য সভাৰ ডুমডুমা অধিৱেশনত সভাপতিৰ পদ অলংকৃত কৰা প্ৰয়াত সাহিত্যিকগৰাকীয়ে ১৯৮০ চনত 'ৰাতি ফুলা ফুল' নামৰ গল্প সংকলনৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা, ২০০১ চনত 'এধানি মাহীৰ হাঁহি' শীৰ্যক গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা, ১৯৯৮ চনত 'সম্পূৰ্ণ ৰচনাৱলী'ৰ বাবে অসম উপত্যকা সাহিত্য বঁটা, ১৯৯৬ চনত 'গল্প সমগ্ৰ'ৰ বাবে ছগনলাল জৈন বঁটা, ২০১৪ চনত গণেশ গগৈ বঁটা, ২০০৮ চনৰ ৮ ফেব্ৰুৱাৰীত সাহিত্যাচাৰ্য উপাধি লাভ কৰিছিল। ২০১১ চনত 'পদ্মশ্ৰী' বঁটাৰেও সন্মানিত হোৱা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহিম বৰাই ৫ আগষ্ট, ২০১৬ তাৰিখে ৯৩ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছিল।।

## গোলাঘাট লক্ষ্মীজুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসকৰ পিতৃৰ দেহাৱসান

### জন্মস্থান যোৰহাটৰ বৃহত্তৰ চাৰিগাঁও অঞ্চলত শোকৰ ছাঁ

**অসম বাৰ্তা, মেৰাপানী, ৭ আগষ্ট ঃ** গোলাঘাট জিলা যুটীয়া স্বাস্থ্য সঞ্চালক কাৰ্যালয়ৰ অন্তৰ্গত লক্ষ্মীজুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক মিংকু প্ৰতিম দত্তৰ পিতৃ ডাঃ চক্ৰপানী দত্ত(৭৭)ৰ সোমবাৰে নিশা প্ৰায় ৯.৫০ বজাত উচ্চ ৰক্তচাপ জনিত ৰোগত যোৰহাট চিকিৎসা মহাবিদ্যালয় হস্পিতালত দেহাৱসান ঘটে। উল্লেখ্য যে প্ৰয়াত দত্তয়ে যোৰহাটৰ ডাঃ জীৱকান্ত শইকীয়া হোমিওপেথিক মেডিকেল কলেজত অধ্যক্ষ হিচাপে কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ উপৰি তেওঁৰ জন্মস্থান বৃহত্তৰ চাৰিগাঁও অঞ্চলৰ শৈক্ষিক-সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত হৈ আহিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে চিকিৎসক গৰাকীৰ পিতৃৰ মৃত্যুত লক্ষ্মীজুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, দহমাইলখুটিঁ, লক্ষ্মীজুৰি উপস্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰী বৃন্দ, শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষ্মীবাৰী, লক্ষ্মীবাৰী শাখা সাহিত্য সভা, জামুগুৰি প্ৰেছ ক্লাব, লক্ষ্মীবাৰী জাতীয় বিদ্যালয়, বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, লক্ষ্মীজুৰি বীথিকা মইনা পাৰিজাত, দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাত, লক্ষ্মীজুৰি চিকিৎসালয় পৰিচালনা সমিতি, হেঙুল সমন্বয় কলাভূমি, লক্ষ্মীবাৰী আদি কৰি বিভন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। ইফালে চক্ৰপানী দত্তৰ মৃত্যুত যোৰহাট চাৰিগাঁও অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মনী, তিনিজন পুত্ৰ, চাৰি গৰাকী কন্যা, বোৱাৰী, নাতি তথা বহু ইষ্ট-কুটুমক ইহ সংসাৰত এৰি গৈছে।

## ৰূপহীহাট আৰক্ষীৰ জালত ৭টা গৰু চোৰ; জব্দ ৯টা গৰু

**অসম বাৰ্তা, ৰূপহীহাট, ৭ আগষ্ট ঃ** বুধবৰীয়া সাপ্তাহিক বজাৰৰ আগ নিশা ৰূপহীহাটত সক্ৰিয় এটা বৃহত গৰু চুৰি চক্ৰক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। যোৱা নিশা ৰূপহীহাট আৰক্ষীয়ে কাৰৈমাৰীত অভিযান চলাই কদমগুৰিৰ হাচিবুল হুছেইন, পশ্চিম লৰিৰমুখৰ শ্বৰিফুল ইছলাম, জহিৰুল ইছলাম আৰু বৰমাবিলৰ নুৰ মহম্মদক আটক কৰে। একে নিশাই ৰূপহীৰ ভকতগাঁৱৰ মতিবুৰ ৰহমান, ৰূপহী তিনিআলিৰ ৰইচ উদ্দিন আৰু বৰপেটাৰ আনাৰুল হকক কৰায়ত্ত কৰে। আৰক্ষীয়ে এই দুটা গৰু চুৰি চক্ৰৰ পৰা ৯ টাকৈ চোৰাং গৰু জব্দ কৰে। ধৃত আটাইকেইটা গৰু চোৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি জেল হাজতলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে।

# জীৱন্ত প্ৰতিমাৰে বৰপেটাৰোডত পাঁচদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ঝুলন যাত্ৰা মহোৎসৱৰ উদ্‌যাপন

### ঝুলন যাত্ৰা মহোৎসৱৰ শুভাৰম্ভণি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ৭ আগষ্ট ঃ** বৰপেটাৰোড ৰাধাকৃষ্ণ ঠাকুৰবাড়ী মন্দিৰত পাঁচ দিনীয়াকৈ শ্ৰীকৃষ্ণৰ ঝুলন যাত্ৰা আৰম্ভ হৈছে। মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত প্ৰতিমাৰে সজ্জিত হোৱা এই ঝুলন যাত্ৰা আজি সন্ধিয়া অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে শুভ উদ্বোধন কৰে। এই উদ্দেশ্য ৰাধাকৃষ্ণ ঠাকুৰবাড়ী মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক ভেইৰু কুমাৰ শৰ্মাৰ পৰিচালনাত হোৱা সভাত বক্তব্য ৰাখি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয় যে ৰাধাকৃষ্ণৰ মিলন আধ্যাত্মিকতাৰ প্ৰতীক আৰু মন্দিৰত আয়োজিত এই ঝুলন যাত্ৰাই আধ্যাত্মিকতাৰ প্ৰকাশ কৰিছে। বৰপেটাৰোড মন্দিৰতো ঝুলন যাত্ৰাৰ জৰিয়তে উদ্যোক্তা সকলে মথুৰা, বৃন্দাবন, পুৰীৰ ধৰ্মীয় অনুভৱ কঢ়িয়াই আনিছে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পুনৰ কয় যে যিয়ে কৃষ্ণৰ ভক্তি ৰস পান কৰে তাৰে মনৰ মলিনতা আঁতৰে। তেওঁৰ মতে কৃষ্ণৰ বাণী আমাৰ আদৰ্শ আৰু কৃষ্ণৰ বাণীয়ে আমাৰ জীৱনৰ মাৰ্গ দৰ্শনৰে সমাজ আগবাঢ়ি যোৱাত সহায় কৰে। তেওঁ কয় যে ভগৱানৰ প্ৰতি মানুহৰ যিমানে ভক্তি বাঢ়িব সিমানে আধ্যাত্মিকতা বাঢ়িব আৰু সমাজ সুশৃংখলিত হব। উল্লেখ সভাত শিৱৰতন মাহেশ্বৰীয়ে শলাগৰ শৰাই আগবঢ়ায়। উল্লেখ পাঁচদিনীয়া এই ঝুলন যাত্ৰাত একাংশ কণ কণ শিশোৱে ৰাধাকৃষ্ণ, শ্ৰী শ্যাম বাবা, মাখন চোৰ, কালী মা আদিৰ দৰে জীৱন্ত প্ৰতিমা সাজি দৰ্শকৰ মন মোহিত কৰাৰ লগতে আন কেবাটাও মৃণ্ময় মূৰ্তি উপস্থাপন কৰা হৈছে। তদুপৰি এই পাঁচ দিনত আন ভালেমান আধ্যাত্মিক সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হব। উল্লেখ্য যে শ্ৰীকৃষ্ণৰ জুলন যাত্ৰা হৈছে প্ৰকৃতিৰ সৈতে মানুহৰ সংযোগ আৰু শাৰীৰিক আৰু আধ্যাত্মিক আনন্দৰ প্ৰতীক। এই উৎসৱে শ্ৰীকৃষ্ণ আৰু ৰাধাৰ মাজৰ প্ৰেম আৰু ভক্তিৰ সম্পৰ্কক প্ৰতিনিধিত্ব কৰে যাৰ জৰিয়তে ভগৱান আৰু ভক্তৰ মাজত সম্পৰ্ক উৎসৱৰ প্ৰতিফলন হয় বুলি বিশ্বাস কৰা হয়। সেয়ে এই উৎসৱ প্ৰতিবছৰে শাওণ মাহৰ শুক্লা দশমী তিথিত আৰম্ভ হৈ পূৰ্ণিমা তিথিত সমাপ্ত হয়।



◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন